● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল


**দিগ্‌দৰ্শন**

মনে যি কথাৰ ধাৰণ কৰিব আৰু বিশ্বাস কৰিব পাৰে, সেই কাম ই সম্পূৰ্ণ কৰিবও পাৰে।

নেপ'লিয়ন হিল
*মাৰ্কিন সাহিত্যিক*




www.dainikagradoot.in



৭ অনন্তনাগত কাশ্মিৰী পণ্ডিতৰ কল'নি হ'ল খালী
১৫ দৃঢ় ইগাৰ বিৰুদ্ধে সাহসী কোকো
৪ সাম্প্ৰতিক ৰাজনীতিত সামাজিক মাধ্যমৰ ভূমিকা



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৩৪তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ২০ জেঠ ১৪২৯ ভাস্কৰাব্দ ৪ জুন ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 4 June 2022 মূল্য ঃ ৯.০০ টকা


■ প্ৰতিদিনেই নতুন বিবাদ সৃষ্টিৰ প্ৰয়োজন নাই ঃ ভগৱত ■ মুছলমানসকলে উভতি আহিব খুজিলে আদৰিব লাগিব ■ মন্দিৰক লৈ ভৱিষ্যতে আন্দোলন নকৰাৰ ঘোষণা সংঘৰ মুৰব্বীৰ

# প্ৰত্যেক মছজিদত শিৱলিংগ কিয় বিচাৰে

**জ্ঞানবাপী মছজিদৰ বিবাদ পাৰস্পৰিক ঐক্যমতৰ ভিত্তিত সমাধানৰ সূত্ৰ বিচৰাৰ পোষকতা**

■ নিউজ ব্যুৰ'
**নাগপুৰ, ৩ জুন ঃ** 'প্ৰত্যেক মছজিদতে শিৱলিংগ বিচাৰি ফুৰাৰ কোনো প্ৰয়োজন নাই।' দেশৰ ধৰ্মীয় উপাসনাস্থল সমূহৰ যোগসূত্ৰক কেন্দ্ৰ কৰি দ্ৰুতগতিৰে বৃদ্ধি পোৱা দাবী আৰু প্ৰতিদাবীৰ সন্দৰ্ভত এইদৰেই প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মোহন ভগৱতে। কালি এক অনুষ্ঠানত ভাষণ দি ভগৱতে কয় যে সম্প্ৰতি বাৰানসীৰ জ্ঞানবাপী মছজিদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিবাদৰ হিন্দু আৰু মুছলমান উভয় পক্ষৰ ঐক্যমতৰ ভিত্তিত সমাধানৰ সূত্ৰ



উলিওৱা উচিত। 'জ্ঞানবাপীৰ এক ইতিহাস আছিল আৰু তাক আমি সলনি কৰিব নোৱাৰো' বুলি মন্তব্য কৰি ভগৱতে কয়, 'ইতিহাস সলনি কৰিব নোৱাৰি। আজিৰ কোনো হিন্দু বা মুছলমানে এয়া সৃষ্টি কৰা নাই। গতিকে এই ইতিহাস আজিৰ হিন্দু বা মুছলমানে সলনি কৰিব নোৱাৰে। এয়া অতীততে হৈছিল। বহিৰাগত আক্ৰমণকাৰীৰ মাধ্যমেৰে ইছলাম এই দেশলৈ আহিছিল। সেই সময়ত হিন্দুসকলৰ মনোবলত আঘাত কৰাৰ উদ্দেশ্যে আৰু নতুনকৈ ধৰ্মান্তৰিত হোৱা মুছলমানসকলক আকৰ্ষিত ১০ পৃষ্ঠাত চাওক



*গুণোৎসৱৰ কাৰ্যসূচীত শিশু ছাত্ৰ-ছাত্ৰীৰে সাংসদ কুইন ওজা, মহানগৰীত শুকুৰবাৰে।*

## সাত জুনত ঘোষণা মেট্ৰিক হাইমাদ্ৰাছা পৰীক্ষাৰ ফলাফল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জুন ঃ** অহা সাত জুনত হাইস্কুল শিক্ষান্ত পৰীক্ষা (মেট্ৰিক) আৰু হাইমাদ্ৰাছা পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এই কথা এক টুইটৰ জৰিয়তে প্ৰকাশ ১০ পৃষ্ঠাত চাওক

## ১৫ জুনৰ পৰা ৬৫ শতাংশ পৰ্যন্ত বৃদ্ধি সুৰাৰ মূল্য

**অধিক ৰাজহ সংগ্ৰহৰ লক্ষ্য চৰকাৰৰ**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জুন ঃ** অহা ১৫ জুনৰ পৰা ৰাজ্যত বৃদ্ধি হ'ব সুৰাৰ মূল্য। আবকাৰী বিভাগৰ তথ্য মতে, ব্ৰেণ্ডভেদে ৬৫ শতাংশ পৰ্যন্ত দাম বৃদ্ধি হ'ব সুৰাৰ। ৫০ মিলিলিটাৰৰ সুৰাৰ প্ৰতিটো বটলৰ মূল্য ৮০ শতাংশ বৃদ্ধি হ'ব। ৰেগুলাৰ ব্ৰেণ্ডত সৰ্বাধিক মূল্যবৃদ্ধি ১০ পৃষ্ঠাত চাওক

■ শেহতীয়াকৈ ধৃত ২৬জনীয়া দলক জেৰাৰ বাবে উপস্থিত এনআইএৰ ১০ জনীয়া দল ■ ব্যাপক অনুপ্ৰৱেশক লৈ উদ্বিগ্ন গৃহ মন্ত্ৰণালয় ■ বাংলাদেশৰ সতৰ্কতাই উদ্বিগ্নতা বৃদ্ধি কৰিছে

## ৰহিংগীয়াৰ সূত্ৰ বিচাৰি শিলচৰত এনআইএ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জুন ঃ** বাংলাদেশৰ পৰা সঘনে আহি থকা সতৰ্কবাৰ্তাৰ মাজতে অসমত ধাৰাবাহিকভাৱে ৰহিংগীয়া অনুপ্ৰৱেশকাৰী ধৰা পৰাৰ বিষয়টোৱে গৃহ মন্ত্ৰণালয়ক উদ্বিগ্ন কৰিছে। তাৰ পৰিপ্ৰেক্ষিতত কাৰ সহায়ত, কিয় আৰু কিদৰে বাংলাদেশৰ পৰা ৰহিংগীয়াই অনুপ্ৰৱেশ কৰিবলৈ সক্ষম হৈছে তাৰ তদন্তৰ দায়িত্ব অৰ্পণ কৰা হৈছে ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এনআইএ)ক। কিয়নো বাংলাদেশে ৰহিংগীয়া অনুপ্ৰৱেশৰ বিষয়টোক কোনো পৰিস্থিতিতে উপেক্ষা নকৰিবলৈ ভাৰত চৰকাৰক পৰামৰ্শ আগবঢ়াইছে। ইয়াৰ পাছতে গৃহ মন্ত্ৰণালয়ে অসম আৰু ত্ৰিপুৰাক এই সন্দৰ্ভত বিশেষভাৱে সতৰ্ক কৰি দিছে। সেইকাৰণে এনআইএৰ দৰে শীৰ্ষ কেন্দ্ৰীয় সংস্থাক অনুসন্ধানৰ দায়িত্ব অৰ্পণ কৰা হৈছে। যোৱা ২৯ মে'ত জম্মু-কাশ্মীৰৰ পৰা গুৱাহাটী হৈ শিলচৰলৈ যোৱা অৱস্থাত ১২ টি শিশুসহ ২৬ জনীয়া এটা বৃহৎ ৰহিংগীয়া অনুপ্ৰৱেশকাৰীৰ দলক কাছাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। এই সকলক জেৰাৰ বাবে অসমত উপস্থিত হৈছে এনআইএৰ ১০ জনীয়া এটি দল। শিলচৰত ইতিমধ্যে দলটোৱে তদন্ত প্ৰক্ৰিয়া আৰম্ভ কৰিছে। এই দলটোৰ এজেণ্টৰূপে কাম কৰা জাকিৰ হুছেইন নামৰ এজন লোকৰো তথ্য উদ্ধাৰ হৈছে। উল্লেখ্য যে ম্যানমাৰ সেনাৰ আক্ৰমণৰ সময়ত দেশখনৰ ১০ পৃষ্ঠাত চাওক

কাৰ্বি পাহাৰত নিৰ্বাচনী প্ৰচাৰৰ মাজতে ঘোষণা মুখ্যমন্ত্ৰীৰ ■ নতুন মন্ত্ৰীৰ তালিকা লৈ ছয় জুনত দিল্লীলৈ শৰ্মা ■ দিছপুৰত অন্তহীন জল্পনা-কল্পনা

## বৰ্তমানৰ কোনো মন্ত্ৰী বাদ নপৰে কিন্তু বিভাগ সলনি হ'ব একাধিকৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জুন ঃ** অহা ন জুনত অসম মন্ত্ৰীসভাৰ প্ৰথমটো সালসলনি হ'ব যদিও বৰ্তমানৰ কোনো মন্ত্ৰী বাদ নপৰে। আজি এই কথা স্পষ্ট কৰি দিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ভাৰতীয় সংবিধানৰ প্ৰতি দায়বদ্ধতাৰ শপত লৈ নিষিদ্ধ আলফা (স্বাধীন)ৰ ওচৰত ক্ষমা বিচৰা মন্ত্ৰী সঞ্জয় কিষাণৰ পদ কৰ্তন হ'ব বুলি বিগত কিছুদিন চৰ্চা চলি আহিছে। তাৰ বিপৰীতে আজি মুখ্যমন্ত্ৰীয়ে কোনো মন্ত্ৰীক বাদ দিয়া নহয় বুলি ঘোষণা কৰাৰ ফলত কিষাণৰ পদ বাহাল থকাটোও নিশ্চিত হ'ল। মুখ্যমন্ত্ৰীয়ে কয়, 'সঞ্জয় কিষাণে তেওঁ কৰা ভুলৰ বাবে যিখিনি ক'ব লাগে সেইখিনি মই লিখিতভাৱে কৈছো।' মন্ত্ৰীসভাৰ সম্প্ৰসাৰণৰ সন্দৰ্ভত অহা আঠ জুনত অনুষ্ঠিত হ'বলগীয়া কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন সামৰিহে ভবা-চিন্তা কৰিব ১০ পৃষ্ঠাত চাওক

## অৰুণাচলৰে সীমান্তৰ বিবাদ মীমাংসাৰ বাবে ১২ খন সমিতি গঠন

**মন্ত্ৰী অতুল বৰাই নেতৃত্ব দিব পাঁচখন সমিতিক**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জুন ঃ** মেঘালয়ৰ লগত থকা অসমৰ ১২ টাৰ ভিতৰত ছটা স্থানৰ সীমাবিবাদ মীমাংসাৰ প্ৰক্ৰিয়া শেষ পৰ্যায়ত থকাৰ সময়তে অৰুণাচলৰ লগতো একে ধৰণৰ তৎপৰতা আৰম্ভ কৰা হৈছে। ৰাজ্যখনৰ লগত আন্তঃৰাজ্যিক সীমাৰ ১২৩ খন গাঁৱক লৈ ১০ পৃষ্ঠাত চাওক

■ কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনী প্ৰচাৰত ৰথী-মহাৰথীৰ ভিৰ ■ একাধিক নিৰ্বাচনী সভাত বিৰোধীক কটাক্ষ মুখ্যমন্ত্ৰী শৰ্মাৰ

## কংগ্ৰেছৰ অৱস্থা টৰ্চ আছে বেটাৰী নাই, হাত আছে কাম নাইৰ দৰে!



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**ডিফু/খেৰণি/বোকাজান, ৩ জুন ঃ** 'কাৰ্বি পাহাৰত উন্নয়ন হৈছে। পূৰ্বতে জাতি-জনগোষ্ঠীসমূহৰ মিল নাছিল, বিজেপি আহিল, শান্তি আহিল। আগতে ৰাইজে কাৰ্বি আংলঙত শান্তি বিচাৰিছিল, এতিয়া উন্নয়ন বিচাৰে; কাৰণ শান্তি হৈছেই। কাৰ্বি আংলঙত যিমান উন্নয়ন হৈছে, ক'তো হোৱা নাই। ভাৰতৰ ভিতৰত এক নম্বৰ হ'বলৈ গৈ ১০ পৃষ্ঠাত চাওক

## ট্ৰেংকুলাইজ কৰি জীৱিত গঁড়ৰ পৰা কাটি নিয়া খৰ্গসহ দুজনক গ্ৰেপ্তাৰ

**দলগাঁৱৰ আৰক্ষীয়ে ধৰিলে সৰুপথাৰত**



**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ৩ জুন ঃ** দৰঙৰ দলগাঁও আৰক্ষী থানাৰ আৰক্ষীয়ে গঁড়ৰ খৰ্গসহ দুজন গঁড় চিকাৰীক সৰুপথাৰৰ পৰা গ্ৰেপ্তাৰ কৰিছে। এক বিশেষ সূত্ৰৰ ভিত্তিত দলগাঁও আৰক্ষী আৰু বিশেষ আৰক্ষীৰ দল এটাই সৰুপথাৰত গৈ উপস্থিত হয়। সৰুপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত ৰাজাপুখুৰী গাঁৱত গঁড়ৰ খৰ্গ এটা বিক্ৰী কৰিবলৈ পৰিকল্পনা কৰি থকাৰ সময়তে খৰ্গটোসহ হবিবুৰ ৰহমানক আটক কৰিবলৈ সক্ষম হয়। ১০ পৃষ্ঠাত চাওক

■ প্ৰথমবাৰলৈ মুকলি হ'ব ৱেবছাইট ■ মক্কাত অসমৰ হজযাত্ৰীৰ যোগসূত্ৰ স্থাপন কৰিব গামোচাই ■ প্ৰতিজনৰ ব্যয় হ'ব ৪.৩৯ লাখ

## দুবছৰ বিৰতিত কাইলৈৰ পৰা হজলৈ পৰ্যায়ক্ৰমে যাত্ৰা কৰিব ৩,৪৫১জনে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জুন ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ ফলত যোৱা দুটা বছৰ স্থগিত ৰখাৰ পাছত অহা পাঁচ জুনত অসমৰ পৰা প্ৰথমটো দল ৰাওনা হ'ব হজযাত্ৰালৈ। ছৌদি আৰৱ চৰকাৰ আৰু ভাৰত চৰকাৰৰ সহযোগিতাত হজ যাত্ৰাৰ বাবে আবেদন কৰা উত্তৰ-পূবৰ হজযাত্ৰীসকলক গুৱাহাটীৰ পৰা মক্কালৈ



প্ৰেৰণ কৰিবলৈ ৰাজ্য চৰকাৰৰ সহযোগত যুটীয়া ৰাজ্যিক হজ কমিটী, অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ হজযাত্ৰী অভ্যৰ্থনা সমিতিয়ে ইতিমধ্যে প্ৰস্তুতি সম্পন্ন কৰি তুলিছে। উল্লেখ্য যে এইবাৰ হজত ৰাজ্যৰ ৩,৪৫১জন হাজীয়ে অংশগ্ৰহণ কৰিব আৰু পাঁচ জুনৰ পৰা ১৭ জুনলৈ পৰ্যায়ক্ৰমে বৰঝাৰ বিমানকোঠৰ পৰা ১০ পৃষ্ঠাত চাওক

■ বিজেপি নেতা-সাংসদৰ ধনৰ লেনদেন থকাৰ সন্দেহ ■ সৰৱ বিধায়ক কমলাক্ষ্য দে

## গ্ৰীণফিল্ড বিমানকোঠ স্থাপনৰ প্ৰস্তাৱ অবিহনেই ডলু বাগিচাত উচ্ছেদ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জুন ঃ** গ্ৰীণফিল্ড বিমানকোঠ নিৰ্মাণৰ বাবে কাছাৰৰ ডলু চাহ বাগিচাত দিছপুৰৰ নিৰ্দেশত জিলা প্ৰশাসনে কে'বাশ বিঘা ভূমিত চলোৱা উচ্ছেদ অভিযানক লৈ প্ৰতিক্ৰিয়া অব্যাহত আছে। ইয়াৰ মাজতে আজি উত্তৰ কৰিমগঞ্জৰ বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থই বিমানকোঠ স্থাপনৰ কোনো নথিপ্ৰমাণ অবিহনে এই উচ্ছেদ চলোৱা হৈছে বুলি মন্তব্য কৰে। তেওঁ কয়, 'বিমানকোঠ স্থাপনৰ বাবে এই ধৰণৰ উচ্ছেদ চলালে নিশ্চয়কৈ অসামৰিক বিমান পৰিবহণ মন্ত্ৰণালয়কে ধৰি সংশ্লিষ্ট সকলোৰে পৰা অহা কাগজ পত্ৰ থাকিব লাগিব। কাগজ পত্ৰ নথকাকৈ এই ১০ পৃষ্ঠাত চাওক

## শক্তি খণ্ডৰ কামত জড়িত ফ্ৰেঞ্চাইজিৰ ছাটাই অভিযান অব্যাহত

**বিশেষ সংবাদদাতা**
**নগাঁও, ৩ জুন ঃ** অসমত বিজেপি চৰকাৰে এক লাখ শিক্ষিত নিবনুৱাক বিভিন্ন বিভাগত নিযুক্তি দিবলৈ তৎপৰ হোৱাৰ সময়তে বিপৰীত দৃশ্য দেখা গৈছে ৰাজ্যৰ শক্তি খণ্ডত। অসমৰ শক্তি বিভাগে অতি কৌশলেৰে বছৰ বছৰ ধৰি বিভাগটোক ১০ পৃষ্ঠাত চাওক

## তিনিচুকীয়াত বৃহৎ পৰিমাণৰ চোৰাং কণ্ডেনছেট জব্দ

**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ৩ জুন ঃ** তিনিচুকীয়া জিলাৰ দুটাকৈ স্থানত আৰক্ষী আৰু অইলৰ নিৰাপত্তাৰক্ষীয়ে পৃথকে অভিযান চলাই বিপুল পৰিমাণৰ চোৰাং কণ্ডেনছেট অইল জব্দ কৰে। এই অভিযানত এজন লোক আটক হয় যদিও ১০ পৃষ্ঠাত চাওক

■ ৰাজপথতে ছুৰীৰে হানি-খুচি আহত প্ৰেমিকাক চিকিৎসালয়লৈ নিলে অভিযুক্তই

## প্ৰেমৰ সম্পৰ্ক ছেদ কৰাৰ বাবেই সৰুপেটাত যুৱতীক ছুৰিকাঘাত প্ৰেমিকৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**পাঠশালা/সৰুপেটা/শালমাৰা, ৩ জুন ঃ** প্ৰেমজনিত কাৰণতে আজি সৰুপেটাত সংঘটিত হ'ল এক লোমহৰ্ষক কাণ্ড। প্ৰেমৰ সম্পৰ্ক ছেদ কৰাৰ বাবেই এজন যুৱকে ৰাজপথতে ছুৰীৰে হানি-খুচি প্ৰেমিকাক হত্যাৰ অপচেষ্টা চলায়। এই ঘটনাত ভুক্তভোগী যুৱতীগৰাকী গুৰুতৰভাৱে আহত হয়। সৰুপেটা আৰক্ষী চকীৰ অন্তৰ্গত তথা ১০ পৃষ্ঠাত চাওক



## মহানগৰীত দ্বিতীয়টো ভুৱা কল চেন্টাৰ উৎখাত

**নমাহত ১৬০ কোটি টকাৰ ৰাজহ লোকচান**


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জুন ঃ** ভাৰতত নিষিদ্ধ টেলিকম সেৱাৰ জৰিয়তে ৰাজহ ফাকিৰে মহানগৰীত কল চেণ্টাৰ বহুৰাই কোটি কোটি টকাৰ ব্যৱসায় কৰি অহা 'ভেনাছ বিজনেছ ইণ্টাৰনেচনেল' নামৰ এটা আন্তঃৰাষ্ট্ৰীয় ভুৱা কল চেণ্টাৰ শেহতীয়াকৈ আৰক্ষীয়ে উৎখাত কৰাৰ পাছতে ১০ পৃষ্ঠাত চাওক



## কংগ্ৰেছ-আপৰ তিনি শতাধিক নেতা-কৰ্মীৰ যোগদান অগপত

**সমষ্টিয়ে সমষ্টিয়ে চলিব যোগদান-সদস্যভৰ্তি অভিযান**


**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ৩ জুন ঃ** অসম গণ পৰিষদ ৰাজ্যখনৰ একমাত্ৰ আঞ্চলিক ৰাজনৈতিক দল। জাতীয় গণ আন্দোলনত ৮৫৫ জনতকৈয়ো অধিকক হত্যা কৰা কংগ্ৰেছৰ লগত মিত্ৰতা কৰা দলসমূহ জাতীয়তাবাদী দল হ'ব নোৱাৰে। এই মন্তব্য অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাৰ। দলৰ আমবাৰীস্থিত মুখ্য কাৰ্যালয়ত আজি অনুষ্ঠিত হোৱা এক যোগদান সমাৰোহত সভাপতি বৰাই অগপলৈ কংগ্ৰেছ-আপকে ধৰি তিনি ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৫° |
| ডিব্ৰুগড় | ২৮° | ২৪° |
| দিল্লী | ৪৩° | ২৮° |
| কলকাতা | ৩৫° | ২৯° |
| মুম্বাই | ৩২° | ২৮° |
| চেন্নাই | ৩৬° | ২৯° |
| বাংগালুৰু | ৩১° | ২১° |
| শ্বিলং | ২১° | ১৯° |

৩ জুন, ২০২২

## চেঙা তেল



*মাস্ক পিন্ধি ল'লে সুবিধা আছে! হাতে-লোটে ধৰা পৰিলেও কোনেও চিনি নাপাব!*

■ মূল্যবৃদ্ধি-মুদ্ৰাস্ফীতিৰ প্ৰভাৱ পৰিছে খাদ্য গ্ৰহণত ■ নগৰতকৈ গ্ৰামাঞ্চলত বৃদ্ধি খাদ্যমূল্য ■ বিশ্বৰ গড় হাৰতকৈ বহু বেছি তলত

## পুষ্টিকৰ খাদ্যৰ পৰা বঞ্চিত ৭১ শতাংশ ভাৰতীয় ঃ প্ৰতি বছৰে ১৭ লাখৰ মৃত্যু



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৩ জুন ঃ** ব্যয় বৃদ্ধি, মূল্যৰ উৰ্ধমুখী গতি আদিৰ ফলত দেশৰ মুঠ জনসংখ্যাৰ ৭১ শতাংশ লোকে পুষ্টিকৰ খাদ্য গ্ৰহণৰ পৰা বঞ্চিত হৈছে। দুৰ্বল খাদ্য গ্ৰহণৰ ফলতে প্ৰতি বছৰে পুষ্টিহীনতাৰ বিভিন্ন ৰোগত আক্ৰান্ত হৈ কমেও ১৭ লাখ লোকে মৃত্যুক আঁকোৱালি লয়। দেশৰ নাগৰিকক পুষ্টিকৰ খাদ্য যোগানৰ বাবে চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰা বুলি দাবী কৰি অহাৰ সময়তে চেণ্টাৰ ফৰ ছাইন্স এণ্ড এনভাইৰনমেণ্ট আৰু ১০ পৃষ্ঠাত চাওক

■ উচ্চতম ন্যায়ালয়ৰ ৰায় ■ মুখ্য বন সংৰক্ষকক ব্যৱস্থা সন্দৰ্ভত প্ৰতিবেদন দাখিলৰ নিৰ্দেশ

## ৰাষ্ট্ৰীয় উদ্যানৰ এক কিলোমিটাৰলৈ উদ্যোগ নিষিদ্ধ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ৩ জুন ঃ** পৰিৱেশ সংবেদনশীলতা ৰক্ষাৰ বাবে দেশৰ বন্যপ্ৰাণী অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানবোৰৰ পৰিসীমাৰ কমেও এক কিলোমিটাৰৰ ভিতৰত কোনো খনন কাৰ্য অথবা উদ্যোগ স্থাপন হ'ব নোৱাৰিব। বনভূমিৰ সুৰক্ষা সম্পৰ্কীয় এখন আবেদনৰ শুনানিত আজি উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ জাৰি কৰে। লগতে ন্যায়ালয়ে অন্যান্য কেতবোৰ নিৰ্দেশনাও আগবঢ়ায়। এক কিলোমিটাৰৰ ভিতৰত এৰাব নোৱাৰা নিৰ্মাণ আৰু সেই ধৰণৰ কোনো কাৰ্য কৰিবলগীয়া হ'লে মুখ্য বন সংৰক্ষকৰ অনুমতি লৈহে কৰিব পাৰিব। ৰাজ্যবোৰৰ মুখ্য বন সংৰক্ষকসকলকো ন্যায়ালয়ে এক নিৰ্দেশনা দিয়ে। সেই অনুসৰি প্ৰতিখন ৰাজ্যৰ মুখ্য বন সংৰক্ষকে নিজ নিজ ৰাজ্যত থকা বন্যপ্ৰাণী অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানৰ পৰিৱেশ সংবেদনশীলতা ৰক্ষাৰ বাবে বৰ্তমান কি কি ব্যৱস্থা ৰূপায়ণ কৰি থকা হৈছে তাৰ তালিকা প্ৰস্তুত কৰি তিনিমাহৰ ভিতৰত ন্যায়ালয়ক দাখিল কৰিব লাগিব। ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৪ জুন, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

# শোণিতপুৰৰ তিনিটা স্থানত ড্ৰাগছ জব্দ কৰায়ত্ত সৰবৰাহকাৰী





**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩ জুন ঃ** শোণিতপুৰ আৰক্ষীয়ে আজি পৃথকে জিলাখনৰ তিনিটা স্থানত চলোৱা অভিযানত ড্ৰাগছসহ একাধিক সৰবৰাহকাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হৈছে। এই অভিযানত বৰঘাট আৰক্ষীয়ে চাৰিগ্ৰাম আৰু চাৰিদুৱাৰ আৰক্ষীয়ে ১০ গ্ৰামসহ মুঠ ১৪ গ্ৰাম ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত কলীয়াভোমোৰা দলঙৰ দক্ষিণ দিশে চলোৱা তালাচী অভিযানত দুই ড্ৰাগছ সৰবৰাহকাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে এএছৰচটি ৭২১২ নম্বৰৰ মটৰ চাইকেলত নগাঁৰৰ দিশৰ পৰা অহি থকা তেজপুৰ চটাইচাপৰিৰ ছয় পৃষ্ঠাত চাওক

# মৰাণত পত্নীৰ কুঠাৰৰ আক্ৰমণত স্বামীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩ জুন ঃ** মৰাণত পত্নীৰ কুঠাৰৰ ঘাপত স্বামীৰ মৃত্যু হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত টিখৰাই চাহ বাগিচাৰ ন নম্বৰ লাইনত পাৰিবাৰিক কন্দলৰ পৰিণতিত আজি পুৱা পত্নী জোনাকী প্ৰজাই নিজ স্বামী লক্ষীৰাম প্ৰজা (৫০)ক কুঠাৰে আক্ৰমণ কৰি হত্যা কৰে। দুটি সন্তানৰ পিতৃ লক্ষীৰামৰ মৃতদেহ ইতিমধ্যে আৰক্ষীয়ে মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰিছে। হত্যাকাৰী পত্নী জোনাকীক আৰক্ষীয়ে কুঠাৰখনৰ স'তে আটক কৰিছে। দীৰ্ঘদিনৰ পৰা দুয়ো স্বামী-স্ত্ৰীৰ মাজত কন্দল চলি আছিল।

# গুৱাহাটীত আত্মগোপন কৰা ডবকাৰ প্ৰৱঞ্চক চাবিনাক গ্ৰেপ্তাৰ

## দীৰ্ঘদিন পলাতক অৱস্থাত আছিল



**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ৩ জুন ঃ** কামৰ প্ৰলোভন দি বহিঃৰাষ্ট্ৰত মহিলা-যুৱতীক বিক্ৰী কৰাকে ধৰি কে'বাটাও অভিযোগত অভিযুক্ত হৈ থকা এগৰাকী মহিলাক ডবকা আৰক্ষীয়ে গুৱাহাটীত আত্মগোপন কৰি থকা অৱস্থাত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। মহিলাগৰাকীৰ বিৰুদ্ধে কামৰ প্ৰলোভন দেখুৱাই বহিঃৰাষ্ট্ৰত মহিলা-যুৱতীক প্ৰেৰণ কৰা, মহিলাগৰাকীৰ ডবকাৰ ঘৰৰ পৰা ২৫ খনকৈ পাছপ'ৰ্ট উদ্ধাৰকে ধৰি বিভিন্ন অভিযোগত হোজাই আৰক্ষীৰ ওচৰত একাধিক গোচৰ পঞ্জীয়ন হৈ আছে। ধৃত মহিলাগৰাকীৰ বিৰুদ্ধে হোজাই আৰক্ষী থানাত দুটা গোচৰ ক্ৰমে ১৮৯ /২২, ৯৭/২২ ছয় পৃষ্ঠাত চাওক

## জৈৱিক পদ্ধতিৰে প্ৰস্তুত কৰা মহাবিদ্যালয়ৰ 'গ্ৰীণ টি গ্ৰাহকৰ বাবে মুকলি কৰে বিধায়ক পদ্ম হাজৰিকাই

# ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত তিনিখনকৈ গ্ৰন্থৰ উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৩ জুন ঃ** জীয়া ভৰলীপৰীয়া ৰাইজৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ প্ৰকাশন পৰিষদে প্ৰকাশ কৰি উলিওৱা তথা মহাবিদ্যালয়খনৰ প্ৰবক্তা ড° ৰাস্না ৰাজখোৱাৰ সম্পাদনাত প্ৰকাশিত 'ভিন্ন প্ৰসংগ নদুৱাৰৰ জলঙাৰে' আৰু 'কিতাবত মঞ্জৰি' নামৰ গ্ৰন্থ দুখনৰ লগতে 'হাতী পুথি' নামৰ আন এখন গ্ৰন্থৰ আজি উন্মোচন কৰা হয়। এই উপলক্ষে মহাবিদ্যালয়খনৰ হৰকান্ত গগৈৰ প্ৰেক্ষাগৃহত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° বিপুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত গ্ৰন্থ দুখন উন্মোচন কৰে ক্ৰমে মহাবিদ্যালয়খনৰ ছয় পৃষ্ঠাত চাওক

# জীয়াকুৰত বজ্ৰপাতত সাত টাকৈ পশুধনৰ মৃত্যু

**ছয়গাঁও, ৩ জুন ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত দুই নম্বৰ জীয়াকুৰত সংঘটিত হৈছে এক শোঁকাবহ ঘটনা। বজ্ৰপাত পৰি ডুবিদোঙা পথাৰত কৰুণ মৃত্যু পশুধনৰ। পোৱালিসহ সাতটাকৈ গৰুৱে মৃত্যুক সাৱটিলে ঘটনাস্থলীতে। ঘটনাৰ খবৰ পোৱাৰ পাছত পৰিয়ালৰ লোক আহি এই দৃশ্য প্ৰত্যক্ষ কৰি মৰ্মাহত হয় । উক্ত ঘটনাক কেন্দ্ৰ কৰি অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ। বজ্ৰপাতত মৃত্যু হোৱা গৰু কেইটা দুই নম্বৰ জীয়াকুৰ হুজৰীপাৰাৰ অজিত মেধিৰ তিনিটা, লক্ষেশ্বৰ মেধি এটা, সোণটি মেধিৰ এটা গৰু আছে।

# ডবকাত ভূমিকেন্দ্ৰিক সংঘৰ্ষত মহিলাসহ সাতজন আহত

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ ৩ জুন ঃ** হোজাইৰ ডবকাত আজি এডোখৰ ভূমিক কেন্দ্ৰ কৰি দুটা ফৈদৰ মাজত হোৱা ভয়ংকৰ মাৰপিটৰ ঘটনাত মহিলা আৰু যুৱতীসহ সাতজনকৈ লোক গুৰুতৰভাৱে আহত হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য অনুসৰি ডবকা আৰক্ষী থানাৰ অন্তৰ্গত নমাটি গাঁৱত সংঘটিত হৈছে এই ঘটনা। মাৰপিটৰ ফলত দুয়োটা ফৈদৰ মহিলাসহ আহত হয় সাতজনকৈ লোক। আহতসকল ক্ৰমে আব্দুল চুবুৰ, আব্দুল মালিক, আছমা খাতুন, নুৰজামান বক্সি, কমৰুল ইছলাম, ৰুমানা বেগম আৰু চেখৰুল ইছলাম । ইয়াৰে এজনৰ অৱস্থা ছয় পৃষ্ঠাত চাওক

## চিন্তিত দৰিদ্ৰ-নিম্ন মধ্যবিত্ত অভিভাৱক ঃ কপাল ফুলিছে ব্যক্তিগত কনিষ্ঠ মহাবিদ্যালয়ৰ

# উচ্চতৰ শাখা উঠাই দিয়াত সংকট

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুন ঃ** অবিভক্ত নগাঁও জিলাৰ হেজাৰ হেজাৰ দৰিদ্ৰ আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকলক চৰম দুঃচিন্তা আৰু দুৰ্ভাৱনাই আগুৰি ধৰিছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণাৰ দিন যিমানেই ওচৰ চাপি আহিছে তেওঁ লোকৰ চিন্তাও সিমানেই বৃদ্ধি পাইছে। তেওঁলোকৰ এই দুঃচিন্তাৰ কাৰণ চৰকাৰৰ এক সিদ্ধান্ত। ৰাজ্য চৰকাৰে মহাবিদ্যালয়সমূহৰ পৰা উচ্চতৰ মাধ্যমিক শ্ৰেণী উঠাই দিয়াৰ সন্দৰ্ভত লোৱা সিদ্ধান্তই দুঃচিন্তাত পেলাইছে অবিভক্ত নগাঁও জিলাৰ এইসকল ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকক। উল্লেখ্য যে এইবাৰৰ পৰাই মহাবিদ্যালয়সমূহত উচ্চতৰ মাধ্যমিকৰ শ্ৰেণীত কোনো ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি নহ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে নামভৰ্তিৰ বাবে ঢাপলি মেলিব লাগিব উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহ কিম্বা ব্যক্তিগত খণ্ডৰ কনিষ্ঠ মহাবিদ্যালয়সমূহলৈ। ব্যক্তিগত খণ্ডৰ কনিষ্ঠ মহাবিদ্যালয়ত নামভৰ্তি কৰি ছয় পৃষ্ঠাত চাওক



*নিৰ্বাচনী প্ৰতিশ্ৰুতি অসাৰ। নিৰ্বাচনৰ বতৰতে কাৰ্বিআংলঙত এইদৰে বিপদসংকুল যাতায়াত কাৰ্বি আংলংবাসীৰ।*

## বৈ থকা গাড়ীৰ উটি যোৱাৰ উপক্ৰম

# এজাক বৰষুণত কৃত্ৰিম বান যোৱাবাটত ঃ যান-জঁটৰ কবলত পৰি অসংখ্য যাত্ৰীৰ দুৰ্যোগ



**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ৩ জুন ঃ** ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ চূড়ান্ত অৱহেলাত এতিয়া যোৱাবাটৰ তিনি নম্বৰ নং চাৰিপথযুক্ত ৰাষ্ট্ৰীয় ঘাইপথেদি আহ-যাহ কৰা যাত্ৰীসকলৰ লগতে যান-বাহনৰ গৰাকীসকলে নৰক যন্ত্ৰণা ভুগিবলগীয়া হৈছে। বিশেষকৈ যোৱাবাটত বাৰিষাত সঘনাই হৈ থকা কৃত্ৰিম বানে অতিকৈ ক্ষোভিত কৰি তুলিছে জনসাধাৰণক। ঘাইপথ প্ৰাধিকৰণৰ ত্ৰুটিপূৰ্ণ পথ নিৰ্মাণ, ঘাইপথৰ কাষেদি পানী আহযাহ কৰা নল-নৰ্দমা, জান-জুৰিসমূহ পৰ্যাপ্তভাৱে বহলকৈ নিৰ্মাণ নকৰাৰ ফলত এজাক বৰষুণতে এতিয়া যোৱাবাটত কৃত্ৰিম বানে জনসাধাৰণক জ্বলা-কলা দেখুৱাই অহাটো এতিয়া আৰু নতুন কথা হৈ থকা নাই। আজিও দুপৰীয়া এজাক মুষলধাৰ বৰষুণে যোৱাবাটত পুনৰ কৃত্ৰিম বানৰ সৃষ্টি কৰে। ছয় পৃষ্ঠাত চাওক

# অৰিহণা নাট্য বিদ্যালয়ৰ ছাত্ৰ-অভিনেতা জন বৰাৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুন ঃ** এজন প্ৰতিভাশালী অভিনেতা তথা নাট্যকৰ্মীৰ মৃত্যুত নগাঁও জিলাত শোকৰ ছাঁ পৰিছে। নগাঁও জিলাৰ ননৈ মহাবিদ্যালয়ৰ উদ্যোগত প্ৰতিষ্ঠা হোৱা অৰিহণা নাট্য বিদ্যালয়ৰ প্ৰশিক্ষাৰ্থী তথা ননৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰজন বৰাৰ দুৰ্ঘটনাজনিত কাৰণত কালি মৃত্যু হয়। যোৱা ২৬ মে'ত বিদ্যালয়ৰ ছুটীৰ পাছত চাইকেলৰে ঘৰলৈ গৈ থকা অৱস্থাত ননৈ-তুলসীমুখৰ গড়কাপ্টানী পথত এখন পানী কঢ়িওৱা টাটা ম'বাইল গাড়ীৰ স'তে হোৱা আকস্মিক দুৰ্ঘটনাত তেওঁ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছিল। আহত ছাত্ৰজনক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হৈছিল। চিকিৎসাধীন অৱস্থাতে আঠ দিন মৃত্যুৰ স'তে যুঁজি কালি শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স ছয় পৃষ্ঠাত চাওক

# কোকোৰাঝাৰ জিলা বিজেপিৰ সভাপতিৰ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**

**কোকোৰাঝাৰ, ৩ জুন ঃ** ৰাজ্যত হকে বিহকে প'ৰ্টেল খুলি সাংবাদিকতাৰ অ -আ নুবুজা এচাম তথাকথিত সাংবাদিকৰ এক নাভূত নাশ্ৰুত কাণ্ডই ছ'চিয়েল মিডিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰি তুলিছে । তাৎপৰ্যপূৰ্ণ যে কোকৰাঝাৰ জিলাত এটা প'ৰ্টেল চেনেলে ছাত্ৰ সংগঠন এটাৰ সংবাদমেলৰ বাতৰি অদ্ভুত ধৰণে বিজেপিৰ সতীৰ্থ নেতাৰ ফটো ব্যৱহাৰ কৰি বাতৰি প্ৰকাশ কৰা ঘটনাই হতচকিত কৰি তুলিছে সকলোকে। সম্প্ৰতি বিজেপিত তুমুল প্ৰতিক্ৰিয়া চলিছে। শেহতীয়া ছয় পৃষ্ঠাত চাওক

# মূল্যবৃদ্ধিৰ প্ৰতিবাদেৰে নগাঁৱত তৃণমূলৰ আত্মপ্ৰকাশ



**নগাঁও, ৩ জুন ঃ** নগাঁৱত মূল্যবৃদ্ধিৰ প্ৰতিবাদত কালি অসম তৃণমূল কংগ্ৰেছৰ কৰ্মীসকলে অৱস্থান ধৰ্মঘট পালন কৰে। উপায়ুক্তৰ কাৰ্যালয়ৰ সমীপতে বিজেপি মিত্ৰজোঁটৰ চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে তৃণমূল কৰ্মীসকলে। উল্লেখ্য যে তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ৰিপুন বৰাৰ নিৰ্দেশতে আয়োজিত তিনি ঘণ্টীয়া অৱস্থান ধৰ্মঘটত অংশগ্ৰহণ কৰে চিত্তৰঞ্জন পাল, ইক্ৰামূল হুদা আৰু দেৱদাস ছয় পৃষ্ঠাত চাওক

# ভূৰাগাঁৱত তীৰ-জুৱাৰ বিৰুদ্ধে অভিযান ঃ ছয় জুৱাৰী আটক




**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ৩ জুন ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও আৰক্ষীয়ে তীৰ-জুৱা খেলৰ বিৰুদ্ধে অভিযান চলায় ছজন জুৱাৰীক আটক কৰিছে। ইয়াৰ উপৰি জব্দ কৰে নগদ ধনসহ দুখনকৈ মটৰ চাইকেল। কালি আবেলি আৰু নিশা ভূৰাগাঁও আৰক্ষীৰ এটি দলে বিশেষ সূত্ৰৰ পমখেদি তীৰ আৰু জুৱাৰ বিৰুদ্ধে ভূৰাগাঁও চাৰিআলিত অভিযান চলায়। এই অভিযানত তিনিজন তীৰৰ বুকীক আটক কৰে। তেওঁলোক ক্ৰমে কিশোৰ দে, কমৰ উদ্দিন আৰু মহম্মদ ৰফিক। ভূৰাগাঁও চাৰিআলি এখন চাহৰ হোটেলত চলি আছিল এই তীৰৰ ঘাটি। তীৰৰ বুকীৰ পৰা আৰক্ষীয়ে উদ্ধাৰ কৰিছে প্ৰায় পাঁচ হেজাৰ টকাৰ লগতে এটা ম'বাইল, বহু পৰিমাণৰ তীৰৰ বহী। আনহাতে, ভূৰাগাঁও থানাৰ অন্তৰ্গত হলৌকান্দাতো যোৱা নিশা জুৱাৰ ঘাটিৰ বিৰুদ্ধে অভিযান চলায় ভূৰাগাঁও আৰক্ষীয়ে। আৰক্ষী উপস্থিত হোৱাৰ লগে লগে বহু কেইজন জুৱাৰীয়ে পলায়ণ কৰে যদিও আবুল বাশ্বাৰ নামৰ জুৱাৰীজন আৰক্ষীৰ জালত পৰে। নিশা বাশ্বাৰৰ স্বীকাৰোক্তিৰ ভিত্তিত পলায়ণ কৰা আৰু দুই জুৱাৰী ক্ৰমে ছহিদুল আৰু চুলতান আলীক ১৫ হেজাৰ টকাসহ আটক কৰিবলৈ সক্ষম হয়।

## পূৱ নলবাৰীত শোকৰ ছাঁ

# অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক প্ৰভাস শৰ্মাৰ বিয়োগ



**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ৩ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গুৱাকুছি গাঁও নিবাসী তথা অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষক প্ৰভাস শৰ্মা (মন্টু)ৰ কালি সন্ধিয়া ৭-৩০ বজাত নিজ গৃহতে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭১ বছৰ । অতি অমায়িক আৰু সহজ-সৰলভাৱে জীৱন নিৰ্বাহ কৰা শিক্ষকজনে ২০১২ত গুৱাকুছি প্ৰাথমিক বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষকৰূপে অৱসৰ গ্ৰহণ কৰে। নিষ্ঠাবান আৰু একান্ত শিক্ষাব্ৰতীগৰাকী ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সমাজৰ মাজত অতি জনপ্ৰিয়তা অৰ্জন কৰিছিল । কৃষকসকলৰ ছয় পৃষ্ঠাত চাওক

## তেজপুৰত গুণোৎসৱত অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, বিধায়ক ৰাভা হ'ল শিক্ষক

# অসমীয়া মাধ্যমৰ এনে বিদ্যালয়ে আন বিদ্যালয়ক প্ৰেৰণা যোগাব



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩ জুন ঃ** শোণিতপুৰত গুণোৎসৱৰ আজি দ্বিতীয় দিনটোত ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰে নিজেই বহী মূল্যায়কৰূপে তেজপুৰৰ ঐতিহ্যমণ্ডিত ছিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ত উপস্থিত হয়। ৰাজ্যৰ অসমীয়া মাধ্যমৰ অন্যতম বিদ্যালয়খনৰ ৮৭৩ গৰাকী শিক্ষাৰ্থী আৰু ৩১গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ লগত সমগ্ৰ দিনটো শিক্ষকৰ ভূমিকাৰে পাৰ কৰি কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ গুণগত মান পৰ্যবেক্ষণ কৰে অতিৰিক্ত মুখ্য সচিবজনে। উল্লেখ্য যে অসম চৰকাৰৰ বিভিন্ন বিভাগত দক্ষতাৰে সেৱা আগবঢ়াই অহা ভাৰতীয় প্ৰশাসনিক সেৱাৰ ছয় পৃষ্ঠাত চাওক

## নগাঁৱৰ আঠ বিধান পৰিষদৰ সাংগঠনিক স্থিতিৰ বুজ ল'ব

# অগপৰ সংগঠন শক্তিশালী কৰাৰ লক্ষ্যৰে নগাঁৱত অগপৰ কেন্দ্ৰীয় পৰ্যবেক্ষকৰ দল

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুন ঃ** দলৰ সংগঠনিক দিশ শক্তিশালী কৰাৰ লক্ষ্যৰে অসম গণ পৰিষদ (অগপ)-এ সমগ্ৰ অসমতে দলৰ সাংগঠনিক কাম-কাজ পৰ্যবেক্ষণ কৰি আছে। ইয়াৰ অংশৰূপে আজি অগপৰ কেন্দ্ৰীয় সমিতিৰ এটা প্ৰতিনিধি দল নগাঁৱত উপস্থিত হয়। অগপৰ জ্যেষ্ঠ নেতা তথা বঙাইগাঁৱৰ বিধায়ক ফণীভূষণ চৌধুৰী আৰু ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ নেতৃত্বত অহা প্ৰতিনিধি দলটোৱে অগপৰ নগাঁও জিলা সমিতিৰ কাৰ্যালয়ত নগাঁও জিলা অগপৰ কাৰ্যনিৰ্বাহক সমিতিৰ বিষয়ববীয়াৰ লগত এক বৈঠকত মিলিত হয়। নগাঁও জিলা অগপৰ সভাপতি মণিমাধৱ মহন্তৰ



সভাপতিত্বত অনুষ্ঠিত বৈঠকত জ্যেষ্ঠ অগপ নেতা ফণীভূষণ চৌধুৰীয়ে আহি থকা দিনত অগপক শক্তিশালী কৰাত অধিক গুৰুত্ব দিব লাগিব বুলি মন্তব্য কৰে। তেওঁ কয়, 'আমি এতিয়া মিত্ৰজোঁটত আছো। বিগত বিধানসভা নিৰ্বাচনত আমি কম সংখ্যক আসন পাইছো। অগপৰ সাংগঠনিক স্থিতি সবল হ'লে আমাৰ আসনৰ সংখ্যা বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। সেয়ে আমি এতিয়াৰ পৰাই অগপৰ সংগঠন তৃণমূল পৰ্যায়ৰ পৰা শক্তিশালী কৰাত মনোনিবেশ কৰিব লাগিব। বিগত পঞ্চায়ত নিৰ্বাচনত আমি অকলে প্ৰতিদ্বন্দ্বিতা কৰি আশানুৰূপ ছয় পৃষ্ঠাত চাওক

## হাতে হাতে ধনুকাঁড়-পৰম্পৰাগত বাদ্য লৈ প্ৰতিবাদ

# ওদালগুৰিত চাওতাল ছাত্ৰ সন্থাৰ বিশাল সাংস্কৃতিক প্ৰতিবাদ



**বিশেষ সংবাদদাতা**


**ওদালগুৰি, ৩ জুন ঃ** সদৌ অসম চান্তাল ছাত্ৰ সন্থাৰ ওদালগুৰি জিলা সমিতিৰ উদ্যোগত আজি ওদালগুৰি চহৰত এক বিশাল সাংস্কৃতিক প্ৰতিবাদী সমদল উলিওৱা হয়। হাতে হাতে ধনুকাঁড়ৰ লগতে জনগোষ্ঠীটোৰ বিভিন্ন পৰম্পৰাগত বাদ্যযন্ত্ৰ লৈ হেজাৰ হেজাৰ প্ৰতিবাদকাৰীয়ে এই সমদলত অংশগ্ৰহণ কৰে। চাওতাল জনগোষ্ঠীক অসম চৰকাৰে চাহ জনগোষ্ঠীৰূপে স্বীকৃতি দিব বিচৰা কাৰ্যৰ বিৰুদ্ধে সংগঠনটোৱে সাংস্কৃতিক সমদল উলিৱাই চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদৰ জৰিয়তে অসম চৰকাৰে চাহ জনজাতি জাতীয় সন্মিলনীৰ দ্বাৰা চাওতালসকলক জাতিৰ প্ৰমাণপত্ৰ প্ৰদানৰ সিদ্ধান্তৰ বিৰোধিতা কৰি চাওতালসকল চাহ জনজাতি নহয় বুলি ছাত্ৰ-সংগঠনটোৱে স্পষ্ট কৰি দিয়ে। সমান্তৰালভাৱে চাওতালসকলক ছয় পৃষ্ঠাত চাওক

# নিম্ন বৰ্গৰ লোকসকলেই সমাজৰ প্ৰধান শক্তি, তেওঁলোকক বাদ দি ইতিহাস-সাহিত্য অসম্পূৰ্ণ

## গোলাঘাট ডি আৰ কলেজত ড° ধ্ৰুৱজ্যোতি বৰা

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ৩ জুন ঃ** 'নিম্নবৰ্গৰ লোকসকলেই সমাজৰ প্ৰধান শক্তি, তেওঁলোকক বাদ দি ইতিহাস, সাহিত্য অসম্পূৰ্ণ।' আজি ঐতিহ্যমণ্ডিত গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ত সাহিত্য একাডেমীৰ উদ্যোগত আৰু দেৱৰাজ ৰয় মহাবিদ্যালয় মানৱবিদ্যা আৰু সমাজ বিজ্ঞান সমিতিৰ সহযোগত দুদিনীয়াকৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত মাৰ্গ দৰ্শন ভাষণ প্ৰদান কৰি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিশিষ্ট সাহিত্যিক ড° ধ্ৰুৱজ্যোতি বৰাই এনেদৰে মন্তব্য কৰে। পাঁচটা ভাগত বিভক্ত আলোচনা চক্ৰৰ উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ



মানৱবিদ্যা আৰু সমাজ বিজ্ঞান সমিতিৰ সভাপতি দেৱজিৎ ফুকনে। সাহিত্য একাডেমীৰ ক্ষেত্ৰীয় সম্পাদক ড° দেৱেন্দ্ৰ কুমাৰ দেৱেশে সাহিত্য একাডেমীৰ হৈ আদৰণি ভাষণ দিয়াৰ লগতে সাহিত্য একাডেমীৰ কাম-কাজৰ বিস্তৃত ব্যাখ্যা আগবঢ়ায়। দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত বাৰুকিয়ালে আদৰণি ভাষণত দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল ইতিহাসৰ বিভিন্ন দিশ দাঙি ধৰাৰ লগতে নিম্ন বৰ্গৰ ইতিহাসৰ দিশসমূহো আলোকপাত কৰে। উদ্বোধনী সভাত ভাষণ দি সাহিত্য একাডেমীৰ অসমীয়া ভাষা উপদেষ্টা সমিতিৰ সদস্য পিকুমণি দত্তই নিম্ন বৰ্গৰ ইতিহাস আৰু বামপন্থী চিন্তা-চৰ্চাৰ সম্পৰ্কত বক্তব্য প্ৰদান কৰে। দেৱৰাজ ৰয় মহাবিদ্যালয় মানৱবিদ্যা আৰু সমাজ বিজ্ঞান সমিতিৰ সম্পাদক ড° তৰুণ গগৈয়ে আঁতধৰা উদ্বোধনী অনুষ্ঠানৰ পাছতে অনুষ্ঠিত প্ৰথম টেকনিকেল সভাত সভাপতিত্ব কৰে বিশিষ্ট সাহিত্যিক ড° গীতাশ্ৰী তামুলীয়ে। অসমীয়া সৃজনশীল সাহিত্যত নিম্নবৰ্গৰ ছয় পৃষ্ঠাত চাওক

## ১০ দিনত নজন লোকৰ আত্মহনন জামছেদপুৰত, চহৰত চাঞ্চল্য



**নিউজ ব্যুৰ', জামছেদপুৰ, ৩ জুন ঃ** জামছেদপুৰত ধাৰাবাহিক আত্মহননৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। নিচাসক্তি, পাৰিবাৰিক বিবাদ, বিত্তীয় সমস্যা আৰু অৱসাদৰ ফলত চহৰখনত হঠাতে আত্মহননৰ ঘটনা বৃদ্ধি পাইছে। বিগত ১০ দিনত জামছেদপুৰত নজন লোকে আত্মহত্যা কৰিলে। আজি পুৱা চহৰৰ পৰছুদিহ নিবাসী ৬৬ বছৰীয়া বয়সৰ যোগেন্দ্ৰ কুমাৰ মহতুৰ চিপ লোৱা মৃতদেহ পৰিয়ালৰ লোকে উদ্ধাৰ কৰে। ঘৰৰ স্নানাগাৰত মহতুৱে আত্মহত্যা কৰে। একেদৰে কালি পত্নীৰ স'তে কাজিয়াত লিপ্ত হোৱাৰ পাছত চহৰখনত জৱাহৰনগৰৰোড নিবাসী জাভেদ আখতাৰে আত্মহননৰ পথ বাছি লৈছিল। কালি পুৱা ছুনাৰিত গাড়ীচালক মনোজ কুমাৰ সিঙৰো চিপ লোৱা মৃতদেহ উদ্ধাৰ হৈছিল। বিগত ১০ দিনত এইদৰে নজন লোকে জামছেদপুৰত আত্মহত্যা কৰিলে। আত্মহননকাৰীৰ মাজত সপ্তম শ্ৰেণীৰ ছাত্ৰৰ লগতে ২১ বছৰীয়া যুৱতীও আছে।

## শিৱসেনা নেতা ৰাউটৰ মন্তব্য ঃ কাশ্মীৰত ১৯৯০ৰ পৰিস্থিতি বাহাল, ধাৰা ৩৭০ প্ৰত্যাহাৰৰ নহ'ল লাভ



নিউজ ব্যুৰ', মুম্বাই, ৩ জুন ঃ কাশ্মীৰত শেহতীয়াভাৱে সন্ত্ৰাসবাদীয়ে সংখ্যালঘু হিন্দুক আক্ৰমণৰ লক্ষ্য হিচাপে লোৱা ঘটনাৰ সন্দৰ্ভত কেন্দ্ৰৰ বিজেপি চৰকাৰক কঠোৰভাৱে সমালোচনা কৰিলে শিৱসেনাৰ নেতা সঞ্জয় ৰাউটে। শিৱসেনাৰ নেতাজনে কয় যে আজি কাশ্মীৰত ১৯৯০ দশকৰ পৰিস্থিতিৰ পুনৰাবৃত্তি ঘটিছে। ৰাউটে অভিযোগ কৰি কয় যে বিজেপিয়ে কাশ্মীৰ পণ্ডিতক উপত্যকালৈ ওভতাই অনাৰ কথা কৈছিল আৰু ইয়াৰ জৰিয়তে হিন্দুত্বৰ নামত ভোট লাভ কৰিছিল। কিন্তু এতিয়া কাশ্মীৰৰ জনতাই ইয়াৰ কোনো সুফল লাভ কৰিব নোৱাৰিলে। কেন্দ্ৰীয় চৰকাৰে জম্মু-কাশ্মীৰৰ ক্ষেত্ৰত পূৰ্বে প্ৰযোজ্য হোৱা সংবিধানৰ ৩৭০ অনুচ্ছেদ বাতিল কৰাৰ প্ৰসংগত পুনৰ প্ৰশ্ন উত্থাপন কৰি শিৱসেনাৰ নেতাজনে অভিযোগ কৰি কয় যে ৩৭০ ধাৰা বিলুপ্তিৰ পাছতো কাশ্মিৰী পণ্ডিতৰ লগতে কাশ্মীৰবাসীৰ জীৱনলৈ কোনো পৰিৱৰ্তন নাহিল।

### ধাৰাবাহিকভাৱে কাশ্মিৰী পণ্ডিতক আক্ৰমণ সন্ত্ৰাসবাদীৰ ঃ ৯০ শতাংশ কাশ্মিৰী পণ্ডিতৰ পুনৰ পলায়ন

# প্ৰাণৰ শংকা ঃ অনন্তনাগত কাশ্মিৰী পণ্ডিতৰ কল'নি হ'ল খালী



**নিউজ ব্যুৰ'**
**শ্ৰীনগৰ, ৩ জুন ঃ** কাশ্মীৰ উপত্যকাত সন্ত্ৰাসবাদীয়ে নিৰীহ সংখ্যালঘুক আক্ৰমণৰ লক্ষ্য হিচাপে গ্ৰহণ কৰাৰ পাছত আকৌ এবাৰ জম্মু-কাশ্মীৰত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হৈছে। বিগত কে'বা সপ্তাহ ধৰি সন্ত্ৰাসবাদীয়ে কাশ্মিৰী পণ্ডিত আৰু অন্যান্য নিৰীহ নাগৰিকক গুলীয়াই আক্ৰমণ অব্যাহত ৰাখিছে। আজিও সন্ত্ৰাসবাদীৰ হাতত ৰাজ্যখনত প্ৰাণ হেৰুৱালে বিহাৰৰ এজন শ্ৰমিকে। সন্ত্ৰাসবাদীৰ শেহতীয়া দপ্‌দপনিৰ পাছৰে পৰা কাশ্মীৰ উপত্যকা ত্যাগ কৰিবলৈ বাধ্য হৈছে পণ্ডিতসকল। প্ৰধানমন্ত্ৰীৰ পেকেজৰ অধীনত ৰাজ্যখনৰ অনন্তনাগত থকা কাশ্মিৰী পণ্ডিতৰ কল'নি সম্প্ৰতি বাসিন্দাশূন্য হৈছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত কাশ্মিৰী পণ্ডিত ৰঞ্জন জ্যোতিষীয়ে প্ৰকাশ কৰা অনুসৰি অনন্তনাগৰ এই কল'নিত বাস কৰা পণ্ডিতসকলৰ ৯০ শতাংশই ইতিমধ্যে পলায়ন কৰিছে। সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ভয়ত নিশাটোৰ ভিতৰতে যথেষ্টসংখ্যক কাশ্মিৰী পণ্ডিতে এই কল'নিৰ পৰা জম্মু অভিমুখে যাত্ৰা কৰে। জ্যোতিষীয়ে লগতে জনোৱা অনুসৰি অনন্তনাগৰ কাশ্মিৰী পণ্ডিতৰ কল'নিত পণ্ডিত সম্প্ৰদায়ৰ চৰকাৰী কৰ্মচাৰীসকলে ইমানদিনে বাস কৰিছিল। কিন্তু বিগত কিছুদিন ধৰি কাশ্মীৰত সন্ত্ৰাসবাদীয়ে ধাৰাবাহিকভাৱে কাশ্মিৰী পণ্ডিতক আক্ৰমণৰ লক্ষ্য হিচাপে লোৱা সেইসকল চৰকাৰী কৰ্মচাৰীয়ে কল'নি ত্যাগ কৰিবলৈ বাধ্য হৈছে। পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে এইসকল কাশ্মিৰী পণ্ডিত অনন্তনাগৰ কল'নিলৈ উভতি অহাৰ সম্ভাৱনা নাই বুলি জ্যোতিষীয়ে কয়। উল্লেখ্য যে অনন্তনাগৰ লগতে কুলগামতো কাশ্মিৰী পণ্ডিতসকলে স্থানীয় প্ৰশাসনৰ পৰা প্ৰয়োজনীয় নিৰাপত্তা দাবী কৰিছে। কিন্তু প্ৰশাসনে উপযুক্ত নিৰাপত্তাৰ ব্যৱস্থা নকৰাৰ অভিযোগ উত্থাপন কৰিছে এইসকল কাশ্মিৰী পণ্ডিতে। বিগত ২৭ দিনত কাশ্মীৰত সন্ত্ৰাসবাদীৰ আক্ৰমণত নজন নিৰীহ লোকৰ মৃত্যু হ'ল। এইসকলৰ মাজত পাঁচগৰাকী কাশ্মিৰী পণ্ডিত আছে। উল্লেখ্য যে ১৯৯০ৰ দশকতো কাশ্মিৰী পণ্ডিতে উপত্যকাৰ পৰা পলায়ন কৰিবলৈ বাধ্য হৈছিল। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি ১৯৯০ বৰ্ষত ২১৯ কাশ্মিৰী পণ্ডিতে সন্ত্ৰাসবাদীৰ হাতত প্ৰাণ হেৰুৱাইছিল। ইয়াৰ পাছতো প্ৰায় এক লাখ ২০ হেজাৰ কাশ্মিৰী পণ্ডিতে উপত্যকাৰ পৰা পলায়ন কৰিছিল।



## কাশ্মীৰত পুনৰ বিহাৰী শ্ৰমিকক গুলীয়াই হত্যা সন্ত্ৰাসবাদীৰ

নিউজ ব্যুৰ'
শ্ৰীনগৰ, ৩ জুন ঃ কাশ্মীৰত এইবাৰ বিহাৰী শ্ৰমিকক গুলীয়াই হত্যা কৰিলে সন্ত্ৰাসবাদীয়ে। যোৱা নিশা ৰাজ্যখনৰ বদগামত সন্ত্ৰাসবাদীয়ে দুজন শ্ৰমিকক গুলীয়াই আক্ৰমণ কৰিছিল। ইয়াৰে এজন শ্ৰমিকৰ মৃত্যু হোৱাৰ বিপৰীতে আনজন সম্প্ৰতি চিকিৎসাধীন হৈ আছে। দুই শ্ৰমিকে বিহাৰৰ পৰা আহি মগ্ৰেপৰাত থকা এটা ইটাভাটাত কাম কৰিছিল। যোৱা নিশা উক্ত স্থানত সন্ত্ৰাসবাদী উপস্থিত হৈ দুই শ্ৰমিকক গুলিবৰ্ষণ কৰিছিল। উল্লেখ্য যে বিগত কে'বা সপ্তাহ ধৰি কাশ্মীৰত সন্ত্ৰাসবাদীয়ে পুনৰ নিৰীহ লোকক আক্ৰমণ অব্যাহত ৰাখিছে। বিগত ২৭ দিনত ৰাজ্যখনত নজন নিৰীহ লোকে সন্ত্ৰাসবাদীৰ গুলিত প্ৰাণ হেৰুৱালে।

## এইবাৰ উইচকনছিন-আইৱাত বন্দুকধাৰীৰ আক্ৰমণ



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩ জুন ঃ** পুনৰ বন্দুকধাৰীৰ আক্ৰমণৰ সাক্ষী হ'ল আমেৰিকা। টেক্সাছ আৰু ওকলাহ'মাৰ পাছত এইবাৰ বন্দুকধাৰীয়ে ভয়াৱহ আক্ৰমণ সংঘটিত কৰিলে আইৱা আৰু উইচকনছিনত। বৃহস্পতিবাৰে বন্দুকধাৰীৰ গুলিবৰ্ষণত দুজন লোক নিহত হয়। পাছত আৰক্ষীৰ গুলিত আক্ৰমণকাৰী লোকজনৰো মৃত্যু হয়। আইৱাৰ এটা গিৰ্জাৰ সন্মুখত বন্দুকধাৰীৰ গুলিত প্ৰাণ হেৰুৱালে দুজন লোকে। পাছত আৰক্ষীয়ে বন্দুকধাৰীক গুলীয়াই হত্যা কৰে। ইফালে, উইচকনছিনৰ এখন কবৰস্থানত অন্ত্যেষ্টিক্ৰিয়া চলি থকাৰ সময়তে এজন বন্দুকধাৰীৰ আক্ৰমণত কমেও পাঁচজন লোক গুৰুতৰভাৱে আহত হয়।

## ৫৮ হেজাৰ ভোটত উপ-নিৰ্বাচনত জয় মুখ্যমন্ত্ৰী ধামীৰ



**নিউজ ব্যুৰ', ডেৰাডুন, ৩ জুন ঃ** উত্তৰাখণ্ডৰ চম্পাৱতত অনুষ্ঠিত হোৱা বিধানসভাৰ উপ-নিৰ্বাচনত ৫৮ হেজাৰৰো অধিক ভোটত জয়লাভ কৰিলে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে। মুখ্যমন্ত্ৰী ধামীৰ এই বিজয়ত বিজেপিৰ নেতা-কৰ্মীয়ে আনন্দ উৎসৱ পালন কৰিলে। উল্লেখ্য যে প্ৰথমবাৰৰ বাবে উত্তৰাখণ্ডত বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীৰ আমানতৰ ধন বাজেয়াপ্ত হ'ল। ধামীয়ে চম্পাৱতৰ উপ-নিৰ্বাচনত ঐতিহাসিক জয়ৰ বাবে উত্তৰাখণ্ডবাসীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীজনে কয় যে ৰাইজৰ মৰম-স্নেহে তেওঁক অভিভূত কৰিছে আৰু উত্তৰাখণ্ডৰ সামগ্ৰিক উন্নয়নৰ বাবে তেওঁ কাম কৰি যাব। নিৰ্বাচনৰ জয়ৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ধামীক অভিনন্দন জনায়।

## পাকিস্তানত ছদিনত ইন্ধনৰ মূল্য লিটাৰত ৬০ টকা বৃদ্ধি




**নিউজ ব্যুৰ', ইছলামাবাদ, ৩ জুন ঃ** পাকিস্তানত পেট্ৰ'ল, ডিজেল আৰু কেৰাচিনৰ মূল্য প্ৰতি লিটাৰত ৩০ টকাকৈ বৃদ্ধি পালে। দেশখনৰ বিত্তমন্ত্ৰী মিফতাহ স্মাইলে যোৱা নিশা এই কথা প্ৰকাশ কৰি কয় যে ইন্ধনৰ মূল্যবৃদ্ধিৰ সিদ্ধান্ত লোৱাৰ বিকল্প চৰকাৰৰ হাতত নাই। উল্লেখ্য যে মাত্ৰ ছদিনতহে পাকিস্তানত প্ৰতি লিটাৰ ইন্ধনৰ মূল্য ৬০ টকা বৃদ্ধি পালে। ছদিন পূৰ্বে দেশখনত পেট্ৰ'ল, ডিজেল আৰু কেৰাচিনৰ মূল্য প্ৰতি লিটাৰত ৩০ টকাকৈ বৃদ্ধি কৰা হৈছিল। নতুন মূল্যবৃদ্ধিৰ ফলত পাকিস্তানত প্ৰতি লিটাৰ পেট্ৰ'লৰ মূল্য ২০৯.৮৬ টকা, ডিজেলৰ মূল্য ২০৪.১৫ টকা, কেৰাচিনৰ মূল্য ১৮১.৯৪ টকা আৰু লাইট ডিজেলৰ মূল্য ১৭৮.৩১ টকা হ'ল।



## কেৰালাৰ বিধানসভাৰ উপ-নিৰ্বাচনত জয় কংগ্ৰেছ-ইউ ডি এফৰ প্ৰাৰ্থীৰ

নিউজ ব্যুৰ'
তিৰুঅনন্তপুৰম, ৩ জুন ঃ কেৰালাৰ থ্ৰিক্কাকাৰা বিধানসভাৰ উপ-নিৰ্বাচনত বিৰোধী কংগ্ৰেছ-ইউডিএফৰ প্ৰাৰ্থীয়ে জয়লাভ কৰিলে। বিৰোধী মৰ্চাৰ প্ৰাৰ্থী উমা থমাছে বামপন্থী প্ৰাৰ্থী জ' যোচেফক ৫০ হেজাৰৰো অধিক ভোটৰ ব্যৱধানত পৰাজিত কৰিলে। উল্লেখ্য যে এই সমষ্টিটোত কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰাই বিজয়নৰ নেতৃত্বত মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিয়ে ব্যাপক প্ৰচাৰ চলাইছিল যদিও সফলতা লাভ কৰিব নোৱাৰিলে। বিৰোধীৰ প্ৰাৰ্থী উমাই ৭২ হেজাৰৰো অধিক ভোট লাভ কৰে। উল্লেখ্য যে উমা হৈছে কংগ্ৰেছৰ প্ৰয়াত নেতা পি টি থমাছৰ পত্নী।

## পুৰীৰ জগন্নাথ মন্দিৰ সংলগ্ন নিৰ্মাণকাৰ্য অব্যাহত ৰখাৰ অনুমতি ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ জুন ঃ** ওড়িছাৰ পুৰীৰ বিখ্যাত জগন্নাথদেৱৰ মন্দিৰ সংলগ্ন অঞ্চলত নিৰ্মাণ কাৰ্যৰ বিৰোধিতা কৰি আদালতত দাখিল কৰা এক আবেদন প্ৰত্যাখ্যান কৰিলে উচ্চতম ন্যায়ালয়ে। ওড়িছাৰ চৰকাৰে মন্দিৰ সংলগ্ন স্থানত যি নিৰ্মাণ কাৰ্য আৰম্ভ কৰিছিল সেয়া অব্যাহত ৰখাৰ বাবে অনুমতি দিলে সৰ্বোচ্চ ন্যায়ালয়ে। এই গোচৰ পূৰ্বে ওড়িছা উচ্চ ন্যায়ালয়ত তৰা হৈছিল আৰু উক্ত ন্যায়ালয়ে আবেদন প্ৰত্যাখ্যান কৰিছিল। এজন ভক্তই সৰ্বোচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈ পুৰীৰ জগন্নাথ মন্দিৰ সংলগ্ন অঞ্চলত ৰাজ্য চৰকাৰে আৰম্ভ কৰা নিৰ্মাণ কাৰ্য বন্ধ ৰাখিবলৈ দাবী জনাই কৈছিল যে শতাব্দী প্ৰাচীন মন্দিৰৰ এশ মিটাৰৰ ভিতৰতে নতুন নিৰ্মাণ আৰম্ভ কৰা হৈছে আৰু ইয়াৰ বাবে চৰকাৰে ভাৰতৰ প্ৰত্নতত্ত্ব বিভাগৰ পৰা কোনো অনুমতি লোৱা নাছিল। সৰ্বোচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বি আৰ গভাই আৰু হিমা ক'হিলৰ বিচাৰপীঠে আজি এই আবেদন নাকচ কৰি কয়, 'উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মানিয়ে ৰাজ্য চৰকাৰে উক্ত নিৰ্মাণ কাৰ্য চলাইছে। সেয়েহে আদালতে নিৰ্মাণ কাৰ্য বন্ধ ৰখাৰ আবেদন প্ৰত্যাখ্যান কৰিলে।'

## কেৰালাত কেতিয়াও বলৱৎ কৰা নহ'ব বিতৰ্কিত নাগৰিকত্ব সংশোধনী আইন ঃ মুখ্যমন্ত্ৰী বিজয়নৰ ঘোষণা



**নিউজ ব্যুৰ'**
**তিৰুঅনন্তপুৰম, ৩ জুন ঃ** কেৰালাত বহু বিতৰ্কিত নাগৰিকত্ব সংশোধনী আইন প্ৰৱৰ্তন কৰা নহ'ব। কেৰালাৰ মুখ্যমন্ত্ৰী পিনাৰাই বিজয়নে এই কথা ঘোষণা কৰিলে। কেৰালাত বিজয়ন চৰকাৰৰ প্ৰথমবাৰ্ষিকী উদ্‌যাপনৰ সমাপ্তি অনুষ্ঠানত অংশ লৈ কালি মুখ্যমন্ত্ৰীজনে ভাষণ প্ৰসংগত কয়, 'নাগৰিকত্ব সংশোধনী আইনৰ বিষয়ত আমাৰ চৰকাৰৰ এক স্পষ্ট স্থিতি আছে। সেই স্থিতি অব্যাহত থাকিব। আমাৰ দেশ ভাৰতৰ সংবিধানত উল্লেখিত ধৰ্মনিৰপেক্ষতাৰ নীতিৰে পৰিচালিত। আজিকালি ধৰ্মনিৰপেক্ষতাক ধ্বংস কৰাৰ অপচেষ্টা চলিছে। এক নিৰ্দিষ্ট গোষ্ঠী ইয়াকে লৈ যথেষ্ট উদ্বিগ্ন। সাম্প্ৰতিক এটা ঘটনাই এটি গোষ্ঠীৰ মানুহৰ ধৰ্মৰ ভিত্তিত নাগৰিকত্বৰ সংজ্ঞা নিৰ্ধাৰণ কৰিছিল। কেৰালা চৰকাৰে এই ঘটনাৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। মানুহৰ মাজত সাম্প্ৰদায়িক উত্তেজনা সৃষ্টিৰ বাবে দেশৰ বিভিন্ন স্থানত বহু সমীক্ষা চলোৱা হৈছে।' মুখ্যমন্ত্ৰীজনে লগতে কয় যে কেৰালাত কোনো কাৰণতে নাগৰিকত্ব সংশোধনী আইন বলৱৎ কৰা নহ'ব। 'ৰাজ্য চৰকাৰে দৃঢ় স্থিতি গ্ৰহণ কৰিছে যে ধৰ্মৰ ভিত্তিত নাগৰিকত্ব নিৰ্ধাৰণ কৰা নহ'ব।' এইদৰে কয় মুখ্যমন্ত্ৰী বিজয়নে। উল্লেখ্য যে যোৱা মাহত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শিলিগুৰিত ঘোষণা কৰি কৈছিল যে ক'ভিড-১৯ৰ সংক্ৰমণ যেতিয়া সমাপ্ত হ'ব তেতিয়া কেন্দ্ৰীয় চৰকাৰে নাগৰিকত্ব সংশোধনী আইন বলবৎ কৰিব।



## ক'ভিডক লৈ পুনৰ দেশত উদ্বেগ বৃদ্ধি, দৈনিক সংক্ৰমণ চাৰি হেজাৰৰ অধিক হ'ল

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩ জুন ঃ** তিনি মাহৰ পাছত ভাৰতত ক'ভিড-১৯ৰ দৈনিক সংক্ৰমণে চাৰি হেজাৰৰ সীমা অতিক্ৰম কৰিলে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ কৰ'নাত সংক্ৰমিত হ'ল ৪০৪১ জন লোক। ক'ভিডৰ দৈনিক সংক্ৰমণ হঠাতে পুনৰ বৃদ্ধি পাবলৈ ধৰাত ক'ভিডকেন্দ্ৰিক উদ্বেগো বৃদ্ধি পালে। মহাৰাষ্ট্ৰ, কেৰালা আৰু দিল্লীত পুনৰ ক'ভিডৰ সংক্ৰমণ দ্ৰুত গতিত বৃদ্ধি পাইছে। আক্ৰান্ত বৃদ্ধিৰ ফলত যোৱা ২৪ ঘণ্টাত ১৬৬৮ জন সক্ৰিয় ৰোগী বৃদ্ধি পালে। বৰ্তমানে ভাৰতত ২১,১৭৭ জন সক্ৰিয় ক'ভিড ৰোগী আছে। যোৱা ২৪ ঘণ্টাত দেশত ১০ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। মুম্বাইত ১৭ দিনৰ পাছত পুনৰ এজন ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

## ইউক্ৰেইন-ৰাছিয়াৰ যুদ্ধৰ এশ দিন সম্পূৰ্ণ ঃ ইউক্ৰেইনৰ ২০ শতাংশ ভূমি ৰাছিয়াৰ দখলত



**নিউজ ব্যুৰ', কীভ, ৩ জুন ঃ** ইউক্ৰেইনত ৰাছিয়াই অব্যাহত ৰখা যুদ্ধৰ আজি এশ দিন সম্পূৰ্ণ হ'ল। অৱশ্যে এতিয়াও এই যুদ্ধৰ সমাপ্তিৰ কোনো লক্ষণ প্ৰকট হোৱা নাই। বিগত এশ দিনৰ যুঁজত হেজাৰ হেজাৰ লোক নিহত হোৱাৰ লগতে লক্ষাধিক লোক গৃহহীন হ'ল। তদুপৰি ৰাছিয়াৰ ক্ষেপণাস্ত্ৰ তথা বোমা আক্ৰমণৰ ঘটনাত ইউক্ৰেইনৰ একাধিক চহৰ ধ্বংসস্তূপত পৰিণত হৈছে। এশ দিন ধৰি ধাৰাবাহিক যুদ্ধ অব্যাহত ৰখাৰ পাছতো ৰুছ সেনাই ইউক্ৰেইন দখল কৰিবলৈ সফল হোৱা নাই। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, ইউক্ৰেইনত ২০ শতাংশ ভূমি ৰাছিয়াই বৰ্তমানলৈকে দখলত ৰাখিবলৈ সফল হৈছে। সম্প্ৰতি প্ৰায় এহেজাৰ কিলোমিটাৰ অঞ্চলত ইউক্ৰেইনৰ সেনাই ৰুছ সেনাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। উল্লেখ্য যে ৰাছিয়াৰ আক্ৰমণৰ পৰা আত্মৰক্ষাৰ বাবে ইউক্ৰেইনক আমেৰিকা, ব্ৰিটেইন আৰু জাৰ্মানীয়ে ইতিমধ্যে সামৰিক সাহায্য আগবঢ়াইছে। মূলতঃ বিদেশৰ পৰা লাভ কৰা যুদ্ধাস্ত্ৰৰ বলতে ইউক্ৰেইনে ৰাছিয়াৰ বিৰুদ্ধে প্ৰতিৰোধ অব্যাহত ৰাখিবলৈ সফল হৈছে।



## ছোনিয়াৰ পাছত প্ৰিয়ংকাও হ'ল ক'ভিড সংক্ৰমিত


নিউজ ব্যুৰ'
**নতুন দিল্লী, ৩ জুন ঃ** মাতৃ ছোনিয়া গান্ধীৰ পাছত এইবাৰ ক'ভিড-১৯ত আক্ৰান্ত হ'ল কন্যা প্ৰিয়ংকা গান্ধী ভদ্ৰা। আজি প্ৰিয়ংকাই নিজে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি তেওঁৰ শৰীৰত ক'ভিডৰ সংক্ৰমণ ধৰা পৰিছিল। টুইট কৰি কংগ্ৰেছৰ সাধাৰণ সম্পাদকগৰাকীয়ে আজি কয়, 'মোৰ শৰীৰত পাতল উপসৰ্গ আছে আৰু মই ক'ভিড-১৯ত সংক্ৰমিত। সকলো বিধি নিষেধ অনুসৰণ কৰি মই ঘৰতে নিভৃতবাসত আছো। যিসকলে মোৰ সংস্পৰ্শলৈ আহিছিল তেওঁলোকক প্ৰয়োজনীয় সকলো সতৰ্কতা অৱলম্বন কৰিবলৈ মই অনুৰোধ জনালো।' উল্লেখ্য যে মাত্ৰ এদিন পূৰ্বে কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীৰ শৰীৰত ক'ভিড-১৯ৰ সংক্ৰমণ ধৰা পৰিছিল।

## তালিবান নেতৃত্বৰে বৈঠক ভাৰতৰ, কাবুলত উপস্থিত প্ৰতিনিধি



**নিউজ ব্যুৰ', কাবুল, ৩ জুন ঃ** তালিবানৰ স'তে আলোচনাত অংশ ল'বলৈ আফগানিস্তানৰ ৰাজধানী কাবুলত উপস্থিত হ'ল ভাৰতৰ প্ৰতিনিধি দল। বিগত কিছুদিন ধৰি কাবুলত ভাৰতে দূতাবাস পুনৰ মুকলি কৰিব বুলি এক জল্পনা অব্যাহত আছে। এনে পৰিস্থিতিতে বৈদেশিক মন্ত্ৰণালয়ৰ যৌথ সচিবৰ নেতৃত্বত কাবুলত উপস্থিত হ'ল ভাৰতৰ প্ৰতিনিধি দল। যোৱা বছৰ আগষ্টত আফগানিস্তানত তালিবানে ক্ষমতা দখল কৰাৰ পাছত এয়ে প্ৰথমবাৰ আনুষ্ঠানিকভাৱে দেশখনত আলোচনাৰ বাবে উপস্থিত হ'ল ভাৰতৰ প্ৰতিনিধিৰ দল। বৈদেশিক মন্ত্ৰণালয়ে প্ৰকাশ কৰা অনুসৰি আফগানিস্তানলৈ ভাৰতে যথেষ্ট সাহায্য প্ৰদান কৰিছে আৰু এইসমূহ সাহায্য সামগ্ৰীৰ সঠিকভাৱে বিতৰণ কৰা হৈছে নে নাই সেয়া পৰীক্ষা কৰিবলৈ কাবুললৈ ভাৰতৰ প্ৰতিনিধিৰ দল প্ৰেৰণ কৰা হৈছে।

## দিল্লীত পুৱা তিনি বজালৈকে সুৰাৰ বিক্ৰীৰ অনুমতি, আৰক্ষীৰ অনুমতি লৈছিল নে ঃ কেজৰিৱালক প্ৰশ্ন ন্যায়ালয়ৰ



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৩ জুন ঃ** দেশৰ ৰাজধানী দিল্লীত পানশালা আৰু ৰেস্তোৰাঁত পুৱা তিনি বজালৈকে সুৰা বিক্ৰীৰ বাবে অনুমতি দিয়া ঘটনাৰ সন্দৰ্ভত দিল্লীৰ অৰবিন্দ কেজৰিৱাল চৰকাৰক জবাবদিহি কৰিলে দিল্লী উচ্চ ন্যায়ালয়ে। আদালতে কেজৰিৱাল চৰকাৰক প্ৰশ্ন কৰি কয় যে পানশালা আৰু ৰেস্তোৰাঁত সুৰা পৰিবেশনৰ অনুমতি দিয়াৰ পূৰ্বে দিল্লী আৰক্ষীৰ পৰা অনুমতি লোৱা হৈছিল নে? উচ্চ ন্যায়ালয়ে নেচনেল ৰেস্তোৰাঁ এছ'চিয়েছন অৱ্ ইণ্ডিয়া (এন আৰ এ আই)ই দাখিল কৰা এক আবেদনৰ শুনানি গ্ৰহণ কৰি আজি কয়, 'নিশ্চিতভাৱে নিশা কেতিয়ালৈকে ৰাজহুৱা মনোৰঞ্জনৰ অনুষ্ঠানসমূহ খোলা ৰখা হ'ব, সেয়া এক জনস্বাৰ্থজড়িত বিষয়। এয়া সকলো অঞ্চলতে প্ৰযোজ্য, কেৱল দিল্লী বা ভাৰতৰ ক্ষেত্ৰত নহয়।' কেজৰিৱাল চৰকাৰৰ অধিবক্তাই আদালতক কয় যে সুৰাৰ বিপণী খুলি ৰখাৰ ক্ষেত্ৰত দিল্লী আৰক্ষীৰ অনুমতিৰ প্ৰয়োজন নাই কিয়নো আবকাৰী বিভাগৰ সম্পূৰ্ণ দায়িত্ব দিল্লীৰ নিৰ্বাচিত চৰকাৰৰ হাতত আছে। তেতিয়া ন্যায়াধীশ যশবন্ত বাৰ্মাই কয় যে আবকাৰী বিভাগৰ কাম হৈছে ৰাজহ অৰ্জন কৰা, কিন্তু আইন-শৃংখলা বৰ্তাই ৰখাটো আৰক্ষীৰ দায়িত্ব। আদালতে আজি কেজৰিৱাল চৰকাৰক প্ৰশ্ন কৰি কয়, 'আপুনি পানশালা-ৰেস্তোৰাঁক পুৱা ছয় বজালৈকো খোলা ৰখাৰ অনুমতি দিব পাৰে, কিয়নো আপোনাৰ লক্ষ্য হৈছে ৰাজহ অৰ্জন। কিন্তু এই ক্ষেত্ৰত আৰক্ষীৰ পৰামৰ্শ লোৱা হৈছিল নে নাই সেই তথ্য আমি জানিব বিচাৰিছো। কিয়নো পুৱালৈকে সুৰাৰ বিপণী খোলা ৰখাৰ ফলত দেখা দিব পৰা আইন-শৃংখলাৰ সমস্যা আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰিব লাগিব।'

## কৰ্ণাটকত বাছ-পণ্যবাহী গাড়ীৰ মুখামুখি সংঘৰ্ষত জীৱন্তে দগ্ধ সাতজন



**নিউজ ব্যুৰ', বাংগালুৰু, ৩ জুন ঃ** কৰ্ণাটকৰ কালবুৰ্গি জিলাৰ কমলাপুৰত সংঘটিত হ'ল ভয়াৱহ পথ দুৰ্ঘটনা। এখন বাছ আৰু পণ্যবাহী গাড়ীৰ মাজত হোৱা সংঘৰ্ষত জীৱন্তে দগ্ধ হৈ মৃত্যুক সাৱটিলে কমেও সাতজন লোকে। এই ঘটনাত আন ১৬ জন গুৰুতৰভাৱে আহত হৈছে। বাছখনে গোৱাৰ পৰা হায়দৰাবাদ অভিমুখে যাত্ৰা কৰাৰ সময়তে ৰাজপথত এখন পণ্যবাহী গাড়ীক প্ৰচণ্ড বেগত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। নিয়ন্ত্ৰণ হেৰুৱাই বাছখনে পথৰ পৰা তললৈ বাগৰি পৰে আৰু বাছত অগ্নিকাণ্ডৰ সূত্ৰপাত হয়।



## মুম্বাইত কৰ'নাৰ সংক্ৰমণ ৩০ গুণ বৃদ্ধি, মুখ্যমন্ত্ৰী থাকৰেৰ সকীয়নি

**নিউজ ব্যুৰ', মুম্বাই, ৩ জুন ঃ** মুম্বাইত হঠাতে ক'ভিড-১৯ৰ সংক্ৰমণ বৃদ্ধি পাইছে। স্বাস্থ্য মন্ত্ৰণালয়ৰ শেহতীয়া পৰিসংখ্যা অনুসৰি দেশৰ বাণিজ্যিক চহৰখনত ক'ভিডৰ সংক্ৰমণ ৩০ গুণ বৃদ্ধি পাইছে। বৰ্ধিত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেয়ে ৰাজ্যবাসীক সকীয়াই দিলে। মুখ্যমন্ত্ৰীজনে কয় যে যদিহে মুম্বাইত তলাবন্ধ ঘোষণা কৰাটো ৰাইজে বিচৰা নাই তেন্তে ক'ভিড প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় সতৰ্কতা অৱলম্বন কৰাৰ লগতে ক'ভিড বিধি মুম্বাইবাসীয়ে পালন কৰা জৰুৰী।

# শাক-পাচলিৰ চৰা দামে ৰাম টাঙোন শোধাইছে গ্ৰাহকক

## ■ নাহৰকটীয়াৰ বজাৰত ৰাজহ চক্ৰ বিষয়া-যোগান বিষয়াৰ অভিযান ■ অভিযানৰ পাছতেই মিনিটতে হ্ৰাস শাক-পাচলিৰ মূল্য

**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ৩ জুন ঃ** বজাৰত জুই লাগিছে। কিন্তু এয়া মূল্যবৃদ্ধিৰ জুই। সাধাৰণ ৰাইজে বজাৰত প্ৰতিবিধ শাক-পাচলিয়েই প্ৰায় এশ টকা বা তাতোকৈ অধিক মূল্যত ক্ৰয় কৰিবলগীয়া হৈছে। কেৱল শাক-পাচলিয়েই নহয় প্ৰতিটো বস্তুৰে অস্বাভাৱিক ৰূপত মূল্যবৃদ্ধি হৈছে। আজি নাহৰকটীয়াৰ ৰাজহ চক্ৰ বিষয়া শৰৎ গগৈ আৰু খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ পৰিদৰ্শক শান্তনু দাসে নাহৰকটীয়াৰ বজাৰত হঠাতে অভিযান চলায়। অভিযানকালত বিষয়া কে'বাগৰাকীয়ে শাক-পাচলিৰ পাইকাৰী বিক্ৰেতা আৰু খুচুৰা বিক্ৰেতাৰ দোকানসমূহত তন্নতন্নকৈ সামগ্ৰীৰ বৰ্ধিত মূল্যৰ বিষয়ে তদন্ত কৰে। কিন্তু অতি আশ্চৰ্যকৰ কথা যে পুৱাৰ পৰা বজাৰত চলি থকা সামগ্ৰীৰ মূল্যবিলাক আছিল ক্ৰমে বিলাহী-পাইকাৰী ৬০ টকা খুচুৰা ৮০ টকা, ভেণ্ডি পাইকাৰী ৫০ টকা খুচুৰা ৭০ টকা। সেইদৰে তিঁয়হ পাইকাৰী ৫০ টকা খুচুৰা ৭০ টকা। একেদৰেই জলকীয়া পাইকাৰী এশ টকা আৰু খুচুৰা ১২০-১৩০ টকা। কিন্তু আজি ৰাজহ চক্ৰ বিষয়া আৰু যোগান বিভাগে হঠাতে চলোৱা অভিযানৰ লগে লগে এই খবৰ সমগ্ৰ নাহৰকটীয়া বজাৰ বেপাৰীসকলৰ কাণে কাণে বাগৰি পৰে আৰু থাউকতে বিলাহীৰ মূল্য হ্ৰাস হৈ ৪০ টকা, খুচুৰা ৬০ টকা লৈ নামে, ভেণ্ডি পাইকাৰী ৪০ টকা, তিঁয়হ পাইকাৰী ৪০ টকা খুচুৰা ৫০ টকা, একেদৰেই জলকীয়া পাইকাৰী ৮০টকা আৰু খুচুৰা এশ টকালৈ হ্ৰাস পায়। আজি এই অভিযানকালত কাৰ্যবাহী দণ্ডাধীশ আৰু যোগান পৰিদৰ্শকে শাক-পাচলিৰ পাইকাৰী বিক্ৰেতা আৰু খুচুৰা বিক্ৰেতাসকলক নিতৌ সামগ্ৰী কিমান দামত ক্ৰয় আৰু বিক্ৰী কৰিছে তাৰ সঠিক হিচাপ বহীত প্ৰতিদিনেই লিখি ৰাখিবলৈ নিৰ্দেশ দিয়ে আৰু এটা নিৰ্দিষ্ট দিনৰ অন্তৰালত এই বহীসমূহ বিষয়াসকলে নিৰীক্ষণ কৰিব বুলি কয়। খাদ্য সামগ্ৰীৰ যাতে অধিক মূল্য হ'ব নোৱাৰে তাৰ বাবে তেওঁলোকে তীক্ষ্ণ দৃষ্টি ৰাখিব বুলি জানিবলৈ দি লগতে গ্ৰাহকসকলকো সজাগ হ'বলৈ আহ্বান জনাইছে। সামগ্ৰীৰ অধিক মূল্যবৃদ্ধি হ'লে যোগান বিভাগৰ স'তে যোগাযোগ কৰি অভিযোগ দাখিল কৰিবলৈ যোগান পৰিদৰ্শক দাসে অনুৰোধ জনায়।



# উদ্যোগ নীতি উলংঘাৰে কণী উৎপাদনৰ ফাৰ্ম স্থাপনত জনস্বাস্থ্যৰ প্ৰতি ভাবুকি

## সাত দিনৰ ভিতৰত ব্যৱস্থা গ্ৰহণৰ দাবী সৰু ধাদুম বিষ্ণুজ্যোতি যুৱক সংঘৰ

**অগ্ৰদূত বাৰ্তা**

**তালাপ, ৩ জুন ঃ** তিনিচুকীয়া জিলাৰ ডাঙৰীৰ সমীপৰ সৰু ধাদুম গাঁৱত স্থাপিত 'ক্ষীৰদা বৰলুইত এন্টাৰপ্ৰাইজ' নামৰ কুকুৰাৰ কণী উৎপাদনকাৰী এটা উদ্যোগে এতিয়া বৃহত্তৰ ডাঙৰী অঞ্চলটোৰ জনস্বাস্থ্যৰ প্ৰতি ভাবুকি নমাই অনাৰ অভিযোগ উত্থাপন হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি, উদ্যোগনীতিক উলংঘা কৰি সুৰু ধাদুম গাঁৱৰ প্ৰাথমিক বিদ্যালয় আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ সমীপতে 'ক্ষীৰদা বৰলুইত এন্টাৰপ্ৰাইজ' নামৰ কুকুৰাৰ কণী উৎপাদনকাৰী এটা প্ৰতিষ্ঠানে আজিৰ পৰা প্ৰায় ছমাহ দিন ধৰি কুকুৰাৰ কণী উৎপাদন কৰি আহিছে। নিজ মইমতালিৰে স্থাপন কৰা এই কুকুৰাৰ কণী উৎপাদনকাৰী প্ৰতিষ্ঠানটোৰ পৰা নিৰ্গত হোৱা দুৰ্গন্ধ আৰু প্ৰতিষ্ঠানটোত থকা হেজাৰ হেজাৰ কুকুৰাৰ মলে এতিয়া সমীপতে থকা দুখনকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণত ব্যাঘাত জন্মাৰ উপৰি সমগ্ৰ সৰু ধাদুম গাঁওবাসীৰ লগতে দাঁতি-কাষৰীয়া কে'বাখনো গাঁৱৰ ৰাইজৰ জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা বুলি অভিযোগ উত্থাপন কৰিছে সৰু ধাদুম গাঁৱৰ বিষ্ণুজ্যোতি যুৱক সংঘই। সংঘৰ সভাপতি নিলোৎপল সোণোৱাল আৰু সাধাৰণ সম্পাদক উৎপল সোণোৱালৰ স্বাক্ষৰিত আজি এক প্ৰেছ বিবৃতিৰ জৰিয়তে অভিযোগ কৰি কয় যে কুকুৰাৰ কণী উৎপাদনকাৰী প্ৰতিষ্ঠানটোৰ পৰা নিৰ্গত হোৱা হেজাৰ হেজাৰ কুকুৰাৰ মল, দুৰ্গন্ধ আৰু মাখিৰ ফলত আজি কে'বাদিন ধৰি সমীপতে থকা দুখনকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদান আধাতে সামৰাৰ লগতে মধ্যাহ্ন ভোজনো বন্ধ কৰি ৰাখিবলগীয়াত পৰিছে বিদ্যালয় কৰ্তৃপক্ষই। ইয়াৰ উপৰি প্ৰতিষ্ঠানটোলৈ অহা গধূৰ যানবাহনে গাঁওখনৰ প্ৰায় পাঁচশ মিটাৰৰ এটা পথ সম্পূৰ্ণৰূপে বিধ্বস্ত কৰি তুলিছে। যাৰ পৰিপ্ৰেক্ষিতত উক্ত পথেদি অহা-যোৱা কৰা কণ কণ ছাত্ৰ-ছাত্ৰীৰ উপৰি গাঁওবাসীয়ে যথেষ্ট সমস্যাৰ সন্মুখীন হ'বলগীয়াত পৰিছে। উল্লেখ্য যে চলিত বৰ্ষৰ পহিলা এপ্ৰিলৰ দিনা সৰু ধাদুম গাঁৱৰ লগতে সমীপৱৰ্তী চেঙেলী গাঁও, নলনী গাঁৱৰ ৰাইজ আৰু সৰু ধাদুম গাঁৱৰ প্ৰাথমিক বিদ্যালয় আৰু মধ্য ইংৰাজী বিদ্যালয়ৰ কৰ্তৃপক্ষৰ স'তে 'ক্ষীৰদা বৰলুইত এণ্টাৰপ্ৰাইজ'ৰ মালিক পক্ষৰ হোৱা এক আলোচনাত সাত দিনৰ ভিতৰত প্ৰতিষ্ঠাটোৰ বিজ্ঞানসন্মত পদ্ধতি ব্যৱস্থা কৰি দুৰ্গন্ধমুক্ত পৰিৱেশ গঢ়ি তুলিব বুলি প্ৰতিষ্ঠানটোৰ কৰ্তৃপক্ষই ৰাইজক লিখিত প্ৰতিশ্ৰুতি দিছিল যদিও আজি পৰ্যন্ত কোনো ব্যৱস্থা গ্ৰহণ কৰা দেখা নগ'ল। যাৰ পৰিপ্ৰেক্ষিতত যোৱা ২৩ মে'ৰ দিনা ডুমডুমা ৰাজহ চক্ৰ বিষয়াক বিষয়টোৰ সংক্ৰান্তত বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাই এখন স্মাৰকপত্ৰও প্ৰদান কৰিছিল। তৎসত্ত্বেও আজি পৰ্যন্ত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত এতিয়া তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সৰু ধাদুম গাঁৱৰ বিষ্ণুজ্যোতি যুৱক সংঘই। অহা সাতদিনৰ ভিতৰত বিষয়টোৰ সংক্ৰান্তত প্ৰশাসনে 'ক্ষীৰদা বৰলুইত এন্টাৰপ্ৰাইজ'ৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ নকৰিলে বিষ্ণুজ্যোতি যুৱক সংঘই নিজাববীয়া ব্যৱস্থা গ্ৰহণ কৰিব বুলি আজিৰ এই প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিছে।

# বিশ্ব চাইকেল দিৱস উপলক্ষে সৰুপথাৰত চাইকেল সমদল

**সৰুপথাৰ, ৩ জুন ঃ** আজি বিশ্ব চাইকেল দিৱস। গোলাঘাট জিলা নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত বিশ্ব চাইকেল দিৱস উপলক্ষে শুকুৰবাৰে সৰুপথাৰত পুৰা ছবজাত এক চাইকেল সমদল উলিওৱা হয়। ধনশিৰি মহকুমাৰ আবকাৰী বিষয়া প্ৰেম সিং আৰু সৰুপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জিতুমণি ডেকাই আৰম্ভ কৰা এই চাইকেল সমদত গোলাঘাট জিলা নেহৰু যুৱ কেন্দ্ৰৰ লগত ধনশিৰি চাইকেল ক্লাব, সৰুপথাৰ মাৰোৱাৰী যুৱ মঞ্চ আৰু স্থানীয় বহুকেইগৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। এই চাইকেল সমদলৰ জৰিয়তে প্ৰদূষণমুক্ত পৰিৱেশ গঢ়াৰ লগতে মানুহৰ সুস্বাস্থ্য গঢ়াৰ ক্ষেত্ৰত সমাজলৈ এক সুন্দৰ বাৰ্তা প্ৰেৰণ কৰাৰ লগতে জনসাধাৰণৰ মাজত সজাগতাৰ সৃষ্টি কৰে। শেষত গোলাঘাট জিলা নেহৰু যুৱ কেন্দ্ৰৰ হৈ জান ভাগৱতীয়ে বিশ্ব চাইকেল দিৱসৰ পবিত্ৰ দিনটোত চাইকেল সমদলত ভাগ লোৱা সকলো লোকক ধন্যবাদ জনায়।

# ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ত বিশ্ব চাইকেল দিৱস উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**নামতি, ৩ জুন ঃ** বহনক্ষম বিশ্বৰ ধাৰণাৰে তথা সু-স্বাস্থ্যৰ বাবে চাইকেলৰ উপযোগিতাৰ বাবে আজি বিশ্ব চাইকেল দিৱসৰ লগত সংগতি ৰাখি নামতিৰ ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট আৰু নেহৰু যুৱ কেন্দ্ৰ সংগঠন শিৱসাগৰে মহাবিদ্যালয়ৰ বাকৰিৰ পৰা তলাতল ঘৰৰ বাকৰিলৈ ১৩ কিলোমিটাৰ দূৰত্বৰ চাইকেল সমদলৰ এক সজাগতা সৃষ্টি কৰে। প্ৰায় ৫০ জন স্বেচ্ছাসেৱক আৰু মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু নেহৰু যুৱ কেন্দ্ৰৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। তলাতল ঘৰৰ প্ৰাংগণত এক চমু সজাগতা সভাৰ আয়োজন কৰে। সভাত নেহৰু যুৱ কেন্দ্ৰৰ বিষয়া পাপাই দাস, পংকজ দত্ত, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ পাপু কুমাৰ ঙাটে, মৌচুমী খনিকৰে বক্তব্য ৰাখে।

# কৃষক সম্পৰ্ক অভিযান কাৰ্যসূচী আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ৩ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ আঠ বছৰ পূৰ্তি উপলক্ষে 'সেৱা, সুশাসন আৰু গৰিব কল্যাণ' কাৰ্যসূচীৰ অধীনত বিজেপিৰ যোৰহাট জিলা কাৰ্যালয়ত কৃষক মৰ্চাৰ উদ্যোগত 'কৃষক সম্পৰ্ক অভিযান' কাৰ্যসূচী আজি আৰম্ভ হয়। জিলা কৃষক মৰ্চাৰ সম্পাদক মানৱজ্যোতি হাজৰিকাই আঁতধৰা সভাত জিলা সভাপতি ত্ৰৈলোক্য ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলা সভাপতি হেমন্ত কলিতাই কৃষকৰ ছাৰ্ভে ফৰ্ম আৰু প্ৰচাৰ পত্ৰ উন্মোচন কৰি বক্তব্য ৰাখে। সভাত জিলা ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য তথা 'সেৱা, সুশাসন আৰু গৰিব কল্যাণ' কাৰ্যসূচীৰ জিলা আহ্বায়ক দীপক কুমাৰ গোস্বামী, জিলা সাধাৰণ সম্পাদক ঈশ্বৰ প্ৰসন্ন বৰদলৈ, প্ৰাক্তন জিলা সভাপতি কামাখ্যা মোহন দাস, কৃষক মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক মাধুৰ্য মাধৱ, জিলা যুৱ মৰ্চাৰ সভাপতি পাৰ্থজ্যোতি বৰা, জিলা অ'বিচি মৰ্চাৰ সভাপতি নিলোৎপল গগৈ, জিলা কৃষক মৰ্চা মিডিয়াৰ আহ্বায়ক অৰিন্দম হাতীবৰুৱা, এছচি মৰ্চাৰ সভাপতি অনন্ত দাস প্ৰমুখ্যে জিলা আৰু মণ্ডল পৰ্যায়ৰ কাৰ্যকৰ্তাসকলে অংশগ্ৰহণ কৰে।

# ৰঙাপৰা মহাবিদ্যালয়ত বিশ্ব চাইকেল দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ৩ জুন ঃ** বিশ্ব চাইকেল দিৱস উপলক্ষে আজি ৰঙাপৰা মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত এটি চাইকেল শোভাযাত্ৰা আয়োজন কৰা হয়। পুৱা ৰঙাপৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৰেন বৰাই পতাকা জোকাৰি বিশ্ব বাই চাইকেল সমদলটো ৰঙাপৰাৰ ৰেলৰে খেলপথাৰৰ পৰা আৰম্ভ কৰে।

# তেজপুৰত বিশ্ব চাইকেল দিৱস

## ■ তেজপুৰ মহাবিদ্যালয়-লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ চাইকেল শোভাযাত্ৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ৩ জুন ঃ** আজি বিশ্ব মটৰ চাইকেল দিৱস উপলক্ষে তেজপুৰ মহাবিদ্যালয়ৰ উদ্যোগত মহাবিদ্যালয়খনৰ পৰা শিলঘাটলৈ উলিওৱা চাইকেল সমদল আনুষ্ঠানিকভাৱে আৰম্ভ কৰে তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° জ্যোতিকমল হাজৰিকাৰ লগতে একাংশ অধ্যাপকেও অংশ লোৱা তেজপুৰ মহাবিদ্যালয়ৰ এই চাইকেল সমদলত পতাকা জোঁকাৰি আৰম্ভ কৰা বিধায়ক ৰাভাই চাইকেল চালনাৰ অভ্যাসে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত যেনেদৰে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে একেদৰে নিজৰ শৰীৰো মজবুত কৰি এগৰাকী সুস্বাস্থ্যবান ব্যক্তি হোৱাৰ পথ সুচল কৰে বুলি মন্তব্য কৰে। অনুষ্ঠানত তেজপুৰ সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিন্টু বড়োৱেও অংশ লয়। উল্লেখ্য যে তেজপুৰৰ এক স্বেচ্ছাসেৱী সংগঠন মাইলছ উইথ চাইকেল-এ তেজপুৰ মহাবিদ্যালয়ৰ সহযোগত বাহিৰ কৰা দলটোৱে শিলঘাট আৰু পুনৰ শিলঘাটৰ পৰা তেজপুৰ মহাবিদ্যালয়লৈ উভতি আহে। ৩৫ জনীয়া পুৰুষ-মহিলাৰ দলটোৱে



মুঠ ৫৩ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰে। আনহাতে, দেশে স্বাধীনতা লাভৰ ৭৫ বছৰ পূৰ্তি উপলক্ষে পালিত স্বাধীনতা কা অমৃত মহোৎসৱ কাৰ্যসূচীৰ লগতে বিশ্ব চাইকেল দিৱসৰ অংশৰূপে তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ এনএছএছ গোটে মহাবিদ্যালয়ৰ কৰ্মচাৰী গোটৰ সহযোগত মিছন চাৰিআলিৰ পৰা ডেকাৰগাঁৱৰ ৰেলষ্টেছনলৈকে এক চাইকেল সমদলৰে সজাগতা সৃষ্টি কৰে। উল্লেখ্য যে গাড়ী- মটৰৰ ধোঁৱাই সৃষ্টি কৰা প্ৰদূষণে জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতি চূড়ান্ত ভাবুকি কঢ়িয়াই অনাৰ সময়তে চাইকেলৰ প্ৰয়োজনীয়তা আৰু চাইকেল চালনাই শাৰীৰিক অনুশীলন সদৃশ কাম কৰাৰ গুৰুত্বপূৰ্ণ দিশটোৰ প্ৰতি সজাগতা সৃষ্টিৰে আজি চাইকেল দিৱসৰ দিনটোত উলিওৱা এই চাইকেল সমদল আৰম্ভ কৰে গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ মহকুমা আৰক্ষী বিষয়া তথা তেজপুৰৰ সন্তান ত্ৰিনয়ন ভূঞাই। উল্লেখ্য যে এই চাইকেল সমদলত নিৰ্দিষ্ট স্থান সামৰি পুনৰ মহাবিদ্যালয় প্ৰাংগণত উপস্থিত হয় আৰু সকলো অংশগ্ৰহণকাৰীক একোখনকৈ প্ৰমাণপত্ৰ প্ৰদান কৰি মহাবিদ্যালয়খনৰ কৰ্তৃপক্ষই চাইকেল চালনাৰ বিভিন্ন সুফলসমূহ শিক্ষাৰ্থীসকলক অৱগত কৰে।

# সমবায় সমিতিৰ কংগ্ৰেছৰ ১৫ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ৩ জুন ঃ** ইটোৰ পাছত সিটো নিৰ্বাচনত পৰাজয়বৰণ কৰা কংগ্ৰেছৰ মুখত অৱশেষত জয়ৰ হাঁহি বিৰিঙিলে। আজি শিৱসাগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত পূৱ কোঁৱৰপুৰ সমবায় সমিতিৰ নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাত কংগ্ৰেছৰ প্ৰাৰ্থীসকলে সমবায়খনত বিজয়ৰ নিচান উৰুৱাবলৈ সক্ষম হয়। আজি সমবায়খনৰ ঘোষিত ফলাফলত সমবায় সমিতিখনৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱা ১৫ গৰাকী কংগ্ৰেছৰ সমৰ্থিত প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। উল্লেখ্য যে শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতিৰ দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত মঞ্জীৰ গগৈৰ নেতৃত্বত শিৱসাগৰ কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰথমটো নিৰ্বাচনত জয়লাভ কৰাত দলটোৰ কৰ্মীসকল আজি উৎফুল্লিত হৈ পৰে। এই জয়লাভক লৈ নৱ নিৰ্বাচিত সভাপতি মঞ্জীৰ গগৈয়ে কৰ্মীসকলক শুভেচ্ছা জ্ঞাপন কৰিছে।

# নাজিৰা মহাবিদ্যালয়ৰ আছু গোট গঠন

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ৩ জুন ঃ** নাজিৰা আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত নাজিৰা মহাবিদ্যালয়ৰ আছু গোটৰ সমিতিখন পুনৰ নতুনকৈ গঠন কৰা হয়। মহাবিদ্যালয়খনত বিগত কে'বাবছৰ ধৰি আছুৰ দখলত থকা ছাত্ৰ একতা সভাখনে মহাবদ্যািলয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ উন্নয়নৰ হকে কৰি অহা ভাল কামসমূহৰ সমান্তৰালভাৱে আছু গোটটোৱেও বিভিন্ন সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক, মানসিক, বৌদ্ধিক, ক্ৰীড়া আদি বহু দিশত উন্নয়নমূলক আৰু প্ৰশংসনীয় কাম কৰি আহিছে। আনহাতে, আছুৰ সংবিধান অনুযায়ী যিহেতু সমিতি এখন প্ৰতি বছৰে পুৰনৰীক্ষণ কৰি নতুনকৈ গঠন কৰিব লাগে। গতিকে ইয়াৰ প্ৰতি লক্ষ্য ৰাখি কালি নাজিৰা আঞ্চলিক ছাত্ৰ সন্থাৰ মুখ্য কাৰ্যালয়ত আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নিপু বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত সভাত মহাবিদ্যালয়ৰ আছু গোটৰ উপদেষ্টা হিচাপে অনন্ত প্ৰতীম শইকীয়া, জিতু দিহিঙীয়া, ৰাকেশ মাল, প্ৰদ্যুৎ দত্তক সভাপতি, প্ৰজ্ঞান শইকীয়া, চাছৰোত দত্ত, আস্থা গগৈ, পিংকী শইকীয়া, তুলতুল বৰগোহাঁইসহ আঞ্চলিক ছাত্ৰ সন্থাৰ বিষয়ববীয়া উৎপল বড়া, ৰাজবীৰ আহমেদ আৰু চৰণ চাহুকে ধৰি কে'বাজনো উপস্থিত থাকে। আনহাতে, নাজিৰা মহাবিদ্যালয়ৰ আছুৰ নৱ গঠিত সমিতিখনক সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা উদ্দীপজ্যোতি গগৈয়ে শুভেচ্ছাবাৰ্তা প্ৰেৰণ কৰে।

# বিহপুৰীয়াত ধপাত জাতীয় সামগ্ৰী নিষিদ্ধ কৰাৰ দাবী আছুৰ



**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ৩ জুন ঃ** বিহপুৰীয়া অঞ্চলত ধপাত জাতীয় সামগ্ৰীৰ বিক্ৰী তথা সৰবৰাহ নিষিদ্ধ কৰাৰ দাবী উত্থাপন কৰিছে বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাই। আজি আছুৰ বিহপুৰীয়া আঞ্চলিক সমিতিৰ সভাপতি প্ৰফুল্ল দেউৰী আৰু সাধাৰণ সম্পাদক হীৰকজ্যোতি বৰুৱাৰ নেতৃত্বত সন্থাৰ এটি দলে বিহপুৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া জয়প্ৰকাশ মহন্তক এখন স্মাৰকপত্ৰ প্ৰদান কৰি শীঘ্ৰে বিহপুৰীয়া অঞ্চলত ধপাত জাতীয় সামগ্ৰীৰ বিক্ৰী অথবা সৰবৰাহ নিষিদ্ধ কৰিবৰ বাবে দাবী জনায়। সন্থাৰ অভিযোগ দীৰ্ঘদিন ধৰি বিহপুৰীয়া অঞ্চলত একাংশ ছাত্ৰ-ছাত্ৰীয়ে বিনা বাধাই ধপাত জাতীয় সামগ্ৰী সেৱন কৰি নিজৰ জীৱনটো ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। একাংশ অসৎ ব্যৱসায়ীয়ে ছাত্ৰ-ছাত্ৰীসকলক ধপাত জাতীয় সামগ্ৰী বিক্ৰী কৰা কাৰ্যক সকীয়নি দি আছুৰ বিহপুৰীয়া আঞ্চলিক সমিতিয়ে এই ক্ষেত্ৰত প্ৰশাসনক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# উন্নয়ন নোহোৱা ছছেং ধেণ্টা পৰিষদীয় সমষ্টিত প্ৰতিষ্ঠান বিৰোধী ঢৌ

## ■ বিজেপিৰ বিপৰীতে প্ৰাৰ্থী হাটাও অভিযান

**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ৩ জুন ঃ** কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে গৰম বতাহ বলিছে পাহাৰীয়া জিলাখনত। নগাঁও জিলাৰ চামগুৰিৰ গাতে লাগি থকা ১৭ নম্বৰ ছছেং ধেণ্টা পৰিষদীয় সমষ্টিতো ইতিমধ্যে নিৰ্বাচনী বতাহ বলিবলৈ আৰম্ভ কৰিছে। উল্লেখ্য যে ছছেং ধেণ্টা পৰিষদীয় সমষ্টিটোত এইবাৰ বিজেপি দলৰ পৰা কাচে ৰংপিপী, কংগ্ৰেছৰ ৰাজেশ টিমুং, এএছডিচিৰ দ্বীজেন্দ্ৰ টেৰাং, এপিএইছ এল চিৰ পৰা মেনছিং ফাংচ' আৰু নিৰ্দলীয়ৰূপে নিৰ্বাচনী যুঁজত নামিছে মহেন বে'। উল্লেখ্য যে মহেন বে'য়ে বিজেপিৰ পৰা টিকট বিচাৰি নোপোৱাত নিৰ্দলীয়ৰূপে এঘড়ী যুঁজিবলৈ নিৰ্বাচনী পথাৰত অৱতীৰ্ণ হৈছে। উল্লেখ্য যে বিগত স্বাযত্তশাসিত পৰিসদৰ নিৰ্বাচনত বৰ্তমানৰ পৰিষদীয় সদস্যা কাচে ৰংপিপীৰ বিৰুদ্ধে অৱতীৰ্ণ হৈ ২১৪টা ভোটৰ ব্যৱধানত পৰাজিত হৈছিল। সেই ৰূপে মহেন বে' বিজেপি প্ৰাৰ্থী কাচে ৰংপিপীৰ বিৰুদ্ধে এজন শক্তিশালী প্ৰাৰ্থী। এইবাৰৰ নিৰ্বাচনত ছছেং ধেণ্টা পৰিষদীয় সমষ্টিত প্ৰতিষ্ঠান বিৰোধী ঢৌ বলা পৰিলক্ষিত হৈছে। বিশেষকৈ সমষ্টিটোত উন্নয়নৰ পৰশ নপৰাৰ ফলতেই প্ৰতিষ্ঠান বিৰোধী ঢৌ বলিছে বুলি চৰ্চা হৈছে। প্ৰতিষ্ঠান বিৰোধী ঢৌ চলিলেও; কিন্তু দলৰ পৰিৱৰ্তে এইবাৰ প্ৰাৰ্থী হাটাও অভিযান চলিছে ছছেং ধেণ্টা





সমষ্টিত। ইতিমধ্যে সমষ্টিটোত মহিলা শক্তি একত্ৰিত হৈ মহেন বে'ক যিকোনো প্ৰকাৰে জয়ী কৰাবলৈ বদ্ধপৰিকৰ বুলি আজি সংবাদ মাধ্যমৰ লোকক জানিব দিয়ে নিৰ্দলীয় প্ৰাৰ্থীৰ সমৰ্থকে। চামগুৰিৰ গাতে লাগি থাকি পাৰ্কুপ পাহাৰত আজি নিৰ্দলীয় প্ৰাৰ্থীজনৰ সমৰ্থনত শ শ মহিলা কে'বাটাও গোটত ভাগ হৈ ঘৰে ঘৰে প্ৰচাৰ চলায়। প্ৰচাৰ অভিযান কালত এজন পুৰুষ সমৰ্থকে ক্ষোভ প্ৰকাশ কৰি কয়, 'বিগত কাৰ্যকালত বৰ্তমানৰ পৰিষদীয় সদস্যাজনে ছছেং ধেণ্টা সমষ্টিৰ কোনো উন্নয়ন কৰা নাই। তেওঁ কেৱল কংগ্ৰেছৰ নীতি অনুসৰণ কৰি আঁঠুৱা-কম্বল বিলাই মানুহৰ মন মুহিবলৈ চেষ্টা কৰিলে। পাৰ্কুপ পাহাৰৰ ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিক পৰীক্ষা দিবলৈ যাব লাগে এশ কিলোমিটাৰ আঁতৰৰ ডেনগাঁৱত। ওচৰতে চামগুৰি, চাপানালা আছে তাত পৰীক্ষা দিয়োৰ ব্যৱস্থা কৰিব নোৱাৰিলেহেঁতেন নেকি। ৰাস্তাৰ অৱস্থা নাই। এনৰেগাৰ দ্বাৰা উন্নয়ন হৈছে; কিন্তু সেই উন্নয়ন হৈছে সপ্তাহত দুহেজাৰ ছশ টকা উঠাই জবকাৰ্ড থকা মহিলাক চাৰিশ টকা দি তেওঁলোকৰ মানুহৰ উন্নয়ন হৈছে। যোৱাবাৰ মহেন বে' ২১৪ টা ভোটত হাৰিছিল। এইবাৰ মহেন বে'ক জয়ী কৰাই কাচে ৰংপিপীক বাই বাই দিম আমি।' ইপিনে, আন এগৰাকী মহিলাই ক্ষোভ ব্যক্ত কৰি কয়, আমাৰ গৰ্ভৱতী মহিলাবিলাক পাহাৰৰ ভিতৰৰ পৰা সাঙীত আহিব লাগে। ৰাস্তা বেয়া, চিকিৎসালয় নাই। আমাৰ কথা চিন্তা নকৰিলে। গতিকে এইবাৰ আমি বিজেপিৰ বিৰোধিতা নকৰো; কিন্তু প্ৰাৰ্থীক বিৰোধিতা কৰি ভোট দিম।' আন এজন লোকে ক্ষোভ প্ৰকাশ কৰি কয়, 'বিগত ২০ বছৰে ছছেং ধেণ্টা সমষ্টিটোৰ পৰা এটা পৰিয়ালৰ পৰা নিৰ্বাচিত হৈ আহিছে; কিন্তু সমষ্টিবাসীৰ বাবে পথ, খোৱাপানী, চিকিৎসাৰ একো ব্যৱস্থা নকৰিলে। গতিকে এইবাৰ আমি তেওঁক বিদায় দিম।' উল্লেখ্য যে কালি ছছেং ধেণ্টা পৰিষদীয় সমষ্টিৰ চামগুৰিৰ নিকটৱৰ্তী কঠালগুৰিত ৰাজ্য চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওগে বিজেপিৰ প্ৰাৰ্থী কাচে ৰংপিপীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছিল।

ইয়াৰ পাছতে আজিৰ পৰা নিৰ্দলীয় শক্তিশালী প্ৰাৰ্থীজনৰ সমৰ্থকে বিশেষকৈ মহিলাসকল জাকে জাকে ওলাই আহি ঘৰে ঘৰে নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ প্ৰচাৰ সমষ্টিটোত একেবাৰে নিষ্প্ৰভ; কিন্তু এএছডিচি দলে প্ৰচাৰ চলাই আছে। মুঠতে এটা কথা খাটাং ছছেং ধেণ্টা পৰিষদীয় সমষ্টিত এইবাৰ বিজেপি আৰু নিৰ্দলীয় প্ৰাৰ্থীৰ মাজত দুইকোণীয়া যুঁজ হ'ব। এই যুঁজ এইবাৰ উন্নয়নৰ ইছুলৈয়ে যে হ'ব সেয়া ক্ষোভিত লোকসকলৰ পৰাই অনুমান কৰিব পাৰি।

# বিশুদ্ধ খোৱাপানী প্ৰকল্প স্থাপন বাঘচোং চৰাইবাহী গাঁও পঞ্চায়তৰ

## ■ নিজাববীয়া উপাৰ্জনেৰে স্বনিৰ্ভৰশীল হোৱাৰ প্ৰয়াস

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ৩ জুন ঃ** এখন পঞ্চায়তৰ গতানুগতিক কাম-কাজৰ মাজতে যোৰহাটৰ ৫১ নম্বৰ বাঘচোং চৰাইবাহী গাঁও পঞ্চায়তে নিজাববীয়াকৈ এটা বাণিজ্যিক বিশুদ্ধ খোৱাপানী প্ৰকল্প স্থাপন কৰি আদৰ্শ দেখুৱাবলৈ সক্ষম হৈছে। ৰাজ্যৰ ভিতৰতে অন্যতম বৃহৎ পঞ্চায়তখনে নিজা ৰাজহৰ উৎস অধিক বৃদ্ধি কৰাৰ উদ্দেশ্যে এই প্ৰকল্প হাতত লোৱা বুলি অৱগত কৰিছে পঞ্চায়তখনৰ সভাপতি দিগন্ত ভূঞাই। সভাপতি ভূঞাই 'দৈনিক অগ্ৰদূত'ক জনোৱা মতে, পঞ্চায়তখনৰ পুঁজিত জমা থকা কণ্টিজেঞ্চি ফাণ্ডৰ আঠ লাখ ৪৫ হেজাৰ ৫৬৮ টকাৰে মিনাৰেল ৱাটাৰৰ এই বাণিজ্যিক প্ৰকল্পটি স্থাপন কৰা হয়। 'একুৱা পিউৰ ড্ৰিংকিং ৱাটাৰ প্ৰজেক্ট' নামৰ এই প্ৰকল্পটি নগৰৰ উপকণ্ঠ বাঘচোঙত অৱস্থিত ৫১ নম্বৰ বাঘচোং চৰাইবাহী গাঁও পঞ্চায়ত চৌহদতে স্থাপন কৰা হৈছে। উল্লেখ্য যে এই একুৱা পিউৰ ড্ৰিংকিং ৱাটাৰ প্ৰজেক্ট'টোৱে ইতিমধ্যে অসম চৰকাৰৰ অধীনস্থ ফুড চেফটি এণ্ড ষ্টেণ্ডাৰ্ডছ অথৰিটী অৱ ইণ্ডিয়া (এফএছএছএ আই)ৰ পঞ্জীয়ন লাভ কৰিছে। অহা এটা বছৰৰ বাবে অনুজ্ঞাপত্ৰ লাভ কৰা প্ৰকল্পটোৰ যোগেদি বাৰ্ষিক ১২ লাখ টকাৰ মিনাৰেল ৱাটাৰৰ ব্যৱসায় কৰিব পাৰিব। যদি বাৰ্ষিক এই লক্ষ্য পূৰণ কৰি যোৰহাটত মিনাৰেল ৱাটাৰৰ ব্যৱসায় কৰিবলৈ সক্ষম হয়, তেন্তে স্বাভাৱিকতে পঞ্চায়তখনে নিজাববীয়াকৈ উপাৰ্জন কৰি পঞ্চায়তৰ পুঁজি টনকিয়াল কৰাৰ লগতে ভালে সংখ্যক লোকক সংস্থাপন দিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰিছে পঞ্চায়ত সভাপতিজনে। প্ৰকল্পটো শীঘ্ৰে মুকলি কৰাৰ উপৰি ব্যৱসায়ভিত্তিত উৎপাদন কৰা হ'ব বুলিও উল্লেখ কৰে সভাপতি দিগন্ত ভূঞাই। উল্লেখ্য যে গাঁও পঞ্চায়ত, নগৰ সমিতি, পৌৰসভা, পৌৰ নিগম আদি স্থানীয় প্ৰশাসনিক নিকায়সমূহৰ মূল লক্ষ্যই হ'ল নিজাববীয়াকৈ ৰাজহ সংগ্ৰহ কৰা আৰু সেই ৰাজহৰ পৰাই নিজে চলাৰ উপৰি চৰকাৰক সহযোগিতা কৰা। নিয়ম অনুসৰি, স্থানীয় নিগম-নিকায়সমূহে নিজাকৈ সংগ্ৰহ কৰা ৰাজহৰ পৰাই কৰ্মচাৰীসকলৰ দা-দৰমহা দিব লাগে। তেওঁলোক স্বনিৰ্ভৰশীল হ'ব লাগে, কিন্তু বাস্তৱ ক্ষেত্ৰত অধিকাংশ স্থানীয় নিগম-নিকায়ে এতিয়া চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হৈ চলিব লগা অৱস্থা। এই ক্ষেত্ৰত যোৰহাটৰ এই পঞ্চায়তখনে নিশ্চয়কৈ ব্যতিক্ৰম ৰূপত থিয় দিবলৈ অগ্ৰসৰ হৈছে। মন কৰিবলগীয়া কথাটো হ'ল কোনো বিভাগীয় কাৰ্যালয়, কেন্দ্ৰ আদিৰ বাবে অনুমোদিত কণ্টিজেঞ্চি ফাণ্ড সাধাৰণতে কাৰ্যালয় পৰিচালনা, সভা-সমিতি পতা, আপ্যায়ন আদি কম গুৰুত্বপূৰ্ণ কামত খৰচ কৰা হয় যদিও এই পঞ্চায়তখনে বিশুদ্ধ খোৱাপানী প্ৰকল্পটো স্থাপন কৰাৰ উপৰি কণ্টিজেঞ্চি ফাণ্ডৰ পৰা চাৰে আঠ লাখ টকা খৰচ কৰি এটা আটকধুনীয়া সামূহিক ভৱন আৰু কাষতে লাগি থকা প্ৰাথমিক বিদ্যালয়খনৰ বাবে এক লাখ ৬৬ হেজাৰ টকা খৰচ কৰি এটা মুকলি মঞ্চ নিৰ্মাণ কৰি বিদ্যালয়খনৰ বহুদিনীয়া এটা অভাৱ দূৰ কৰে।



## চাবুৱাৰ দিনজয় হাজাৰিমল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ হীৰক জয়ন্তী পালনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**চাবুৱা, ৩ জুন ঃ** চাবুৱাৰ ঐতিহাসিক শিক্ষানুষ্ঠানসমূহৰ অন্যতম দিনজয় হাজাৰিমল উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ ৭৫ বছৰীয়া হীৰক জয়ন্তী পালনৰ বাবে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু শুভাকাংক্ষীসকলৰ উপস্থিতিৰে এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। জ্ঞানৰ মন্দিৰৰূপে পৰিগণিত শিক্ষানুষ্ঠানখনত বহু পুৰণি ছাত্ৰ-ছাত্ৰী তথা বৰ্তমান সমাজৰ গণ্য-মান্য ব্যক্তি হিচাপে পৰিচিত লোকসকলৰ উপস্থিতিত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰদীপ হাজৰিকাই। শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাতে এখন উদ্‌যাপন সমিতিও আংশিকভাৱে গঠন কৰা হয়। নিৰ্দিষ্ট দিনবাৰ থিৰাং নকৰিলেও বহুল ভিত্তিত আয়োজন হ'বলগীয়া হীৰক জয়ন্তী পালনৰ বাবে সমাজসেৱক তথা প্ৰাক্তন ছাত্ৰ চান্দ কুমাৰ গোহাঁইক সভাপতি, হৰনাথ দুৱৰাক কাৰ্যকৰী সভাপতি, মুখ্য সম্পাদক দিপক বৰ্মন, বিপুল দিহিংগীয়া আৰু সঞ্জীৱ দত্তক যুটীয়া সম্পাদক, অনুপম বুঢ়াগোহাঁই আৰু দিব্যজ্যোতি লাহনক প্ৰচাৰ বিভাগৰ দায়িত্বকে ধৰি আন কে'বাটাও বিভাগৰ আহ্বায়ক হিচাপে সভাই ১৩ পৃষ্ঠাত চাওক

## কৃষ্ণাইৰ হিতেশ ৰুংদুঙলৈ শিল্পী সৌৰভ বঁটা ঃ লোকশিল্পীৰ মাজত আনন্দৰ লহৰ

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ৩ জুন ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰক্ষী থানাৰ অন্তৰ্গত খাৰদাং অঞ্চলৰ সাংস্কৃতিক শিল্পী হিতেশ ৰুংদুঙলৈ জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ, অসমে ২০২১-২২ৰ বাবে আগবঢ়াইছে শিল্পী সৌৰভ বঁটা । হিতেশ ৰুংদুঙৰ এই বঁটা প্ৰাপ্তিৰ খবৰে জিলাখনৰ লোকশিল্পীসকলৰ মাজত স্বাভাৱিকতে আনন্দৰ লহৰ তুলিছে। উল্লেখ্য যে বিশেষ কাৰণবশতঃ শিক্ষা জীৱন আধাতে এৰি ব্যৱসায় বাণিজ্য তথা সমাজ সেৱাত জড়িত হৈ পৰা ৰুংদুং বৰ্তমান অসমৰ সাংস্কৃতিক জগতৰ এটি পৰিচিত নাম। গোৱালপাৰা জিলাৰ খাৰদাং আমবাৰীৰ স্বৰ্গীয় মিলাৰাম ৰাভা আৰু প্ৰয়াত চুকায় ৰাভাৰ সাত সন্তানৰ কনিষ্ঠ সন্তান হিতেশ ৰুংদুঙে দশম শ্ৰেণীতে শিক্ষা জীৱন ত্যাগ কৰি বিগত ৩০ বছৰে একাণপতীয়াকৈ লাগি আছে ব্যৱসায়ত। ধান-চাউল, তামোল-পাণ সকলো ধৰণৰ ব্যৱসায়তে হাত উজান দিয়া ৰুংদুঙৰ খাৰদাং বজাৰত আছে এখন ফাৰ্মাচী আৰু এখন গেলামালৰ দোকান। জীৱন বীমাৰ এজেণ্ট হিচাপে কৰ্মৰত ৰুংদুং সমাজসেৱক ৰূপেও সৰ্বজন পৰিচিত। ৰুংদুঙে খাৰদাং ব'ৰ্ডাৰ ডেভেলপমেণ্ট ছ'চাইটিৰ সভাপতি, খাৰদাং ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰ পৰিচালনা সমিতিৰ সভাপতি, খাৰদাং ৰাভাপাৰা ১৩ পৃষ্ঠাত চাওক

## মিচিং কথাছবি 'বোম্বা' ৰাইড'ৰ সাফল্য ঃ দেৰগাঁৱত উল্লাস




**দেৰগাঁও, ৩ জুন ঃ** অসমীয়া ছবিৰ প্ৰায় দুৰ্যোগপূৰ্ণ সময়ত মিচিং ভাষাৰ 'বোম্বা ৰাইড' নামৰ ছবিখনৰ ধাৰাবাহিক সফলতাই আশাৰ বতৰা কঢ়িয়াই আনিছে। যশস্বী পৰিচালক বিশ্বজিৎ বৰাৰ পৰিচালনাত দেৰগাঁৱৰ ভিতৰুৱা বকুলী চাপৰি, বৰমুকলি আদি গ্ৰামাঞ্চলত প্ৰায় ৯০ শতাংশ দৃশ্যগ্ৰহণ কৰা ছবিখনৰ মুখ্য চৰিত্ৰত অভিনয় কৰিছে দেৰগাঁৱৰ ভিতৰুৱা বৰমুকলি অঞ্চলৰ শিশু অভিনেতা ইন্দ্ৰজিৎ পেগুৱে। বিশ্বৰ কে'বাখনো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈ সমাদৃত হোৱাৰ উপৰি শেহতীয়াকৈ কাঁন চলচ্চিত্ৰ মহোৎসৱতো ছবিখনৰ শিশু অভিনেতা ইন্দ্ৰজিৎ পেগুৱে 'নিউ ইয়ৰ্ক ইণ্ডিয়ান' ফিল্ম ফেষ্টিভেলত শ্ৰেষ্ঠ শিশু অভিনেতাৰ মনোনয়ন লাভ কৰিবলৈ সক্ষম হয়। সমগ্ৰ দেশ তথা ৰাজ্য আৰু বিশেষভাৱে দেৰগাঁৱলৈ গৌৰৱ কঢ়িয়াই অনা ছবিখনৰ চিত্ৰনাট্য, পৰিচালনা, সম্পাদনা বিশ্বজিৎ বৰাৰ। লুইত কুমাৰ বৰ্মন, বিশ্বজিৎ বৰা, কৌশিক হাজৰিকা আৰু বিনোদ লাল দাসৰ প্ৰযোজনাৰে নিৰ্মিত ছবিখনৰ কাৰ্যবাহী প্ৰযোজক অসীম শইকীয়া আৰু প্ৰডাকচন কণ্ট্ৰ'লাৰৰ দায়িত্বত আছে দেৰগাঁৱৰ সাংবাদিক, অভিনেতা কুমুদ বৰা। নয়নমণি বৰ্মনৰ সংগীত পৰিচালনা, লোপামুদ্ৰা গগৈ বৰাৰ সাজসজ্জা আৰু জিতেন বড়ো, অতুল স্বৰ্গীয়াৰী কেমেৰাত দৃশ্য গ্ৰহণ কৰা ছবিখনত ইন্দ্ৰজিৎ পেগু, নাটাচা পেগু, সদাগৰ দাও, হিৰণ্য পেগু, দিপালী পেগু, ৰিজু মিছং আদিৰ লগতে দেৰগাঁৱৰ ১৩ পৃষ্ঠাত চাওক

## ডিব্ৰুগড়ত চৰকাৰী কৰ্মচাৰীৰ মাজত মুখগহ্বৰৰ কেঞ্চাৰৰ প্ৰাদুৰ্ভাৱ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৩ জুন ঃ** কেঞ্চাৰৰ বিৰুদ্ধে সজাগতা অভিযানৰ লগতে উপশমী চিকিৎসা চলাই থকা ডিব্ৰুগড়ৰ অগ্ৰণী সংগঠন প্ৰতিশ্ৰুতি কেঞ্চাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্ট চমুকৈ প্ৰতিশ্ৰুতিয়ে ডিব্ৰুগড় আৰক্ষী প্ৰশাসন আৰু ইণ্ডিয়ান মেডিকেল এছ'চিয়েছন (আইএমএ)ৰ ডিব্ৰুগড়ৰ যৌথ উদ্যোগত বিশ্ব ধপাতবিহীন দিৱস উপলক্ষত ডিব্ৰুগড়ত ৩০ আৰু ৩১ মে'ত আয়োজন কৰা মুখগহ্বৰৰ কেঞ্চাৰৰ বিনামূলীয়া শিবিৰত বিশেষকৈ চৰকাৰী কৰ্মচাৰীৰ দেহত কেঞ্চাৰৰ প্ৰাদুৰ্ভাৱ ঘটাৰ তথ্য লাভৰ ঘটনাই সকলোকে চিন্তিত কৰি তুলিছে। প্ৰতিশ্ৰুতি'ৰ হৈ নিজা বাসভৱন আৰু চেম্বাৰত আয়োজন কৰা শিবিৰত চিকিৎসকৰূপে অংশগ্ৰহণ কৰা ডিব্ৰুগড়ৰ বিশিষ্ট চকু-নাক-কাণ বিশেষজ্ঞ ডাঃ ফৌজিয়া এছ হাকিমে জনোৱামতে দুয়োদিনৰ শিবিৰ আৰু সমান্তৰালভাৱে ডামানিজ নাৰ্ছিং হোমতো আয়োজন কৰা আনটি শিবিৰত ডাঃ অপূৰ্ব কুমাৰ শৰ্মাৰ ওচৰত মুঠ ১৬১ গৰাকী লোকে নিজৰ মুখগহ্বৰৰ পৰীক্ষা কৰে। দুয়োটা শিবিৰত অংশগ্ৰহণ কৰা লোকসকলৰ ভিতৰত ৮০ শতাংশই কেঞ্চাৰ ৰোগৰ দুৱাৰডলিত আহি উপনীত হৈছে। ১৩ পৃষ্ঠাত চাওক

## অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী দিপালী নেওগৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বান্দৰদেৱা, ৩ জুন ঃ** লখিমপুৰ জিলাৰ হাৰমতীৰ মেৰবিল বৰদলনী গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক মাণিক নেওগৰ পত্নী দিপালী নেওগ (৭৮)ৰ আজি পুৱা নিজ গৃহতে মৃত্যু হয়। শিশু কবি বুলি পৰিচিত নেওগ আছিল এগৰাকী ধৰ্মপৰায়ণ, অমায়িক, নিৰ্জু স্বভাৱৰ মহিলা। ১৯৬২তে শিক্ষকতা জীৱন আৰম্ভ কৰা প্ৰয়াত শিক্ষয়িত্ৰীগৰাকীয়ে সুদীৰ্ঘ ৩৯ বছৰ শিক্ষকতা কৰি ২০০১ৰ ৩০ ছেপ্টেম্বৰত মেৰবিল মজলীয়া বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰে। প্ৰায় তিনি বছৰৰ পূৰ্বে এটা দুৰ্ঘটনাত পতিত হৈ শয্যাগত হৈ আছিল। মৃত্যুৰ সময়ত তিনিজন পুত্ৰ আৰু এগৰাকী কন্যা, বোৱাৰী, নাতি-নাতিনী ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত মেৰবিল মজলীয়া বিদ্যালয়ৰ শিক্ষকগোট আৰু ছাত্ৰ-ছাত্ৰীসকলে শোক সভা অনুষ্ঠিত কৰি মৃত আত্মাৰ সদগতি বাবে প্ৰাৰ্থনা জনায়।

### জল জীৱন আঁচনিৰ নামত অনীতি-অনিয়মৰ অভিযোগ

# আজাৰা ৰাজহ চক্ৰত চৰকাৰী পানী যোগানৰ ভেঁকোভাওনা



অগ্ৰদূত বাৰ্তা

**আজাৰা, ৩ জুন ঃ** আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ বিভিন্ন গাঁও পঞ্চায়ত অঞ্চলত বিশুদ্ধ খোৱা পানীৰ তীব্ৰ নাটনিয়ে দেখা দিছে। গাঁও পঞ্চায়তকেইখনত চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কে'বাখনো খোৱা পানী যোগানৰ অভিলাষী আঁচনি থকাৰ পাছতো সৰ্বসাধাৰণ জনসাধাৰণে প্ৰয়োজনীয় বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। শেহতীয়াকৈ চৰকাৰীভাৱে গাঁও পঞ্চায়তকেইখনৰ অঞ্চলত জল জীৱন আঁচনিৰ জৰিয়তে জনসাধাৰণক বিশুদ্ধ খোৱা পানী যোগান ধৰাৰ যি ব্যৱস্থা কৰিছে, তাৰ পৰাও জনসাধাৰণ লাভৱান্বিত নোহোৱাৰহে অভিযোগ উঠিছে। আনকি জল জীৱন আঁচনিৰ নামত চৰকাৰী নীতি-নিৰ্দেশনা অবমাননা কৰাৰ গুৰুতৰ অভিযোগ উঠিছে।

ৰাজহ চক্ৰ অঞ্চলটোৰ পাঁচখন গাঁও পঞ্চায়তত ১৬ খন মান চৰকাৰী বিশুদ্ধ খোৱা পানী যোগান আঁচনিৰ প্ৰকল্প আছে। এই প্ৰকল্পসমূহৰ সৰহ ভাগেই অচল। আনকি দুখনমান আঁচনি বছৰ বছৰ ধৰি জনসাধাৰণৰ বাবে মুকলি নকৰাত ৰাজহুৱা ধনৰ অপব্যৱহাৰ হোৱাৰ অভিযোগ উঠিছে। যাৰ ফলত বেলগুৰীয়াপাৰাত থকা মিৰ্জাপুৰ বিশুদ্ধ খোৱা পানী যোগান আঁচনি আৰু হীৰাপাৰা- হাটুৰাপাৰা পানী যোগান আঁচনি দুখনৰ যন্ত্ৰ-পাতিসহ পানী যোগানৰ টেপৰ অৱস্থা ভাগি-ছিগি যাবলৈ ধৰিছে।

শেহতীয়াকৈ ৰাজহ চক্ৰ অঞ্চলটোত জল জীৱন আঁচনিৰ জৰিয়তে পানী যোগানৰ পাইপ বহুৱাই ঘৰে ঘৰে টেপ বহুওৱা হৈছে যদিও সেয়াও বিভাগীয় নীতি-নিৰ্দেশনা অবমাননা কৰি নিৰ্মাণ কৰাৰ অভিযোগ উঠিছে। জানিব পৰা মতে জল জীৱন আঁচনিৰ নামত বহুওৱা পানী পৰিবাহী পাইপসমূহ মাটিৰ প্ৰায় এক মিটাৰ তলেৰে বহুৱাব লাগে। ইয়াৰ বিপৰীতে সমগ্ৰ অঞ্চলটোৰ বিভিন্ন ঠাইত পানী পৰিবাহী পাইপসমূহ মাটিৰ এক ফুট তলেৰে বহুওৱাৰ অভিযোগ উঠিছে। আনকি কোনো কোনো ঠাইত পানী পৰিবাহী পাইপসমূহ প্ৰায় মাটিৰ ওপৰেৰে ১৩ পৃষ্ঠাত চাওক

## অধ্যয়নবিমুখিতাৰ বিপৰীতে গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী হওক

■ চিনামৰা মহাবিদ্যালয়ৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ৩ জুন ঃ** যোৰহাট জিলাৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান চিনামৰা মহাবিদ্যালয়ৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। পুৱা চিনামৰা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষয়িত্ৰী তথা চিনামৰা জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা নীহাৰিকা ৰাণী কোঁৱৰে পতাকা উত্তোলন কৰি দিনটোৰ কাৰ্যসূচী মুকলি কৰে। আনহাতে, স্মৃতি তৰ্পণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই। এই প্ৰতিষ্ঠা দিৱসতেই উজনি অসমৰ অন্যতম আগশাৰীৰ গ্ৰন্থ প্ৰকাশক, বিক্ৰেতা, বাতৰি কাকতৰ পৰিবেশক যোৰহাটৰ নিৰোদ চাংকাকতি আৰু চাংকাকতি শৈক্ষিক ন্যাসৰ দানেৰে নিৰ্মিত এটা ৰাজহুৱা গ্ৰন্থাগাৰ মুকলি কৰা হয়। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, মৰিয়নি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ আনন্দ শইকীয়াই গ্ৰন্থাগাৰটোৰ উন্মোচন কৰে। ৰাজহুৱা গ্ৰন্থাগাৰটো মুকলি কৰি বিশিষ্ট শিক্ষাবিদ আনন্দ শইকীয়াই নিৰোদ চাংকাকতিৰ বদান্যতাৰ শলাগ লয়। তেওঁ কয়, 'দেশৰ স্বাধীনতাৰ পাছৰ পৰা প্ৰায় ১৯৮০লৈকে ৰাজ্যত গ্ৰন্থাগাৰ খোলাৰ একপ্ৰকাৰ আন্দোলন হৈছিল। তাৰ পাছৰ সময়ৰ পৰা গ্ৰন্থাগাৰ স্থাপনৰ বিষয়সমূহ ক্ৰমশঃ কমি আহিবলৈ ধৰে। সম্প্ৰতি প্ৰায় নোহোৱাৰ দৰেই হৈছে। কিন্তু এনে সময়তে একৈশ শতিকাত অমৰজ্যোতি চৌধুৰীৰ নেতৃত্বত আন এক আন্দোলন এতিয়া আৰম্ভ হৈছে। অৱশ্যে বৰ্তমান দুই ধৰণৰ আন্দোলন চলিছে।' বুলি উল্লেখ কৰি তেওঁ পুনৰ কয় যে এফালে অধ্যয়নৰ বাবে আন্দোলন চলিছে আনহাতে, অধ্যয়ন বিমুখতাৰো ভিতৰুৱা আন্দোলন চলিছে। অধ্যয়নমুখতাৰ বাবে চলাই অহা এনে ১৩ পৃষ্ঠাত চাওক

## মৰাণত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা-২০২২

অগ্ৰদূত বাৰ্তা

**মৰাণ, ৩ জুন ঃ** বৃহত্তৰ মৰাণ অঞ্চলৰ সাহিত্য-সংস্কৃতি চৰ্চাৰ অনুষ্ঠান জোনাকী মেলৰ উদ্যোগত, মৰাণবাসী ৰাইজৰ সহযোগত জোনাকী মেলৰ সপ্তদশ বৰ্ষপূৰ্তি উপলক্ষে অহা ২৩ আৰু ২৪ জুলাইত সদৌ অসম ভিত্তিত ভূপেন্দ্ৰ সংগীত-২০২২ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই উপলক্ষে ইতিমধ্যে বাছা বৰাক সভাপতি, বিপুল গগৈক কাৰ্যকৰী সভাপতি, দ্বীজেনন্দ্ৰ নাথ দত্তক সম্পাদক, সত্যৰঞ্জন বুঢ়াগোহাঁই আৰু মনোজ কলিতাক যুটীয়া সম্পাদক, যদুনাথ পুৰীক প্ৰচাৰ সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। প্ৰতিযোগিতাখন নিম্ন আৰু উচ্চ দুটা শাখাত অনুষ্ঠিত হ'ব। নিম্ন শাখাত প্ৰথমৰ পৰা সপ্তম শ্ৰেণীলৈ। উচ্চ শাখাত অষ্টম শ্ৰেণীৰ পৰা মুকলি থাকিব। গীতৰ লগত বাদ্য সংগতকাৰীৰ ব্যৱস্থা সমিতিয়ে কৰিব যদিও ইচ্ছুক প্ৰতিযোগীয়ে নিজেও লগত আনিব পাৰিব। প্ৰতিযোগীয়ে ট্ৰেক মিউজিক ব্যৱস্থা কৰিব নোৱাৰিব। দুয়োটা শাখাৰ পুৰস্কাৰসমূহ প্ৰথম, দ্বিতীয় আৰু তৃতীয় তিনিটা ভাগত নগদ ধনসহ মানপত্ৰ দিয়া হ'ব। উচ্চ শাখাত প্ৰথম পুৰস্কাৰ ১০ হেজাৰ, দ্বিতীয় পুৰস্কাৰ সাত হেজাৰ আৰু তৃতীয় পুৰস্কাৰ পাঁচ হেজাৰ টকা। সেইদৰে নিম্ন শাখাত প্ৰথম পুৰস্কাৰ আঠ হেজাৰ, দ্বিতীয় পুৰস্কাৰ ১৩ পৃষ্ঠাত চাওক

## বিদ্যালয় প্ৰধানেৰে গহপুৰৰ মহকুমাধিপতিৰ অন্তৰংগ অনুষ্ঠান

■ নিজ নিজ বিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ বাবে চেষ্টা চলোৱাৰ আহ্বান



অগ্ৰদূত বাৰ্তা

**গহপুৰ, ৩ জুন ঃ** গহপুৰ মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত দীপন বৰ্মনে কালি গহপুৰ মহকুমাৰ অন্তৰ্গত ছয়দুৱাৰ শিক্ষাখণ্ডৰ সমূহ বিদ্যালয়ৰ বিদ্যালয় প্ৰধানসকলৰ লগত এটি অন্তৰংগ অনুষ্ঠানত অংশগ্ৰহণ কৰে। ছয়দুৱাৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত মহকুমাধিপতিয়ে গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰি সকলো প্ৰধান শিক্ষকক নিজৰ নিজৰ বিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ বাবে যৎপৰোনাস্তি চেষ্টা চলাবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত তেওঁ প্ৰধান শিক্ষকসকলক নিজৰ বিদ্যালয়ৰ সমস্যাসমূহৰ মাজতেই বিদ্যালয়খনত থকা ধনাত্মক দিশসমূহৰ উৎকৰ্ষ সাধন কৰি বিদ্যালয়খনক আগুৱাই নিবৰ বাবে আহ্বান জনায়। তদুপৰি ছয়দুৱাৰ শিক্ষাখণ্ডৰ প্ৰতিটো সংমণ্ডলতে কমেও দুখন বিদ্যালয়ক আদৰ্শ বিদ্যালয় হিচাপে গঢ়ি তুলি গহপুৰ মহকুমাক ৰাজ্যখনৰ ভিতৰতে শিক্ষাৰ ক্ষেত্ৰত জাকত জিলিকা কৰি তোলাৰ বাবে আগবাঢ়ি আহিবলৈ শিক্ষকসকলক আহ্বান জনায়। গহপুৰ মহকুমাক বিদ্যায়তনিক দিশত আগুৱাই নিবৰ বাবে মহকুমা প্ৰশাসনৰ দায়বদ্ধতাৰ নিদৰ্শনেৰে মহকুমাৰ প্ৰতিটো মণ্ডল পৰিদৰ্শনৰ বাবে মহকুমাৰ কাৰ্যবাহী দণ্ডাধীশসকলক নিয়োগ কৰাৰ কথাও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে। কাৰ্যবাহী দণ্ডাধীশসকলে আগন্তুক দিনত যিকোনো বিদ্যালয় পৰিদৰ্শন কৰি আৰু এই ক্ষেত্ৰত তেওঁলোকক সহযোগ কৰিবলৈ বিদ্যালয় প্ৰধানসকলক মহকুমাধিপতিয়ে আহ্বান জনায়। অনুষ্ঠানত গহপুৰ মহকুমাৰ সহকাৰী আয়ুক্ত ড° পৱন কুমাৰ উপাধ্যায়ৰ লগতে ছয়দুৱাৰ শিক্ষাখণ্ডৰ ভাৰপ্ৰাপ্ত শিক্ষ বিষয়া কৰুণাকান্ত ভট্ট, ছয়দুৱাৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অৰুণ দাস সমূহ খণ্ড সমল ব্যক্তি আৰু মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক উপস্থিত থাকে।

## ছত্ৰশাল শংকৰদেৱ শিশু নিকেতনত কেৰিয়াৰ কাউন্সিলিঙৰ আলোচনাচক্ৰ



**তামাৰহাট, ৩ জুন ঃ** ধুবুৰী জিলাৰ গোলকগড়স্থিত চিলাৰায় মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সিলিং কোষ আৰু মেনেজমেণ্ট বিভাগে গোলকগড় আৰু ছত্ৰশাল শংকৰদেৱ শিশু নিকেতনৰ সহযোগত জিলাখনৰ ছত্ৰশাল, কালডোবা, ঢেপঢেপী আৰু কাচখানা শংকৰদেৱ শিশু নিকেতনত কেৰিয়াৰ কাউন্সিলিঙৰ ওপৰত এলানি আলোচনাচক্ৰ অনুষ্ঠিত কৰাৰ বাবে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। উক্ত সিদ্ধান্ত মৰ্মে কালি জিলাখনৰ অন্তৰ্গত ভাৰত-বাংলাদেশ সীমান্তৰ ছত্ৰশাল শংকৰদেৱ শিশু নিকেতনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু আচাৰ্য-আচাৰ্যাসকলক লৈ কেৰিয়াৰ কাউন্সিলিঙৰ ওপৰত এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। শতাধিক ছাত্ৰ-ছাত্ৰী তথা ভালেসংখ্যক অভিভাৱক আৰু আচাৰ্য-আচাৰ্যা উপস্থিত থকা উক্ত আলোচনাচক্ৰখনত বিভিন্ন ধৰণৰ কেৰিয়াৰৰ ওপৰত আলোচনা আগবঢ়ায় সমল ব্যক্তি তথা চিলাৰায় মহাবিদ্যালয়ৰ ১৩ পৃষ্ঠাত চাওক

## বৰহোলাৰ খেৰেমা কছাৰী প্ৰাথমিক বিদ্যালয়ত সম্পন্ন গুণোৎসৱ

বিশেষ সংবাদদাতা

**নগাবাট, ৩ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বৰহোলাৰ খেৰেমা কছাৰী প্ৰাথমিক বিদ্যালয়তো বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয় গুণোৎসৱ। গুণোৎসৱ উপলক্ষে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আজি ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হয়। পুৱাতে বিদ্যালয়খনত মূল্যায়নকৰূপে উপস্থিত থাকে নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ প্ৰৱক্তা নিৰ্মলজ্যোতি কোঁৱৰ। ১৩ পৃষ্ঠাত চাওক



## মাজুলী মহাবিদ্যালয়ৰ পকী দেৱালৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৩ জুন ঃ** মাজুলীৰ উচ্চ শিক্ষাৰ প্ৰথমখন অনুষ্ঠান মাজুলী মহাবিদ্যালয়ৰ চৌহদত মিচিং স্বায়ত্তশাসিত পৰিষদৰ পুঁজিৰে নিৰ্মাণ হ'লগীয়া পকী দেৱালৰ আজি আধাৰশিলা স্থাপন কৰা হয়। মহাবিদ্যালয়ৰ উত্তৰ সীমাৰ সম্পূৰ্ণ অংশ সামৰি ২৭.৪৮ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া পকী দেৱালৰ কামৰ আৰম্ভণিৰ উদ্দেশ্যে আয়োজিত মাংগলিক অনুষ্ঠানত পকী দেৱালৰ নিৰ্মাণকৰ্মৰ আধাৰশিলা স্থাপন কৰে মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়াই। অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই মাজুলী মহাবিদ্যালয়ৰ দীৰ্ঘদিনীয়া এটি অভাৱ পূৰণ কৰি শিক্ষানুষ্ঠানখনৰ বৌদ্ধিক যাত্ৰাৰ অংশীদাৰ ১৩ পৃষ্ঠাত চাওক



## পাচলি বাগিচাও হ'ব পাৰে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান অন্বেষণৰ সঁজুলি

■ বিদ্যালয়সমূহক গাঁও অঞ্চলৰ স্বাভিমান কৰি ৰাখক

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৩ জুন ঃ** 'এটা ভাল বিল্ডিং, ইউনিফৰ্ম পিন্ধি বিদ্যালয়লৈ গ'লেই প্ৰকৃত শিক্ষা আহৰণ কৰিব নোৱাৰে। ল'ৰা-ছোৱালীক মেধাসম্পন্ন কৰিব লাগিলে পিতৃ-মাতৃ অথবা অভিভাৱকে সম্পূৰ্ণ গুৰুত্ব দিব লাগিব। নহ'লে ল'ৰা-ছোৱালীৰ পৰা ভাল আশা নকৰাই ভাল।' আজি তৃতীয় পৰ্যায়ৰ গুণোৎসৱত মূল্যায়ক হিচাপে অংশ গ্ৰহণ কৰি এই বক্তব্য আগবঢ়ায় বিশিষ্ট সাংস্কৃতিক কৰ্মী তথা বৰভাগ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° চন্দন কলিতাই। উল্লেখ্য যে আজি জিলাখনৰ ঐতিহাসিক ৰাইৎকুছি লোকপ্ৰিয় বৰদলৈ মজলীয়া বিদ্যালয়ত বহিঃমূল্যায়নৰ মূল্যায়ক হিচাপে উপস্থিত ১৩ পৃষ্ঠাত চাওক



## ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ নিবাসৰ সোণালী জয়ন্তী অনুষ্ঠানৰ কাৰ্যনিৰ্বাহক সভা

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৩ জুন ঃ** উজনি অসম তথা ৰাজ্যখনৰ অন্যতম আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ চৌহদত ১৯৭১ৰ ১৫ আগষ্টত প্ৰতিষ্ঠা হোৱা পদ্মনাথ গোহাঞিঁ বৰুৱা ছাত্ৰ নিবাস পূৰ্বৰ নৱ ছাত্ৰ নিৱাসে সোণালী জয়ন্তী বৰ্ষ ২০২১তে উপনীত হ'ল যদিও কৰ'নাকালীন পৰিস্থিতিৰ বাবে সামৰণি অনুষ্ঠান অহা ছেপ্টেম্বৰৰ মাজভাগত উদ্‌যাপনৰ বাবে পৰিকল্পনা কৰা হৈছে। সামৰণি অনুষ্ঠানৰ সন্দৰ্ভত ছাত্ৰ নিৱাসটিৰ প্ৰাক্তন আৱাসী তথা বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° গোপাল হাজৰিকাৰ সভাপতিত্বত এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। বিভিন্ন কাৰ্যসূচীৰে তিনিদিনীয়াকৈ উদ্‌যাপনৰ পৰিকল্পনা কৰা সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি চলিত মাহৰ শেহৰ ফালে পি এন জি বি প্ৰাক্তন আৱাসীসকলৰ মাজত কুইজ আৰু জুলাইত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে সামৰি উজনি অসমৰ নখন জিলাত হাইস্কুলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে একোটাকৈ ১০দিনীয়া শৈক্ষিক কৰ্মশালা আয়োজন পৰিকল্পনাৰ সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক তথা প্ৰাক্তন আৱাসী ড° জিতেন হাজৰিকা, শৈক্ষিক পঞ্জীয়ক তথা ছাত্ৰ নিৱাসটিৰ প্ৰাক্তন আৱাসী ড° বিনোদ চন্দ্ৰ বৰা, যুটীয়া পঞ্জীয়ক ড° পৰমানন্দ সোণোৱাল, সহকাৰী পঞ্জীয়ক ৰোহিনী বুঢ়াগোহাঁই, নেতৃত্ব বিভাগৰ সংগ্ৰহালয়ৰ সঞ্চালক ড° তাৰানাথ দুৱৰা প্ৰমুখ্যে ছাত্ৰ নিৱাসটিৰ বৰ্তমানৰ আৰু প্ৰাক্তন বহুসংখ্যক আৱাসী উপস্থিত থকা এই সভাখনৰ জৰিয়তে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পদ্মনাথ গোহাঞিঁ বৰুৱা ছাত্ৰ নিৱাসৰ প্ৰতিজন প্ৰাক্তন আৱাসীৰে সক্ৰিয় সহযোগিতা, দিহা-পৰামৰ্শ আৰু উপস্থিতি কামনা কৰা লগতে উপস্থিত থাকিবলৈ উদ্‌যাপন সমিতিয়ে অনুৰোধ জনাইছে।

## মিচিং কথাছবি ‘বোম্বা’ ৰাইড’ৰ সাফল্য

*১২ পৃষ্ঠাৰ পৰা* বহুকেইজন অভিনেতা-অভিনেত্ৰী আৰু কলা-কুশলীৰ সমাৰেশ ঘটিছে। উল্লেখ্য যে কে’বাখনো অসমীয়া ছবিত অভিনয় কৰি সমাদৰ লাভ কৰা বিনোদ লাল দাসে এটি বিশেষ চৰিত্ৰত অভিনয় কৰিছে ‘বোম্বা ৰাইডত’। ছবিখনৰ বিশেষ সফলতাত চলচ্চিত্ৰ প্ৰেমীসকলে ছবিখনৰ পৰিচালক, অভিনেতা-অভিনেত্ৰী তথা কলা-কুশলীসকললৈ অভিনন্দন জনাইছে। উল্লেখ্য যে ছবিখন ইতিপূৰ্বে ৫২ সংখ্যক (ভাৰত) আন্তঃৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেল, ২৬ সংখ্যক ফিল্ম ফেষ্টিভেল, কেৰেলা, ২৭ সংখ্যক কলকাতা আন্তঃৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেল, ২০ সংখ্যক ঢাকা আন্তঃৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেল, ২০ সংখ্যক পুনে আন্তঃৰাষ্ট্ৰীয় ফিল্ম ফেষ্টিভেল, নিউ ইয়ৰ্ক ইণ্ডিয়ান ফিল্ম ফেষ্টিভেল আদিত প্ৰদৰ্শিত হৈ সমাদৃত হৈছে।

## বৰহোলাৰ খেৰেমা কছাৰী প্ৰাথমিক

*১২ পৃষ্ঠাৰ পৰা* কণ কণ ছাত্ৰ-ছাত্ৰীসকলে ফুলৰ থোপাৰে আদৰণি জনায়। ইয়াৰ পাছতে বিদ্যালয়খনৰ প্ৰাতঃসভা অনুষ্ঠিত হয়। গুণোৎসৱৰ কাৰ্যসূচী হিচাপে বিদ্যালয়খনৰ প্ৰাচীৰ পত্ৰিকা ‘কুঁহিপাত’ উন্মোচন কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী শান্তি বৰাই আঁত ধৰা আটাইকেইটা অনুষ্ঠানত স্থানীয় যুৱ কৰ্মী দেৱজিৎ সোণোৱাল, অৱসৰপ্ৰাপ্ত শিক্ষক ৰামেশ্বৰ সোণোৱাল, গাঁওবুঢ়া বিনোদ সোণোৱাল আদিৰ লগতে অন্যান্য শিক্ষক-শিক্ষয়িত্ৰী-কৰ্মচাৰী আৰু বহুসংখ্যক স্থানীয় অভিভাৱক-অভিভাৱিকাই অংশগ্ৰহণ কৰে। বিদ্যালয়খনৰ পৰিৱেশ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভাক প্ৰশংসা কৰে মূল্যায়ক তথা প্ৰৱক্তা কোঁৱৰে।

## মাজুলী মহাবিদ্যালয়ৰ পকী দেৱালৰ

*১২ পৃষ্ঠাৰ পৰা* মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পৰমানন্দ চায়েঙীয়া প্ৰমুখ্যে সকলোকে ধন্যবাদ জনায়। অধ্যাপক তুলসী ৰাজখোৱাই আঁত ধৰা পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়া, শৈক্ষিক সমন্বয়ক অৰনী কুমাৰ দত্ত, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ ৩১ নম্বৰ ফুলনি-জকাইবোৰা সমষ্টিৰ সাধাৰণ সদস্য ত্ৰৈলোক্য পামেগাণ, অধ্যাপক অজয় প্ৰসাদ সিংহ, অজিত কুমাৰ শইকীয়া, ড° ব্ৰজেন চন্দ্ৰ নেওগ, বিপুল ৰাজখোৱা, প্ৰশান্ত শইকীয়া ড° ৰূপজ্যোতি বৰা, কৰ্মচাৰী গোটৰ সভাপতি গোবিন বৰুৱা, মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ উমা শংকৰ গাম প্ৰমুখ্যে বিশিষ্ট ব্যক্তি তথা শিক্ষাৰ্থীসকল উপস্থিত থাকে। উল্লেখ্য যে মাজুলীৰ উচ্চ শিক্ষাৰ বাটকটীয়া অনুষ্ঠানৰ উত্তৰণত সহযোগিতা আগবঢ়োৱাৰ বাবে মিচিং স্বায়ত্তশাসিত পৰিষদক স্থানীয় ৰাইজে কৃতজ্ঞতা জনাইছে।

## ডিব্ৰুগড়ত চৰকাৰী কৰ্মচাৰীৰ মাজত

*১২ পৃষ্ঠাৰ পৰা* আনহাতে, ইতিমধ্যে এই ৰোগটোৱে অত্যন্ত বিপজ্জনকভাৱে বাহ লৈছে পাঁচ শতাংশ লোকৰ শৰীৰত। তেওঁলোকক প্ৰত্যেক মাহতে চিকিৎসকৰ ওচৰলৈ গৈ নিয়মীয়াকৈ পৰীক্ষা কৰাৰ বাবে পৰামৰ্শ দিয়া হৈছে। মুখৰ ভিতৰত হোৱা ঘাত কিবা পৰিৱৰ্তন হৈছে নেকি সেয়া লক্ষ্য কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। ডাঃ হাকিমৰ মতে কৰ্মৰত অৱস্থাত বহু চৰকাৰী কৰ্মচাৰীয়ে নিতৌ ধপাত সেৱনৰ ফলত তেওঁলোকৰ মুখগহ্বৰত কেঞ্চাৰে থিতাপি ল’বলৈ আৰম্ভ কৰিছে। একাংশই গধূলিৰ সময়ত মাদক দ্ৰব্য সেৱনৰ ফলশ্ৰুতিত মুখগহ্বৰ কেঞ্চাৰ অধিক হাৰত বৃদ্ধি পাইছে। শিবিৰত অংশ লোৱা আন একাংশৰ শৰীৰত গুটখা, তামোল-পাণৰ লগত ধপাত সেৱনৰ ফলতো এই ৰোগে শৰীৰত বাহ ল’বলৈ আৰম্ভ কৰিছে বুলি অৱগত কৰি ডাঃ হাকিমে এইসকলৰ মাজত সজাগতা শিবিৰ অনুষ্ঠিত কৰাৰ বাবে আহ্বান জনাইছে। দুয়োদিনৰ শিবিৰত ডিব্ৰুগড়ৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ, আইএমএৰ ডিব্ৰুগড়ৰ সম্পাদক ডাঃ বেদান্ত ভূএগ্ৰা, প্ৰতিশ্ৰুতিৰ অবৈতনিক সঞ্চালক তথা এএমচিএইছৰ পেথ’লজী বিভাগৰ সহযোগী অধ্যাপক ডাঃ গায়ত্ৰী গগৈ, উপসভানেত্ৰী দিপালী শইকীয়া, সম্পাদিকা পান্না ভৰালী, যুটীয়া সম্পাদক ৰতন হাজৰিকা, ৰাজিব বিন কুটুব, সদস্যা অস্মিতা কলিতা, মৌচুমী গগৈকে ধৰি ‘প্ৰতিশ্ৰুতি’ৰ বিষয়ববীয়া আৰু সদস্য-সদস্যা, স্বেচ্ছাসেৱকসকল উপস্থিত থাকে।

## ছত্ৰশাল শংকৰদেৱ শিশু নিকেতনত

*১২ পৃষ্ঠাৰ পৰা* কাউন্সিলিং কোষ আৰু মেনেজমেন্ট বিভাগৰ মুৰব্বী অধ্যাপক পিনাকী ৰায়ে। নিবনুৱা সমস্যা দূৰীকৰণৰ ক্ষেত্ৰত বৃত্তিমূলক শিক্ষাৰ উপকাৰিতা আৰু কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষানীতি ২০২০ৰ ভোকেছনেল শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ কথাও মুৰব্বী অধ্যাপকজনে আলোচনা কৰে। আলোচনাচক্ৰখনত গোলকগড় শংকৰদেৱ বিদ্যা নিকেতনৰ সভাপতি আৰু সম্পাদক ক্ৰমে প্ৰেমসুখ শেঠীয়া আৰু প্ৰমেশ কান্তি ৰায় আৰু ছত্ৰশাল শংকৰদেৱ শিশু নিকেতনৰ পৰিচালনা সমিতিৰ সভাপতি বাবুল ৰায়ে কেৰিয়াৰ কাউন্সিলিঙৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭০ শতাংশ বা ততোধিক নম্বৰপ্ৰাপ্ত শিক্ষাৰ্থীসকলক গোলকগড় শংকৰদেৱ বিদ্যা নিকেতনৰ একাদশ শ্ৰেণীত বিনামূলীয়াকৈ নাম ভৰ্তি কৰা হ’ব বুলি নিকেতনখনৰ প্ৰধান আচাৰ্য হিতেশ ভকতে সভাৰ উদ্দেশ্য কৰাৰ লগতে এই বিষয়ে ঘোষণা কৰে। উল্লেখ্য যে আজি কাচখানা শংকৰদেৱ শিশু নিকেতনত কাইলৈ কালডোবা শংকৰদেৱ শিশু নিকেতনত আৰু পাঁচ জুনৰ দিনা ঢেপঢেপী শংকৰদেৱ শিশু নিকেতনত কেৰিয়াৰ কাউন্সিলিঙৰ ওপৰত আলোচনাচক্ৰ অনুষ্ঠিত হ’ব বুলি মুৰব্বী অধ্যাপক ৰায়ে জানিবলৈ দিয়ে।

## পাচলি বাগিচাও হ’ব পাৰে ছাত্ৰ-ছাত্ৰীৰ

*১২ পৃষ্ঠাৰ পৰা* থাকি বিয়লি ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু ৰাইজৰ স’তে অনুষ্ঠিত মত বিনিময় কৰি তেওঁ পুনৰ কয় যে ছাত্ৰ-ছাত্ৰীৰ পৰা আমি ভাল আশা কৰি লাভ নাই যদিহে ছাত্ৰ-ছাত্ৰীক পিতৃ-মাতৃয়ে সময় দিব নোৱাৰে। তেওঁ আৰু কয় যে অনুষ্ঠান হ’ল গাঁওসমূহৰ স্মাৰক। এই স্মাৰকে গাঁওসমূহৰ স্বাভিমান। এই স্বাভিমানৰ প্ৰতীক বিদ্যালয়সমূহ যাতে বন্ধ নহয় তাৰ ওপৰত নজৰ ৰাখিবলৈ আহ্বান জনায়। সহকাৰী শিক্ষক কিশোৰ কুমাৰ কলিতাই আঁত ধৰা মত বিনিময় অনুষ্ঠানত তেওঁ পুনৰ কয় যে ভাল নম্বৰ পালেই ছাত্ৰ-ছাত্ৰীসকল মেধাৱী হ’ব নোৱাৰে। ভাল ছাত্ৰ-ছাত্ৰী সেইসকলক কোৱা হয় যি ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিটো বিষয়ৰ জ্ঞান পুংখানুপুংখভাৱে অন্বেষণ কৰিব পাৰে। উল্লেখ্য যে অধ্যাপকজনে বিদ্যালয়খনৰ পাচলি বাগিচাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী খাদ্যৰ লগতে কৃষি জ্ঞানো লাভ কৰিবলৈ সক্ষম হৈছে বুলি কয়। পাচলি বাগিচাত ৰোপণ কৰা বাৰিষা শস্যৰ ভিতৰত জিকা, ভাত কেৰেলা, তিঁয়হ, লেতেৰা, পুলি শাক, তিতা কেৰেলা আদি শস্যৰ বাগিচা দেখি বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীসকলক প্ৰশংসা কৰে। তদুপৰি পাচিল বাগিচাত ৰোপণ কৰা শস্যৰ অসমীয়া নাম, ইংৰাজী নাম আৰু বৈজ্ঞানিক নামসমূহৰ ফলকৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ শস্যৰ ওপৰত জ্ঞান বুদ্ধি কৰাৰ অৰিহণা যোগাবলৈ সক্ষম হ’ব বুলি কয়। তেওঁ শিক্ষক-শিক্ষয়িত্ৰীসকলক এই বাগিচা শিকন, সঁজুলি হিচাপে ব্যৱহাৰ কৰাৰ বাবে আহ্বান জনায়। মত বিনিময় অনুষ্ঠানত তেওঁ চৰকাৰী বিদ্যালয়ৰ প্ৰতি মাজতে কিছু অনীহা আহিছিল যদিও বৰ্তমান সময়ত চৰকাৰী শিক্ষানুষ্ঠানৰ প্ৰতি ৰাইজৰ আস্থা ঘূৰি আহিছে বুলি কয়। অনুষ্ঠানত তেওঁ সকলোকে ঐতিহাসিক বিদ্যালয়খনৰ মান-মৰ্যাদা ৰক্ষা কৰিবলৈ অহোপুৰুষাৰ্থ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে ১৯৫০ত চৰকাৰীকৰণ হোৱা বিদ্যালয়খন অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈৰ নামেৰে নামকৰণ কৰা হৈছিল। গুণোৎসৱৰ চলি থকাৰ সময়তে জিলা সমগ্ৰ শিক্ষা অভিযানৰ পৰিকল্পনা বিষয়া আশ্ৰফ আলী, পূব নলবাৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ সহকাৰী পৰিদৰ্শক পুলক ঠাকুৰীয়াৰ লগতে দ্বীজেন তামুলীয়ে বিদ্যালয়খন পৰিদৰ্শন কৰাৰ উপৰি পাচলি বাগিচাৰ ফল দেখি শলাগ লয়।

## কৃষ্ণাইৰ হিতেশ ৰংদুঙলৈ শিল্পী সৌৰভ

*১২ পৃষ্ঠাৰ পৰা* ভিডিপিৰ সভাপতি, সদৌ ৰাভা শিল্পী সমাজৰ বিত্ত সম্পাদকৰ দায়িত্ব বহন কৰাৰ উপৰি নিজ অঞ্চলৰ প্ৰতিটো অনুষ্ঠানৰ স’তে ওতঃপ্ৰোতভাৱে জড়িত । জীৱনৰ মাত্ৰ ৪৭ টা বসন্ত পাৰ কৰা ৰংদুঙে অতি কম দিনৰ ভিতৰতে সংস্কৃতিৰ পথাৰখনতো খোপনি পুতিবলৈ সক্ষম হৈছে । তেওঁ বিশেষকৈ ৰাভা, গাৰো, হাজং, কোচ আদিকে ধৰি বিভিন্ন ভাষাত গান লিখি, সুৰ কৰি সেইবোৰ গান প্ৰতিষ্ঠিত গায়ক-গায়িকাৰ কণ্ঠত ৰেকৰ্ডিং কৰি নৃত্য গীতৰ ভিডিঅ’ প্ৰস্তুত কৰি সুনাম অৰ্জন কৰিছে। ইতিমধ্যে ‘অ’ মইনা ৰাভা, টেঙা বিলৰ পাৰতে পাতিৰাভা, জাখিলী পাতিৰাভা, পাজাৰ ৰাভা, উ লু লু পাতিৰাভা, নিকনাচকা গাৰো আদিকে ধৰি ৩৩ টাতকৈও অধিক গীত নৃত্যৰ ভিডিঅ’ প্ৰস্তুত কৰি সাংস্কৃতিক জগতত পৰিচিত হৈছে হিতেশ ৰংদুং। ইউ চি প্ৰডাকচনৰ বেনাৰত ৰাভা, গাৰো, নেপালী, হাজং, কোচ, অসমীয়া আদি ভাষাত নৃত্য-গীতৰ ভিডিঅ’ প্ৰস্তুত কৰা হিতেশ ৰংদুঙে খাৰদাঙত ইউ চি একাডেমী নামৰ এখন নৃত্য শিক্ষাৰ প্ৰতিষ্ঠানো চলাই আছে। উল্লেখ্য যে ‘চকুধোৱা’ নামৰ ভিডিঅ’ এলবামটোত নিজে অভিনয় কৰা হিতেশ ৰংদুঙে শেহতীয়াভাৱে নিজা কণ্ঠেৰে বাণীবদ্ধ কৰা গান ৰাইজক উপহাৰ দিবলৈও সাজু হৈছে। এয়া তেওঁৰ গুণমুগ্ধসকলৰ বাবে নিশ্চয় সুখৰ বাৰ্তা। জীৱন বীমাৰ এজেন্ট ৰূপে কৰ্মৰত পত্নী মামণি ৰাভা আৰু দুটি ল’ৰা-ছোৱালীৰে এখন সুখৰ সংসাৰৰ গৰাকী হিতেশ ৰংদুঙক চলিত বৰ্ষত জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ, অসমে ২০২১-২২ৰ বাবে শিল্পী সৌৰভ বঁটাৰে সন্মানিত কৰা কাৰ্যই উৎফুল্লিত কৰি তুলিছে ৰংদুঙক । এক চমু সাক্ষাৎকাৰত ৰংদুঙে নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বঁটা বাহনৰ বাবে তেওঁ শিল্প সাধনা কৰা নাই যদিও এনে অনাকাংক্ষিত স্বীকৃতিয়ে নিশ্চয় ভৱিষ্যতে আৰু উৎকৃষ্টতম সৃষ্টিৰ বাবে প্ৰেৰণা যোগায় ।

## অধ্যয়নবিমুখিতাৰ বিপৰীতে গ্ৰন্থ

*১২ পৃষ্ঠাৰ পৰা* আন্দোলনৰ সময়ত নিৰোদ চাংকাকতিৰ দৰে লোকৰ এনে কাৰ্যই নিশ্চয় গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলিও তেওঁ লগতে উল্লেখ কৰে। নিজ ভাষণত বিশিষ্ট শিক্ষাবিদজনে তাৎপৰ্যপূৰ্ণভাৱে কয়, ‘আজিৰ সমাজত মহাবিদ্যালয়ত চাকৰি কৰা অধ্যাপক-অধ্যাপিকা, শিক্ষক-শিক্ষায়িত্ৰীয়ে দৰমহাৰ ধনেৰে ইখনৰ পাছত সিখন বাহন ক্ৰয় কৰিব পাৰে যদিও এখন বাতৰি কাকত ক্ৰয় নকৰে। অধ্যাপক-অধ্যাপিকাসকলে ঘৰতেই সৰু সৰু হ’লেও গ্ৰন্থাগাৰ এটি গঢ় দিব লাগে।’ দাতা নিৰোদ চাংকাকতিয়ে সাৰুৱা বক্তব্য প্ৰদান কৰি নতুন প্ৰজন্মক গ্ৰন্থ অধ্যয়নৰ প্ৰতি আগ্ৰহী হ’বলৈ আহ্বান জনায়। এনে গ্ৰন্থাগাৰে নতুন প্ৰজন্মক অধ্যয়ন বিমুখ হোৱাৰ বিপৰীতে অধ্যয়নৰ প্ৰতি আগ্ৰহী কৰাত অৰিহণা যোগাব বুলিও তেওঁ লগতে মত প্ৰকাশ কৰে। আনহাতে, মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অঞ্জন শইকীয়াই নিজ বক্তব্যত শিক্ষানুষ্ঠানখনক ৰাইজৰ সহযোগেৰে আগবঢ়াই নিয়াৰ পোষকতা কৰে। মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপকদ্বয় ৰঞ্জু কুমাৰ ভৰালী আৰু ড° দ্বীপেন নাথে আঁতধৰা এই অনুষ্ঠানতে দাতা নিৰোদ চাংকাকতিক গামোচা, সম্বৰ্ধনাপত্ৰ, স্মাৰকপত্ৰ, মহাবিদ্যালয়ৰ ছাত্ৰ সুনীল পায়েঙে অংকন কৰা নিৰোদ চাংকাকতিৰ এখন প্ৰতিকৃতি আদিৰে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে মহাবিদ্যালয়ৰ মোহন চন্দ্ৰ মহন্ত অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰৰ অধীনস্থ স্থাপন হোৱা এই ৰাজহুৱা গ্ৰন্থাগাৰ পৰিচালনাৰ বাবে এখন কাৰ্যকৰী সমিতি গঠন কৰি দায়িত্ব অৰ্পণ কৰা হয়। এই অনুষ্ঠানতে চিনামৰা মহাবিদ্যালয়ৰ বাৰ্তালোচনী ‘বিশ্বমুখী যুগবাৰ্তা’ সমূহীয়াভাৱে উন্মোচন কৰা হয়। ইফালে, প্ৰতিষ্ঠা দিৱস উপলক্ষে কৰঙাৰ শ্ৰীশ্ৰীকাথবাপু সত্ৰৰ সত্ৰাধিকাৰ, অধ্যাপক প্ৰভাত চন্দ্ৰ মহন্তৰ পৰিচালনাত নাম প্ৰসংগও অনুষ্ঠিত হয়। এই প্ৰতিষ্ঠা দিৱসতে যোৰহাট সকাই খণ্ডীয়াৰ কৃতী শিক্ষক মানিক চন্দ্ৰ বৰাই মহাবিদ্যালয়ৰ সংগ্ৰহালয়লৈ ১৯৭৮ত এখন ৰাজদূত মটৰ চাইকেল প্ৰদান কৰে। আনহাতে, প্ৰতিষ্ঠা দিৱসৰ দিনাই মহাবিদ্যালয়ৰ স্কাউট এণ্ড গাইড ব্যৱস্থাৰো আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি, গ্ৰীণ থিংকাৰ্ছ গোট আৰু ইক’ ক্লাবৰ উদ্যোগত অনুষ্ঠিত বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰে জ্যেষ্ঠ অধ্যাপক পদ্মেশ্বৰ কাটনি, প্ৰাক্তন ছাত্ৰ লৱ কুমাৰ দত্ত আৰু অৱসৰপ্ৰাপ্ত কৰ্মচাৰী নিপুল শইকীয়াই। সন্ধিয়ালৈ ৩২ গছি বন্তি প্ৰজ্বলন কৰাৰ অন্তত নিশালৈ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰা ‘পাৰিজাত হৰণ- নৰকাসুৰ বধ’ শীৰ্ষক ভাওনাই উপস্থিত সহস্ৰাধিক ৰাইজৰ মন মুহিবলৈ সক্ষম হয়।

# শিক্ষকৰ পত্নীক ৰান্ধনী বুলি কোৱাৰ বাবে হতাহতি

### প্ৰধান শিক্ষকে নাজানে শিক্ষামন্ত্ৰীৰ নাম



**কলগাছিয়া, ৩ জুন ঃ** বৰপেটা জিলাৰ ৰূপসী শিক্ষাখণ্ডৰ অন্তৰ্গত লাচাংগা প্ৰি-ছিনিয়ৰ মাদ্ৰাছাত সংঘটিত কৰ্ম-কাণ্ডই হতভম্ব কৰিছে সচেতন মহলক। ৰান্ধনীয়ে মাদ্ৰাছাখনৰ বিজ্ঞান শিক্ষক দিলদাৰ ৰেজ্জাৰ পত্নীক ৰান্ধনী বুলি কোৱাৰ অভিযোগত বিদ্যালয় চৰি থকাৰ সময়তে ৰান্ধনী আৰু বিজ্ঞান শিক্ষকৰ পত্নীৰ মাজত হতাহতিৰ ঘটনা সংঘটিত হয়। ইফালে, ঘটনাস্থলীত উপস্থিত হৈ অন কেমেৰাত বিজ্ঞান শিক্ষকজনে ৰান্ধনীক ধমকি দিয়ে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ ইউনিফৰ্ম দিয়াৰ ক্ষেত্ৰতো ব্যাপক দুৰ্নীতিৰ অভিযোগ উঠিছে প্ৰধান শিক্ষক আব্দুছ ছামাদৰ বিৰুদ্ধে। সাংবাদিকে কলগাছিয়াৰ লাচাংগা প্ৰি ছিনিয়ৰ মাদ্ৰাছাৰ প্ৰধান শিক্ষক ছামাদক অসমৰ শিক্ষামন্ত্ৰীৰ নাম কি বুলি প্ৰশ্ন কৰাত পীযুষ হাজৰিকা বুলি উত্তৰ দিয়ে। এতিয়া ৰাইজৰ মাজত প্ৰশ্ন উত্থাপন হৈছে যে যিজন প্ৰধান শিক্ষকে শিক্ষামন্ত্ৰ ডাঃ ৰণোজ পেগুৰ নাম নাজানে তেনেক্ষেত্ৰত এজন শিক্ষকে ছাত্ৰ-ছাত্ৰীক কি জ্ঞান দিব পাৰিব? বিদ্যালয়খনৰ ছাত্ৰই গুণোৎসৱৰ মূল্যায়নৰ বহী পুখুৰীত পেলাই দিয়াৰো অভিযোগ উঠিছে। বিদ্যালয়খনৰ প্ৰধান ছামাদকে ধৰি কে’বাগৰাকী শিক্ষকৰ অনিয়মীয়া উপস্থিতিৰ অভিযোগ দীৰ্ঘদিনীয়া। বিদ্যালয় চলি থকৰা সময়তে ৰান্ধনী, শিক্ষকৰ পত্নীৰ স’তে হতাহতি আৰু পাঠদান বাদ যদি শিক্ষকে কাজিয়াত ভাগ লোৱা শিক্ষকৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে কি শিক্ষা ল’ব তাক লৈ চিন্তাৰ কাৰণ হৈ পৰিছে সচেতন মহলত। একাংশ ৰাইজৰ মতে বৰপেটা শিক্ষা বিভাগৰ লগতে ৰূপসী শিক্ষাখণ্ডৰ খণ্ড শিক্ষা বিষয়াৰ সোপাঢিলা নীতিৰ বাবেই একাংশ কৰ্ম ফাকিৰে চৰকাৰৰ দৰমহা ভোগ কৰি অহা শিক্ষকসকলে চল চাই কঠীয়া পাৰি আহিছে বুলি ৰাইজৰ মাজত চৰ্চা চলিছে।

## ৰঙাপৰাত চাহ জনজাতি ছাত্ৰ সন্থাৰ উপ-সমিতি গঠন

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ৩ জুন ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছাৰ ৰঙাপৰা উপ-শাখাৰ পহিলা জুন ৰঙাপৰা নগৰস্থিত বৰজুলি শ্ৰমিক কল্যাণ কেন্দ্ৰৰ প্ৰেক্ষাগৃহত এখন প্ৰতিনিধি সভা অনুষ্ঠিত হয়। আটছাৰ তেজপুৰ শাখাৰ উদ্যোগত অনুষ্ঠিত সভাত দুই বছৰীয়া কাৰ্যকালৰ বাবে পূৰ্ণ পৰ্যায়ৰ ৰঙাপৰা উপ-শাখা সমিতিখন গঠন কৰা হয়। সভাত পৰ্যবেক্ষকৰূপে তেজপুৰ শাখাৰ শংকৰ তাঁতী, ভাৰত কুৰ্মী আৰু দিলীপ কুমাৰৰ লগতে অন্যান্য সদস্যৰ উপস্থিতিত প্ৰতিনিধি সভাই আগন্তুক কাৰ্যকালৰ বাবে অখিল যোছেফ তিৰ্কীক সভাপতি, উপ-সভাপতি পদত ৰাজু তাঁতী, অজয় গুচাই, ভীমা মহানন্দীয়, সাধাৰণ সম্পাদক পদত শংকৰ তাঁতী, সহকাৰী সম্পাদক পদত ৰুবান খোদাল, ধীৰাজ কুৰ্মী, ৰাহুল তাঁতী, সাংগঠনিক সম্পাদক পদত হৰিমোহন নায়ক, শান্তনু তাঁতী, ধৰমনাথ চাচনী, জপেন নাগক লৈ মুঠ ২৭জনীয়া কাৰ্যকৰী সদস্যৰে সমিতি গঠন কৰে।

## ফৰকাটিং কলেজত সমৰকলা প্ৰশিক্ষণ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৩ জুন ঃ** গোলাঘাটৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ফৰকাটিং কলেজত এক সমৰকলাৰ প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ আগবঢ়াই মুখ্য প্ৰশিক্ষক জিতেন বৰাই আৰু সহযোগী প্ৰশিক্ষকৰূপে প্ৰশিক্ষণ আগবঢ়ায় মনাভা বেজবৰুৱা, চয়নিকা দত্ত আৰু গৰিমা গগৈয়ে। প্ৰশিক্ষকসকলে জনোৱা মতে, উক্ত প্ৰশিক্ষণ শিৱিৰত শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

## বগুলামাৰীত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন



**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ৩ জুন ঃ** চিৰাং জিলাৰ সীমান্তৱৰ্তী তথা বঙাইগাঁও জিলাৰ অন্তৰ্গত ১১৮ নম্বৰ বগুলামাৰী আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা আজি স্থাপন কৰা হয়। তিলকগাঁও গাঁও পঞ্চায়তৰ অন্তৰ্গত অংগনৱাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে বিধানসভা ভিত্তিত আধাৰশিলা স্থাপন সমিতিৰ সভাপতি অনিল সিংহই। অনুষ্ঠানত ডাংতল ব্লকৰ এই মনিৰুল আজম, বিধানসভা ভিত্তিত নিৰ্মাণ সমিতিৰ সদস্য শশী ভূষণ মেধি, তিলকগাঁও গাঁও পঞ্চায়তৰ সভাপতি মনোজ কুমাৰ বৰ্মন, অংগনৱাড়ী কেন্দ্ৰ পৰিচালনা সমিতিৰ সভানেত্ৰী যুতিকা বৰ্মন, অংগনৱাড়ী কৰ্মী বাবলী বৰ্মন, সহায়িকা গংগাময়ী বৰ্মন, ৫০৩ নম্বৰ বগুলামাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক গোপাল চন্দ্ৰ দাস, সহকাৰী শিক্ষক অৰুণ কুমাৰ গোস্বামীৰ উপৰি স্থানীয় বিশিষ্ট ব্যক্তি, মহিলা আৰু বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## বামুণপুখুৰী বিদ্যালয়ত শিক্ষাদান কৰি নষ্টালজিক আৰক্ষী বিষয়া নিতুল গগৈ



**অগ্ৰদূত বাৰ্তা**


**লাহদৈগড়, ৩ জুন ঃ** তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ যোৰহাট জিলাৰ বিভিন্ন বিদ্যালয়ত উলহ-মালহেৰে অনুষ্ঠিত হয়। গুণোৎসৱৰ আজিৰ কাৰ্যসূচীত বামুণপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত থাকে অসম চৰকাৰৰ উচ্চ পদস্থ আৰক্ষী বিষয়া নিতুল গগৈ। সুদীৰ্ঘ ৪০ টা বছৰৰ মূৰত বামুণপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ প্ৰশাসনিক বিষয়াজন স্কুলৰ পৰিবেশৰ মাজত অভিভূত হৈ পৰে। গুণোৎসৱৰ পৰিবেশৰ মাজত প্ৰশাসনিক বিষয়াজনে বিদ্যালয়ৰ ছাত্ৰসকলৰ শ্ৰেণীকোঠাত সোমাই শিক্ষাৰ্থীসকলক পাঠদান কৰি শিক্ষাবৃত্তিক উচ্চ প্ৰশংসা কৰাৰ লগতে শিক্ষা দানৰ জৰিয়তে দেশৰ সুনাগৰিক সৃষ্টি কৰা শিক্ষকসকলক শ্ৰদ্ধা জনায়। উল্লেখ্য যে ব্যতিক্ৰমী উপস্থাপনেৰে পুৱা প্ৰাতঃসভা পৰিবেশন কৰা দৃশ্যই সকলোকে আপ্লুত কৰি তোলে। ইপিনে, বামুণপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত নিতুল গগৈৰ লগতে পৰ্যবেক্ষকৰ দায়িত্বত থকা যোৰহাট বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰতিষ্ঠানৰ ৰসায়ন বিভাগৰ অধ্যাপক ভাস্কৰ জ্যোতি শৰ্মা আৰু টীয়ক চন্দ্ৰ কমল বেজবৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক জয়ন্ত পাঠক উপস্থিত থাকে।

## গুৱাহাটী বিমানকোঠত ‘হুইল-চকী’ সেৱা

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৩ জুন ঃ** বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠত দিনক-দিনে বৰ্দ্ধিত যাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি, বিমানকোঠ কৰ্তৃপক্ষই কেতবোৰ সহজতে উপলব্ধ হোৱা সেৱাৰ ব্যৱস্থা কৰিছে। তাৰ ভিতৰত অন্যতম হৈছে প্ৰস্থান কক্ষৰ বাহিৰত এখন ফলকত বিমানকোঠত কাৰ্যৰত সকলো বিমান সেৱাৰ অধীনত থকা ‘হুইল চেয়াৰ’ সেৱাৰ ফোন নম্বৰসমূহ তালিকা আকাৰত প্ৰদৰ্শন কৰা। এতিয়াৰ পৰা যাত্ৰীসকলে প্ৰস্থান কক্ষৰ বাহিৰৰ পৰাই উক্ত নম্বৰসমূহত ফোন কৰি এই সেৱা গ্ৰহণ কৰিব পাৰিব।

## চামগুৰি শংকৰদেৱ শিশু নিকেতনৰ তোৰণ উদ্বোধন



**অগ্ৰদূত বাৰ্তা**

**চামগুৰি, ৩ জুন ঃ** সামাজিক অৱক্ষয় ৰোধ তথা নৱ প্ৰজন্মক সু-নাগৰিক ৰূপে গঢ়ি তোলাৰ মানসিকতাৰে শিশু শিক্ষা সমিতি (অসম)ৰ দ্বাৰা পৰিচালিত নগাঁও জিলাৰ চামগুৰিত স্থাপন কৰা শংকৰদেৱ শিশু নিকেতনৰ আজি মূল তোৰণখন উদ্বোধন কৰা হয়। উল্লেখ্য যে ভেলেউগুৰিত অস্থায়ীভাৱে স্থাপন কৰা বিদ্যালয়খনলৈ পৰৱৰ্তী সময়ত চামগুৰিৰ আউনীআটী খুটাৰকান শাখা সত্ৰৰ নিৰাসী শিক্ষাবিদ তথা বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত খৰ্গেশ্বৰ শইকীয়াই দান দিয়া মাটিত ২০০২ত বিদ্যালয়খন স্থায়ীভাৱে স্থাপন কৰা হৈছিল। বিদ্যালয়খন স্থাপন কৰাৰ পাছত আজি শিক্ষানুষ্ঠানখনৰ মূল তোৰণখন উদ্বোধন কৰে। তোৰণখন উদ্বোধন কৰে প্ৰাক্তন শিক্ষক কৃষ্ণ গোস্বামীয়ে। ইয়াৰ পাছতে শিক্ষানুষ্ঠানখনৰ ভূমিদাতা প্ৰয়াত খৰ্গেশ্বৰ শইকীয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে জিনু বৰুৱা শইকীয়াই। উল্লেখ্য যে তোৰণখনৰ দাঁতা বিদ্যালয়ৰ ভূমিদাতা প্ৰয়াত খৰ্গেশ্বৰ শইকীয়াৰ সহধৰ্মিণী জিনু বৰুৱা শইকীয়াই তোৰণ উদ্বোধন উপলক্ষে অনুষ্ঠিত মুকলি সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক মৃদুল কুমাৰ কলিতাই কয় যে সামাজিক অৱক্ষয় ৰোধৰ চেষ্টাৰে নতুন প্ৰজন্মক দেশৰ সু-নাগৰিকৰূপে গঢ় দিয়াই আমাৰ সপোন। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত সভাত বিশিষ্ট অতিথি প্ৰাক্তন শিক্ষক কৃষ্ণ গোস্বামীয়ে সভাত বিদ্যা ভাৰতীয়ে শিক্ষানুষ্ঠানখন জগত গুৰু মহাপুৰুষ শংকৰদেৱৰ নামাকৰণৰে ৰাখি যথাযথভাৱে ৫৫০ বছৰ পূৰ্বেৰে পৰা যে অসম মুলুকত শিক্ষাৰ পৰিৱেশ আছিল তাকে প্ৰতিষ্ঠা কৰিছে। সভাত আন এগৰাকী বিশিষ্ট অতিথি চামগুৰিস্থিত নগাঁও জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষা ড° ৰীতা দেৱীয়ে কয়, ‘শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ ধৰণ-কৰণ আৰু নিয়মানুৱৰ্তিতা আন বিদ্যালয়তকৈ অলপ সুকীয়া। নতুন শিক্ষানীতি অনুযায়ী অহা বৰ্ষৰ পৰা এই বিদ্যালয়তে একাদশ শ্ৰেণী আৰম্ভ হ’ব, গতিকে অভিভাৱকসকলক অনুৰোধ জনাওঁ।’ সভাত শিক্ষাবিদ যথাক্ৰমে প্ৰদীপ দাস, ৰবীন কলিতা, চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰণৱ গোস্বামী প্ৰমুখ্যে বিদ্যালয়ৰ ভূমিদাতাৰ পৰিয়ালবৰ্গ উপস্থিত থাকে।

## ৰাষ্ট্ৰীয় পৰ্যায়ত মাজুলী কালচাৰেল ফাউণ্ডেছনৰ সাফল্য

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৩ জুন ঃ** প্ৰথমবাৰৰ বাবে মাজুলী কালচাৰেল ফাউণ্ডেছন, মাজুলীৰ তৰফৰ পৰা এটি ২৫ জনীয়া নাট্য দলে পূৰ্বোত্তৰ ৰাষ্ট্ৰীয় নাট সমাৰোহ ২০২২ত অংশগ্ৰহণ কৰি ৰাজস্থানৰ বিকানেৰত নাটক মঞ্চস্থ কৰাৰ সুযোগ লাভ কৰিছে। বিগত সময়ছোৱাত মাজুলী কালচাৰেল ফাউণ্ডেছনে মাজুলীৰ বিভিন্ন প্ৰান্তত বিভিন্ন সাংস্কৃতিক কায্যসূচী ৰূপায়ণ কৰি আহিছে।

লোকসংগীত, আওপুৰণি অসমীয়া গীত আদিৰ যোগেদি নৱ-প্ৰজন্মক ন ন দিশেৰে সমৃদ্ধ কৰি তুলিবলৈ ফাউণ্ডেছনে প্ৰতিবছৰে মাজুলীৰ ভিন ভিন স্থানত সংগীতৰ কৰ্মশালা অনুষ্ঠিত কৰি আহিছে। ইয়াৰ উপৰি শিশুসকলৰ মনস্তত্বৰ বিকাশৰ বাবে সম্পূৰ্ণ থিয়েটাৰী প্ৰক্ৰিয়াৰে মাজুলী কালচাৰেল ফাউণ্ডেছনে প্ৰতিবছৰে শিশু নাট কৰ্মশালা অনুষ্ঠিত কৰি একোখনকৈ নাটক মঞ্চস্থ কৰি আহিছে। নাটকৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ফাউণ্ডেছনে প্ৰতিবছৰে সুকীয়াকৈ নাটক মঞ্চস্থ কৰাৰ ব্যৱস্থা কৰি আহিছে। মাজুলী কালচাৰেল ফাউণ্ডেছনৰ দ্বাৰা মঞ্চস্থ হোৱা কেইখনমান উল্লেখযোগ্য নাটক হ’ল- ‘নীলা চৰাই, ‘সৰু ধেমালি- বৰ ধেমালি’, ‘ৰত্ন ভাণ্ডাৰৰ কাহিনী’, ‘মিৰিজীয়ৰী’, ‘কাৰেঙৰ লিগিৰী’, ‘শোণিত কুঁৱৰী’, ‘টিমৰৰ্ক’, ‘কথকতা’, ‘জয়মতী’ আদি বিশেষভাৱে উল্লেখযোগ্য। অপেছাদাৰী নাট্যশৈলীৰে যাত্ৰা আৰম্ভ কৰা দলটোয়ে ইতিমধ্যে খুব সোনকালেই সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

## চাবুৱাৰ দিনজয় হাজাৰিমল

*১২ পৃষ্ঠাৰ পৰা* নিৰ্বাচন কৰি দিয়ে। ইয়াৰ পাছতে পৰৱৰ্তী ১০ দিনৰ ভিতৰত সমিতিখন পূৰ্ণাংগৰূপত গঠন কৰি পূৰ্ণ প্ৰস্তুতি চলাই যাবলৈ সভাই পৰামৰ্শ প্ৰদান কৰে। সৰ্বাংগসুন্দৰ এক সু-শৃখলিত এটা অনুষ্ঠানৰ জৰিয়তে ৭৫ বছৰীয়া জয়ন্তী পালন কৰাৰ আশা প্ৰকাশ কৰে ৰাজহুৱা সভাৰ সভাপতি প্ৰদীপ হাজৰিকাই। লগতে বিভিন্নজনে অনুষ্ঠানটো আয়োজনৰ বাবে মতামত আগবঢ়োৱা আজিৰ সভাখনৰ পৰাই অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতা কামনা কৰিছে ৰাজহুৱা সভাখনৰ সভাপতি প্ৰদীপ হাজৰিকাই।

## মৰাণত সদৌ অসম ভিত্তিত

*১২ পৃষ্ঠাৰ পৰা* পাঁচ হেজাৰ আৰু তৃতীয় পুৰস্কাৰ হিচাপে তিনি হেজাৰ নিৰ্ধাৰণ কৰা হৈছে। নামভৰ্তিৰ মাচুল উচ্চ শাখাত পাঁচশ টকা আৰু নিম্ন শাখাত তিনিশ টকা। প্ৰতিযোগিতাৰ স্থান অৰুণোদয় সংঘ মৰাণ লাচিত নগৰ। প্ৰতিযোগিতাৰ বাবে ভূপেন্দ্ৰ সংগীত সমিতিৰ দ্বাৰা নিৰ্ধাৰণ কৰা নহয়। বিচাৰকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ’ব। প্ৰতিযোগিতাখনত যোগদানৰ অন্তিম তাৰিখ ১৫ জুলাই। যোগাযোগৰ ফোন নম্বৰ - ৯৯৫৪৬০৭৮৬৬, ৮৩৬৮৯৭৫৬১৯, ৯৯৫৭৩৩৯৫৪৭, ৯১০১৬৭৫৪৭১ অথবা ৯৪৩৫১৮২৮২৫।

## আজাৰা ৰাজহ চক্ৰত চৰকাৰী

*১২ পৃষ্ঠাৰ পৰা* বহুওৱাহে দেখা গৈছে। বিভাগীয় সংশ্লিষ্ট বিষয়া আৰু ঠিকাদাৰৰ গোপন বুজাবুজিৰ ফলত এনে হ’বলৈ পালে বুলি সচেতন ৰাইজে অভিযোগ কৰিছে। অকল সেয়াই নহয় সমগ্ৰ অঞ্চলটোত জল জীৱন আঁচনিৰ পানী যোগান অনিয়মীয়া হোৱাৰ ফলত জনসাধাৰণে বিশুদ্ধ খোৱা পানীৰ নামত অশেষ যাতনা ভুগিবলগীয়া হৈছে। এই ক্ষেত্ৰত আজাৰা ৰাজহ চক্ৰ অঞ্চলত বিশুদ্ধ খোৱা পানী যোগানৰ নামত ৰূপায়িত হোৱা চৰকাৰী বিভিন্ন আঁচনিৰ এক তদন্ত হোৱাতো ৰাইজে কামনা কৰিছে। অঞ্চলটোৰ খোৱা পানীৰ সমস্যাটো শীঘ্ৰে সমাধান কৰিবলৈ স্থানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাক হস্তক্ষেপ কৰিবলৈ ৰাইজে আহ্বান জনাইছে।

## কৃতী শিক্ষয়িত্ৰী নীলিমা চক্ৰৱৰ্তীৰ মৃত্যু



**গুৱাহাটী, ৩ জুন ঃ** ধুবুৰী জিলাৰ জিটিবি পথৰ বাসিন্দা তথা লেখিকা সমাৰোহ সমিতিৰ ধুবুৰী শাখাৰ সভানেত্ৰী, কৃতী শিক্ষয়িত্ৰী নীলিমা চক্ৰৱৰ্তী (৭৪)ৰ যোৱা নিশা গুৱাহাটীত মৃত্যু হয়। আকস্মিকভাৱে হৃদযন্ত্ৰ বিকল হৈ মৃত্যুক সাবটি লোৱা চক্ৰৱৰ্তীয়ে ১৯৪৮ত জন্ম গ্ৰহণ কৰিছিল। লেডী কিন্ গাৰ্লছ কলেজ ছিলঙৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি ধুবুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ পৰা শিক্ষয়িত্ৰী হিচাপে চাকৰি জীৱনৰ সামৰণি পেলায়। ২০১২ত তেওঁ কৃতী শিক্ষকৰ সন্মান লাভ কৰে। সাহিত্যিক পেঞ্চনাৰ চক্ৰৱৰ্তী অসমীয়া ভাষা সাহিত্যৰ এক চিনাকি নাম। অসমীয়া ভাষাত কে’বাখনো গুৰুত্বপূৰ্ণ গ্ৰন্থ ৰচনা কৰাৰ উপৰি তেওঁ ভালেমান শিশু উপযোগী গ্ৰন্থ ৰচনা কৰে। অসমীয়া সংস্কৃতি আৰু সাহিত্যৰ বাবে অনেক কাম-কাজ কৰা কৃতী শিক্ষয়িত্ৰীগৰাকীয়ে দিল্লী দূৰদৰ্শন কেন্দ্ৰকে ধৰি অনাতাঁৰ কেন্দ্ৰত গীত-মাত পদৰ্শন কৰিছিল। বিভিন্ন সাংস্কৃতিক সংগঠন আৰু কাম-কাজৰ লগত জড়িত চক্ৰৱৰ্তীয়ে ধুবুৰীত প্ৰথমবাৰৰ বাবে গাৰ্লছ গাইড শাখা স্থাপন হৈছিল আৰু তাত প্ৰশিক্ষণ দিয়াইছিল। শিক্ষকতা আৰু বৰ অসমৰ সংস্কৃতিৰ বাবে নিজৰ জীৱনটো উছৰ্গা কৰা চক্ৰৱৰ্তীয়ে অনুপ্ৰেৰণা জীৱনজোৰা সাধনা বঁটা, ডম্বৰুধৰ সোঁৱৰণী বঁটা অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন লাভ কৰাৰ উপৰি বিভিন্ন দল-সংগঠনৰ পৰা বঁটা-বাহন লাভ কৰে। চক্ৰৱৰ্তীয়ে সৰ্বমুঠ ১৩ খন কিতাপ ৰচনা কৰে। মৃত্যুৰ সময়ত তেওঁ ইহসংসাৰত স্বামীসহ, দুই পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়। তেওঁৰ আকস্মিক মৃত্যুত ধুবুৰী জিলা আৰু সাহিত্য সমাজত শোকৰ ছাঁ পৰিছে।

## প্ৰাতঃভ্ৰমণলৈ আহোতেই ৰেলৰ চেপাত মৃত্যু শিক্ষকৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুন ঃ** নগাঁও জিলাৰ কামপুৰ ডেকাৰগাঁৱৰ নিবাসী তথা শিক্ষক প্ৰতাপ লস্কৰ (৫৮)ৰ আজি ৰেলৰ চেপাত মৃত্যু হোৱাৰ ঘটনাই কামপুৰ অঞ্চলত গভীৰ ছাঁ পেলাইছে। তথ্য মতে আজি নিচেই পুৱাতে ভ্ৰাতঃভ্ৰমণ কৰিবলৈ আহোতে শিক্ষকজনৰ দুৰ্ভাগ্যজনকভাৱে ৰেলৰ চেপাত মৃত্যু হয়। মৃত প্ৰতাপ লস্কৰ বৰপথাৰ প্ৰগতিশীল হাইস্কুলৰ সহকাৰী শিক্ষক আছিল। অতি অমায়িক লস্কৰ কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সাংগঠনিক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ঘটনাৰ খবৰ পোৱাৰ পাছতেই ৰেল আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে। ইফালে, শিক্ষকজনৰ মৃত্যুত কামপুৰ আঞ্চলিক কৰ্মচাৰী পৰিষদ, কামপুৰ ছাত্ৰ সমন্বয়ৰক্ষী কমিটীৰ লগতে অঞ্চলটোৰ কে'বাটাও অনুষ্ঠানে গভীৰ শোকপ্ৰকাশ কৰিছে। লস্কৰে মৃত্যুৰ সময়ত পত্নীসহ এগৰাকী কন্যা ইহংসাৰত এৰি যায়।

# পথ নিৰ্মাণত বিসংগতি ঃ নিৰ্মাণৰ পাছতেই বখলা-বখলে এৰিলে পকী পথ

## নাজিৰাত ৰাইজৰ প্ৰতিবাদ



**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ৩ জুন ঃ** নাজিৰা নগৰৰ সমীপৰ ৰজাপুল ভেবৰচুক গাঁৱৰ নৱনিৰ্মিত পকী পথটো নিৰ্মাণৰ পাছতে বখলা বখলে এৰি যোৱাত ক্ষুব্ধ হৈ পৰিছে স্থানীয় ৰাইজ। লোক নিৰ্মাণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ দায়িত্বহীনতাৰ বাবেই ঠিকাদাৰে নিম্নমানৰে পথৰ নিৰ্মাণ কাৰ্য সম্পাদন কৰাৰ অভিযোগ উত্থাপন কৰি আজি স্থানীয় ৰাইজে ৰাজপথলৈ ওলাই আহি বিভাগীয় বিষয়া-ঠিকাদাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। পথটো নিৰ্মাণকালতে বিভাগীয় কৰ্তৃপক্ষক ৰাইজে অৱগত কৰাৰ পাছতো কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ কৰি আজি বৃহৎ সংখ্যক পুৰুষ-মহিলা ৰাজপথত বিভাগৰ বিৰুদ্ধে বিভিন্ন শ্ল'গানেৰে মুখৰ হৈ পৰে। নাজিৰা ৰজাপুলৰ ভেবৰচুক গোহাঁই গাঁৱৰ যোগাযোগৰ একমাত্ৰ পথটো নিৰ্মাণত ব্যাপক বিসংগতিৰ অভিযোগ তোলাতে ক্ষান্ত নাথাকি প্ৰমাণ স্বৰূপে স্থানীয় ৰাইজে পথটোৰ পকী অংশ হাতেৰে বখলা-বখল কৰি একৰাই স্থানীয় সংবাদ মাধ্যমৰ আগত প্ৰদৰ্শন কৰে। নাজিৰা ৰজাপুল শেনআলি সংযোগী পথটো বছৰ বছৰ ধৰি বোকাময় হৈ আহিছিল। তিনি কিলোমিটাৰ দৈৰ্ঘ্যৰ নৱনিৰ্মিত পকী পথছোৱা লোকনিৰ্মাণ বিভাগৰ অধীনত গগৈ উপাধিৰ এজন ঠিকাদাৰে নিৰ্মাণ কৰিছিল। পথচোৱা পকীকৈ নিৰ্মাণৰ বাবে ধনৰ আবন্টন আছিল ২,৪৮,৫১,৭০০ টকা। কিন্তু পথ নিৰ্মাণত আবন্টিত এই ধনৰাশিৰ অধিকাংশ আত্মসাৎ কৰি নিম্নমানৰে পথ নিৰ্মাণ কৰা বুলি অভিযোগ কৰিছে স্থানীয় ৰাইজে। ইয়াৰ উপৰি পথছোৱাৰ ওপৰেৰে যোৱা দলংখনৰ কামো শামুকীয়া গতিৰে আগবঢ়াৰ বাবেই যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভুগিছে স্থানীয় ৰাইজে। অঞ্চলটোৰ যোগাযোগৰ একমাত্ৰ পথটোৰেৰে দি অন্যান্য অঞ্চলৰ লগতে চিকিৎসালয়, ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়-মহাবিদ্যালয়লৈ চলাচল কৰিব লগা হয়। ফলত স্বাভাৱিকতে লোকনিৰ্মাণ বিভাগৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে স্থানীয় ৰাইজ।

## চৌটাকিত গাঁৱলীয়া পথৰ পুৰণি হিউম পাইপৰ ওপৰতে চাৰিশৰীয়া পথ নিৰ্মাণত প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৩ জুন ঃ** বঙাইগাঁও জিলাত চাৰিশৰীয়া পথ নিৰ্মাণকাৰী সংস্থাই এটাৰ পাছত এটাকৈ অনিয়ম সংঘটিত কৰাৰ অভিযোগ উত্থাপন হোৱাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষই কোনো ব্যৱস্থা নোলোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিৰ্মাণকাৰী সংস্থা আৰএছবিআই প্ৰাইভেট লিমিটেডে বঙাইগাঁও জিলাৰ চৌটাকিত গাঁৱলীয়া পথত থকা পুৰণি হিউম পাইপযুক্ত কালভাৰ্ট আঁতৰ নকৰাকৈ তাৰ ওপৰেৰে চাৰিশৰীয়া পথ নিৰ্মাণক লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে জিলাখনৰ হাপাচৰাৰ পৰা যোগীঘোপা লজিষ্টিক হাবলৈ যোৱা নিৰ্মীয়মাণ চাৰিশৰীয়া পথৰ তুলুঙীয়া-যোগীঘোপা অংশৰ দায়িত্বৰত নিৰ্মাণকাৰী সংস্থা আৰএছবিআই প্ৰাইভেট লিমিটেডে পথ নিৰ্মাণত আৰম্ভণিৰ পৰাই ব্যাপক অনিয়ম তথা দুৰ্নীতিৰ আশ্ৰয় লৈ অহা বুলি সততে অভিযোগ উত্থাপিত হৈ আহিছে। আই ভেলী বন সংমগুলক ৰয়েল্টি ফাকি দি বল্ডাৰ সৰবৰাহ, সংশ্লিষ্ট কৰ্তৃপক্ষৰ এনঅ'চি অবিহনে ক্ৰেছাৰ মেচিন বহুওৱা, জৈৱ-বৈচিত্ৰ্য বিনষ্ট কৰি পাহাৰত অবাধ খনন চলোৱা আদি অনেক অভিযোগ উত্থাপিত হৈ অহাৰ পাছত গাঁৱলীয়া পথৰ হিউম পাইপ আঁতৰ নকৰাকৈয়ে পথ নিৰ্মাণ কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে, ১৭ নম্বৰ ঘাইপথ সংলগ্নকৈ চৌটাকিত নিৰ্মাণ কৰা গাঁৱলীয়া পথতে বহুওৱা হৈছিল তিনিশৰীয়া হিউম পাইপযুক্ত কালভাৰ্ট। উল্লেখ্য যে ঘাইপথটো চাৰিশৰীয়া পথ হিচাপে নিৰ্মাণ কৰিবলৈ লোৱাত গাঁৱলীয়া পথটোৰ হিউম পাইপ অংশ সামৰি লয়। নিৰ্মাণকাৰী সংস্থাটোৰ হিউম পাইপবোৰ আঁতৰ নকৰাকৈয়ে চাৰিশৰীয়া পথ নিৰ্মাণ কৰাত পথছোৱাৰ স্থায়িত্বক লৈ প্ৰশ্ন উত্থাপন কৰাৰ লগতে দুৰ্ঘটনাৰ কাৰক হৈ পৰিছে বুলি মত প্ৰকাশ কৰিছে পঞ্চায়তৰ প্ৰাক্তন সভাপতি দয়াল নাথে। এইক্ষেত্ৰত নাথে এনএইছআইডিচিএলক অৱগত কৰে যদিও দায়সৰা মন্তব্য দিয়া বুলিহে অভিযোগ কৰিছে।



## নগাঁৱৰ চাপৰমুখত হৰিণা উদ্ধাৰ ঃ লাওখোৱা অভয়াৰণ্যত মুকলি



**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুন ঃ** নগাঁও জিলাৰ চাপৰমুখত আজি পুৱা ৪-৩০ বজাত গাঁওৰক্ষী বাহিনী আৰু স্থানীয় ৰাইজে এটা হৰিণা উদ্ধাৰ কৰে। পাছত উদ্ধাৰ কৰা হৰিণাটোক চাপৰমুখ আৰক্ষীক গতাই দিয়া হয়। স্থানীয় লোকে এই বিষয়ে নগাঁও বন বিভাগকো খবৰ দিয়ে। হৰিণা উদ্ধাৰ হোৱাৰ খবৰ পাই নগাঁৱৰ বন বিভাগৰ এটা দল চাপৰমুখত উপস্থিত হৈ হৰিণাটো চমজি লয়। হৰিণাটো সামান্য আঘাতপ্ৰাপ্ত হোৱাত নগাঁৱৰ পশু চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰি লাওখোৱা অভয়াৰণ্যলৈ লৈ যোৱা হয়। পাছত অভয়াৰণ্যখনৰ গড়াজান ৰেঞ্জ অঞ্চলত হৰিণাটো মুকলি কৰি দিয়া হয়। সন্দেহ কৰা মতে, কপিলীৰ প্ৰলয়ংকৰী বানত হৰিণাটো উটি আহি এটা হৰিণা জনাঞ্চলত আশ্ৰয় লৈ আছিল। স্মৰ্তব্য যে যোৱা ১৯ ম'তো জিলাখনৰ বৰক'লা মীনা বজাৰত বানত উঠি অহা এটা হৰিণা স্থানীয় লোকে উদ্ধাৰ কৰি বন বিভাগক গতাই দিছিল।

# কমাৰগাঁৱৰ পানীদিহিঙীয়াত মালবাহী ট্ৰাকৰ মাজত সংঘৰ্ষ

## মালবাহী ট্ৰাকসহ চাকলৰ পলায়ন



**খুমটাই, ৩ জুন ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ অন্তৰ্গত পানীদিহিঙীয়াত আজি পুৱা প্ৰায় ৬-২০ বজাত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। উল্লেখ্য যে পুৱা ভাগত দেৰগাঁৱৰ পৰা তীব্ৰবেগত আহি থকা এ এছ-০১-এনচি- ২৪৯১ নম্বৰৰ ট্ৰাকখনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষত ৰখাই থোৱা এ-এছ-০৫-চি-৯৩৯৭ নম্বৰৰ ট্ৰাকখনৰ সন্মুখ ভাগত খুন্দা মাৰি চোঁচৰাই নিয়ে। প্ৰত্যক্ষদৰ্শীয়ে সদৰী কৰা মতে পুৱাৰ ভাগত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত উক্ত অঞ্চলত চাৰিখন মালবাহী ট্ৰাক ৰখাই থোৱা আছিল। উক্ত স্থানত ৰখাই যোৱা এ এছ-০২৫ইচি ৪৬৭৮ নম্বৰৰ ট্ৰাকখনে প্ৰথমে দুৰ্ঘটনাগ্ৰস্ত এ-এছ-০৫ চি ৯৩৯৭ নম্বৰৰ ট্ৰাকৰ পাছফালে খুন্দা মাৰাৰ উপৰি এ- এছ-০২৫২ চি-৪৬৭৮ নম্বৰৰ আন এখন ট্ৰাকে খুন্দা মাৰি পলায়ন কৰে। ইফালে, ঘটনাস্থলীত কমাৰগাঁও আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ লগতে আহত চালকজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। পলায়ন কৰা আনখন ট্ৰাকৰ সন্ধানত তদন্ত অব্যাহত ৰাখিছে।

## ধৰ্মপ্ৰাণা ভাৰতী দেৱীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ৩ জুন ঃ** আজাৰা আৰক্ষী থানা অঞ্চলৰ কাঁহিকুছি গণকপাৰা নিবাসী ধৰ্মপ্ৰাণা মহিলা ভাৰতী দেৱী (৭৩)ৰ কালি পৰলোকপ্ৰাপ্তি ঘটে। কলীয়া ঠাকুৰ দেৱালয়, বংশীগোপাল মন্দিৰ, ৰাধাকানু দেৱালয়, গোপাল ঠাকুৰ দেৱালয় আদি কৰি বিভিন্ন ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত থকা ধৰ্মপ্ৰাণা মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ, তিনিগৰাকী কন্যাসহ বোৱাৰী, জোঁৱাই, নাতি-নাতিনী এৰি যায়।

## ভাটিপাৰা কেম্পবজাৰত বনৰৌ উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ৩ জুন ঃ** মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ভাটিপাৰা কেম্পবজাৰত যোৱা নিশা ৯-৩০বজাত এটা দুষ্প্ৰাপ্য বনৰৌ উদ্ধাৰ হৈছে। ৪৬ নম্বৰ ৰাজ্যিক ঘাইপথৰ কেম্পবজাৰত উদ্ধাৰ হোৱা বনৰৌটো স্থানীয় ৰাইজে ডুবাপাৰা বন খণ্ডৰ কাৰ্যালয়ত নি গতাই দিয়ে। ইপিনে, নিশাই সূৰ্য পাহাৰৰ নিৰাপদ স্থানত বনৰৌটো মুকলি কৰি দিয়া বুলি বন খণ্ড বিষয়া জিতেন তালুকদাৰে জানিবলৈ দিয়ে।

## মৰাণৰ বোৱাৰীৰ হত্যাকাণ্ডৰ লগত জড়িত তিনিজনক জেললৈ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩ জুন ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ পথালিবাম শলগুৰি গাঁৱৰ প্ৰাঞ্জল হাজৰিকাৰ পত্নী ভাৰতী চাংমাই হাজৰিকাই আত্মহত্যা কৰা ঘটনাক সহজভাৱে লোৱা নাছিল গাঁৱৰ ৰাইজ আৰু ভাৰতী চাংমাই হাজৰিকাৰ পিতৃ পৰিয়ালে। এই ঘটনাক পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ কৰি ভাৰতীৰ পিতৃৰ পৰিয়ালে মৰাণ আৰক্ষী থানাত কালি এজাহাৰ দাখিল কৰাৰ পাছতে মৰাণ আৰক্ষীয়ে আজি মৃত ভাৰতীৰ স্বামী প্ৰাঞ্জল হাজৰিকা, শহুৰেক অজিত হাজৰিকা আৰু শাহুৰেক বিজয়া হাজৰিকাক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে যোৱা পহিলা জুনৰ নিশা বোৱাৰীগৰাকীৰ মৃতদেহ স্বামীৰ ঘৰত উদ্ধাৰ হৈছিল। এবছৰৰ আগতে ভাৰতীৰ প্ৰাঞ্জলৰ লগত বিয়া হৈছিল।

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত 'বিশ্ব চাইকেল দিৱস' উদ্‌যাপন




**বিশেষ সংবাদদাতা**

**নগাঁও, ৩ জুন ঃ** স্বাধীনতাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ভাৰত চৰকাৰে দেশজুৰি 'আজাদী কা অমৃত মহোৎসৱ' বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰিছে। ইয়াৰে অংশ হিচাপে ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ-কল্যাণ মন্ত্ৰণালয়ে আজিৰ দিনটোত যুৱকসকলৰ মাজত ভ্ৰাতৃত্ববোধ, জাতীয়তাবাদ বিকাশৰ উপৰি বিশ্ব পৰিৱেশ সংৰক্ষণ তথা সু-স্বাস্থ্যৰ সজাগতা বৃদ্ধিৰ বাবে চাইকেল সমদলৰ আহ্বান জনাইছিল। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি (এনএছএছ)ৰ উদ্যোগত এই চাইকেল সমদলৰ আয়োজন কৰা হয়।

পুৱা বিশ্ববিদ্যালয়খনৰ এনএছএছৰ প্ৰগ্ৰেম অফিচাৰ ড° অজিত দেৱনাথে আঁতধৰা অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক যুৱ কুমাৰ বড়োৱে। ইয়াৰ পাছতে বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক অধ্যাপক মৃণাল কুমাৰ বৰাই চাইকেলৰ আৱিষ্কাৰৰ পৰা আৰম্ভ কৰি আজাদী কা অমৃত মহোৎসৱৰ উদ্দেশ্য আৰু তাৎপৰ্য ব্যাখ্যা কৰে। প্ৰসংগক্ৰমে বৰাই সুস্বাস্থ্য আৰু পৰিৱেশ ৰক্ষাৰ বাবে চাইকেল যে এক অপৰিহাৰ্য তাক উদাহৰণসহ ব্যাখ্যা কৰাৰ লগতে বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকো চাইকেল ব্যৱহাৰ কৰি সমাজত এক উদাহৰণ দাঙি ধৰাৰ বাবে আহ্বান জনায়। এই সমদলত নগাঁৱৰ আৰক্ষী বিভাগে বিশেষভাৱে সহযোগিতা আগবঢ়ায়।

## বৰডুবিত অইলৰ বৃহৎ পৰিমাণৰ চুৰি কনডেনছেট জব্দ



**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ৩ জুন ঃ** উজনি অসমত পুনৰ সক্ৰিয় হৈ উঠিছে তেল চুৰি চক্ৰ। যোৱা নিশা অইলৰ নিৰাপত্তাৰক্ষী আৰু বৰডুবি আৰক্ষীৰ যুটীয়া অভিযানত বৰুৱাহোলা গাঁৱত এ এছ-২৩ চি চি - ৩২০৫ নম্বৰৰ এখন ডাম্পাৰৰ পৰা অইলৰ বৃহৎ পৰিমাণৰ চোৰাং কনডেনছেট উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অভিযানকাৰী দলটোৱে ডাম্পাৰখনৰ পৰা মুঠ ১৪ টা ড্ৰামত কঢ়িয়াই অনা প্ৰায় তিনিহেজাৰ লিটাৰ চুৰি কনডেনছেট তেল জব্দ কৰে। অৱশ্যে গাড়ীখনৰ চালক আৰু এজন দুষ্কৃতিকাৰী অভিযানকাৰী দলটোৰ উপস্থিতৰ বিষয়ে উমান পাই পলাই যাবলৈ সক্ষম হয়। অভিযানকাৰী দলটোৱে জব্দ কৰা ডাম্পাৰাসহ তেলখিনি বৰডুবি আৰক্ষী থানাত ৰখা হৈছে। ঘটনাৰ সন্দৰ্ভত অইল নিৰাপত্তাৰক্ষীয়ে বৰডুবি আৰক্ষী থানাত ৰখা হৈছে। ঘটনাৰ সন্দৰ্ভত অইল নিৰাপত্তাৰক্ষীয়ে বৰডুবি আৰক্ষী থানাত এটি গোচৰ তৰিছে।

## চাইকেল চলোৱাৰ প্ৰতি জনসচেতনতা বৃদ্ধিৰ বাবে তামুলপুৰত চাইকেল ৰেলী

**অগ্ৰদূত বাৰ্তা**



**তামুলপুৰ, ৩ জুন ঃ** বিশ্ব চাইকেল দিৱস উপলক্ষে বড়োলেণ্ড সাংবাদিক সন্থাৰ উদ্যোগত বিটিআৰ পৰ্যটন বিভাগ আৰু তামুলপুৰ প্ৰেছ ক্লাবৰ সহযোগত আজি পুৱা তামুলপুৰত এক চাইকেল ৰেলী উলিওৱা হয়। এক প্ৰদুষণমুক্ত পৰিৱেশ, ইন্ধন ৰাহি, প্ৰকৃতি ৰক্ষা, সুস্বাস্থ্য ৰক্ষাৰ শ্ল'গানেৰে চাইকেল চলোৱাৰ প্ৰতি জনসচেতনতা বৃদ্ধি, যাতায়াতৰ ক্ষেত্ৰত চাইকেল ব্যৱহাৰ কৰাৰ বাবে সজাগতা বৃদ্ধিৰ লক্ষ্যৰে তামুলপুৰ প্ৰেছ ক্লাবৰ কাৰ্যালয়ৰ পৰা উলিওৱা চাইকেল ৰেলীটো পুৱা ছয় বজাত সেউজীয়া পতাকা জোকাৰি মুকলি কৰে বিটিআৰৰ পৰ্যটন বিভাগৰ কাৰ্যবাহী সদস্য ধৰ্মনাৰায়ণ দাসে। কাৰ্যবাহী সদস্যজনে বড়োলেণ্ড সাংবাদিক সংস্থাৰ এনে ধৰণৰ উদ্যোগৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। তামুলপুৰ প্ৰেছ ক্লাবৰ কাৰ্যালয়ৰ পৰা বড়োলেণ্ড সাংবাদিক সংস্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ৰমেন দাসৰ নেতৃত্বত উলিওৱা চাইকেল ৰেলী ৰঙিয়া-ভূটান ঘাইপথেৰে কুমাৰীকাটা বজাৰ হৈ প্ৰায় ৩০ কিলোমিটাৰ পৰিভ্ৰমণ কৰি তামুলপুৰ প্ৰেছ ক্লাবত সামৰণি পেলায়। ৰেলীত অংশ গ্ৰহণকাৰীসকলক তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, বিটিআৰৰ মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভা উপস্থিত থাকে। ৰেলীত তামুলপুৰ প্ৰেছ ক্লাবৰ সভাপতি দীপক কুমাৰ পাঠক, সাধাৰণ সম্পাদক গুণজিৎ দাসৰ লগতে তামুলপুৰ প্ৰেছ ক্লাবৰ সদস্যসকল, তামুলপুৰৰ কে'বাগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মচাৰী, সমাজকৰ্মী, ছাত্ৰসহ মুঠ ৩০ জনে অংশগ্ৰহণ কৰে।

## ছয়গাঁও আৰক্ষীৰ অভিযানত চুপাৰিৰ গাড়ীসহ দুজনক গ্ৰেপ্তাৰ



**ছয়গাঁও, ৩ জুন ঃ** দক্ষিণ কামৰূপৰ কালাতলী পথাৰত যোৱা নিশা ছয়গাঁও আৰক্ষীয়ে চুপাৰি ছিণ্ডিকেটৰ বিৰুদ্ধে অভিযান চলায়। দীৰ্ঘদিন ধৰি ছয়গাঁৱৰ বিভিন্ন অঞ্চলত চুপাৰি চুৰি হৈ আছিল। কে'বাজনো লোকে এই সংক্ৰান্তত ছয়গাঁও থানাত এজাহাৰো দাখিল কৰিছিল। যোৱা নিশা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভগৱান ডেকাই জোৰদাৰ তদন্ত চলাই কালাতলী বজাৰৰ পৰা আটক কৰে চুপাৰি চোৰ দুজনক। ধৃত চোৰ দুজন হৈছে কালাতলী পথাৰৰ মণিৰুল হক আৰু ধূমগাৰাৰ ইমান আলী। চোৰ দুজনৰ উপৰি কে'বাবস্তা চুপাৰিৰ লগতে এএছ-০১ এমচি-৮৫৯০ নম্বৰৰ ডিআই বাহন এখনো জব্দ কৰা হৈছে। সম্প্ৰতি ছয়গাঁও আৰক্ষীয়ে দুয়োকে জেৰা অব্যাহত ৰাখিছে।

# ৰংজুলিৰ কাণকাটাত ধানৰ বিভিন্ন জাতৰ মূল্যায়ন কাৰ্যসূচী-সজাগতা সভা

**অগ্ৰদূত বাৰ্তা**



**দুধনৈ, ৩ জুন ঃ** গোৱালপাৰা জিলা ৰংজুলি কৃষি উন্নয়ন খণ্ডৰ অন্তৰ্গত কাণকাটাত আজি আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠান, অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ উদ্যোগত আৰু এপাৰ্টৰ সহযোগত ধানৰ বিভিন্ন জাতৰ মূল্যায়ন কাৰ্যসূচী ৰূপায়ণ আৰু সজাগতা সভা অনুষ্ঠিত হয়। গোৱালপাৰা জিলাৰ কাণকাটা অঞ্চলৰ জলবায়ু আৰু মাটিৰ গুণাগুণ অনুসৰি কোন বিধ ধান কৃষকসকলৰ বাবে উপযুক্ত আৰু কৃষকসকলে লাভান্বিত হ'ব সেইটো নিৰ্ণয় কৰিবৰ বাবে কাণকাটাৰ দুই বিঘা ভূমিত পৰীক্ষামূলকভাৱে ১০ বিধ ধান ক্ৰমে বিনা ধান-১১, বিনা ধান-১০, ডিআৰআৰ-৪৪, চিআৰআৰ-৩১০, কনকলতা, বিনা ধান-১৭, এমটিইউ-১১৫৬, বিআৰআৰজে-৭৫, জয়মতী আৰু কুনকুনি জহা ধানৰ খেতি কৰা হৈছিল। পকিবলৈ আৰম্ভ কৰা ধানখিনি আজি স্থানীয় কৃষকসকলৰ দৃষ্টিভংগীৰে এক বিশেষ পদ্ধতিৰে মূল্যায়নৰ ব্যৱস্থা কৰা হয়। লগতে বিজ্ঞানীসকলে কাৰিকৰী দিশেৰে এই অঞ্চলৰ বাবে উপযুক্ত আৰু অধিক উৎপাদন দিব পৰা ধানৰ জাত মূল্যায়ন কৰি উলিওৱাৰ ব্যৱস্থা কৰে। কাৰ্যসূচীৰ ওপৰত সন্তোষ প্ৰকাশ কৰি স্থানীয় কৃষক আফজালুৰ ৰহমানে কয়, 'আমাৰ ইয়াত যি ১০ বিধ ধানৰ খেতি কৰা হৈছিল সেই আটাই কেইবিধ ধানে ভাল হৈছে যদিও বিনা ধান-১০ আৰু বিনা ধান-১১ৰ ফলাফল বেছি ভাল হৈছে। এতিয়াও ধান কটা হোৱা নাই যদিও বিঘাই প্ৰতি ১৮ ৰ পৰা ২০ মোন ধান উৎপাদন হ'ব বুলি আশা কৰিছে।' ধানৰ মূল্যায়ন কাৰ্য সম্পন্ন হোৱাৰ পাছত কৃষকসকলক লৈ ধানৰ বিষয়ক লৈ এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত কৃষকসকলক উদ্দেশ্যি কাহিকুছিৰ উদ্যান শস্য গৱেষণা কেন্দ্ৰৰ বিজ্ঞানী ৰঞ্জিতা বেজবৰুৱা আৰু ড° জয়ন্ত কুমাৰ শৰ্মা ভাষণ প্ৰদান কৰে। তদুপৰি অনুষ্ঠানত উপস্থিত থাকে আন্তঃৰাষ্ট্ৰীয় ধান গৱেষণা প্ৰতিষ্ঠানৰ কনিষ্ঠ গৱেষক মৃদুপৱন মুদৈ, এপাৰ্টৰ প্ৰকল্প সহযোগী মাধুৰ্য বিকাশ বৰুৱা সহকাৰী প্ৰকল্প বিজ্ঞানী কস্তুৰী গোস্বামী, কাৰিকৰী গৱেষক ভাস্কৰ বৰুৱা, অনুৰাগ খাউণ্ড আৰু বলীন ৰাজখোৱা।

## নকছাৰী মহাবিদ্যালয় এনএছএছ গোটৰ বিশ্ব চাইকেল দিৱস



**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৩ জুন ঃ** চাইকেল পৰিবহণ ব্যৱস্থাৰ একেবাৰে কম খৰচী মাধ্যম হোৱাৰ লগতে চাইকেল চালনা স্বাস্থ্যৰ বাবেও যথেষ্ট উপকাৰী আৰু ই পৰিৱেশ অনুকূল এক ব্যৱস্থা। কিন্তু বৰ্তমান সময়ত যুৱ প্ৰজন্মৰ মাজত চাইকেল চলোৱাৰ অভ্যাস কমি অহা দেখা গৈছে । সেয়েহে চাইকেল চলোৱাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে জনসাধাৰণৰ মাজত চাইকেলৰ উপকাৰিতাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে মৰিয়নিৰ সমীপৰ নকছাৰী মহাবিদ্যালয়ৰ এনএছএছ গোটৰ উদ্যোগত আজি বিশ্ব চাইকেল দিৱসৰ লগত সংগতি ৰাখি এক চাইকেল সমদল উলিওৱা হয়। নকছাৰী মহাবিদ্যালয়ৰ এনএছএছ গোটৰ আঁচনি বিষয়া ড° দিনমণি গগৈৰ নেতৃত্বত উলিওৱা এই চাইকেল সমদল আৰম্ভ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ উত্তম বৰুৱাই। বিশেষভাৱে সহযোগ কৰে নকছাৰী মহাবিদ্যালয়ৰ আই কিউএচিৰ সমন্বয়ক ড° জয়ন্ত চুতীয়াই। মহাবিদ্যালয়ৰ এনএছএছ গোটৰ প্ৰায় ৩০ গৰাকী স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাই চাইকেল সমদলত অংশগ্ৰহণ কৰে। নকছাৰী অঞ্চলৰ বিভিন্ন স্থানৰ মাজেৰে চাইকেল সমদল কৰি চাইকেল চলোৱাৰ উপকাৰিতাৰ সম্পৰ্কে স্বেচ্ছাসেৱক- স্বেচ্ছাসেৱিকাসকলে জনসাধাৰণক অৱগত কৰে । আনহাতে, এই অনুষ্ঠানৰ লগত সংগতি ৰাখি আজি এক গছপুলি ৰোপণ কাৰ্যসূচীও সম্পন্ন কৰা হয়।






## আজি গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ মহিলাৰ একক শাখাৰ খিতাপ দখলৰ যুঁজ

# দৃঢ় ইগাৰ বিৰুদ্ধে সাহসী কোকো



### খিতাপৰ লগতে অভিলেখ ভংগৰ সুযোগ ইগাৰ

## ফেব্ৰুৱাৰীৰ পৰাই পৰাস্ত হোৱা নাই পোলেণ্ডৰ টেনিছ সুন্দৰী

**পেৰিছ, ৩ জুন ঃ** আজি ৰোঁলা গেৰোত খিতাপ জয়ৰ লগতে ছেৰেনা উইলিয়ামছৰ অভিলেখ ভংগৰো সপোন দেখিছে পোলেণ্ডৰ টেনিছ সুন্দৰী ইগা ছিয়াটেকে। উল্লেখ্য যে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ কাইলৈ হ'বলগা মহিলাৰ একক শাখাৰ ফাইনেলত বিশ্বৰ এক নম্বৰ স্থানৰ মহিলা টেনিছ খেলুৱৈ ইগা ছিয়াটেকে খেলিব আমেৰিকাৰ কিশোৰী কোকো গাউফৰ বিৰুদ্ধে। ছেমিফাইনেলত জয়ৰ পাছতে ছেৰেনা উইলিয়ামছক স্পৰ্শ কৰা ইগা কাইলৈৰ মেচলৈও আত্মবিশ্বাসী। উল্লেখ্য যে ইগা ছিয়াটেকে তিনি বছৰৰ ভিতৰত দ্বিতীয়বাৰৰ বাবে ফ্ৰেন্স অ'পেন খিতাপ দখলৰ দিশত খোজ আগবঢ়াইছে। শীৰ্ষস্থানৰ ইগাই ছেমিফাইনেলত ৰাছিয়াৰ ডাৰিয়া কাছাটকিনাক ৬-২, ৬-১ ত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। এই জয়ৰে তেওঁ নিজৰ মেচ জয়ৰ ধাৰাটো ৩৪লৈ বৃদ্ধি কৰে। স্মৰ্তব্য যে ২০২০ ৰ চেম্পিয়ন পোলেণ্ডৰ ছিয়াটেকে যোৱা ফেব্ৰুৱাৰীৰ পৰা পৰাস্ত হোৱা নাই আৰু ২০১৩ ত ছেৰেনা উইলিয়ামছৰ ক্ৰমাগত ৩৪ খন মেচ জয়ৰ অভিলেখক স্পৰ্শ কৰিছে ফাইনেলত প্ৰৱেশ কৰি। ইয়াৰপূৰ্বে আমেৰিকাৰ জেচিকা পেগুলাৰ বিৰুদ্ধে কোৱাৰ্টাৰত সহজ জয়লাভ কৰি ইগাই ফ্ৰেন্স অ'পেনৰ অন্তিম চাৰিত প্ৰৱেশ কৰিছিল। ৬-৩, ৬-২ ত জয়ী হৈছিল পোলেণ্ডৰ তাৰকাগৰাকী। বিপৰীতে অন্য এখন কোৱাৰ্টাৰত দেশৰ সতীৰ্থ ৰাছিয়ান ভেৰ'নিকা কুডাৰমেট'ভাক ৬-৪, ৭-৬ ত পৰাস্ত কৰি ডাৰিয়া কাছাটকিনাই প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেমৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। কিন্তু ইগাৰ সন্মুখত তেওঁৰ সপোন যাত্ৰা সমাপ্ত হ'ল।

## দ্বিতীয় ছেমিফাইনেলত আমেৰিকাৰ কিশোৰীৰ হাতত পৰাস্ত হ'ল ইটালীৰ মাৰ্টিনা ট্ৰেভিছান




**পেৰিছ, ৩ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ কাইলৈ হ'বলগা মহিলাৰ একক শাখাৰ ফাইনেলত বিশ্বৰ এক নম্বৰ স্থানৰ মহিলা টেনিছ খেলুৱৈ ইগা ছিয়াটেকে খেলিব আমেৰিকাৰ কিশোৰী কোকো গাউফৰ বিৰুদ্ধে। উল্লেখ্য যে মহিলাৰ একক শাখাৰ দ্বিতীয়খন ছেমিফাইনেলত আমেৰিকাৰ কিশোৰী কোকো গাউফে বৃহস্পতিবাৰে নিশা ইটালীৰ মাৰ্টিনা ট্ৰেভিছানক ৬-৩, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি খিতাপৰ যুঁজলৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখ্য যে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ ফাইনেলত প্ৰৱেশ কৰি অভিলেখ গঢ়িছে আমেৰিকাৰ কিশোৰী কোকো গাউফে। খিতাপৰ যুঁজলৈ অগ্ৰসৰ হোৱা আমেৰিকাৰ কিশোৰী কোকোই ২১ বছৰৰ ভিতৰত আটাইতকৈ কম বয়সীয়া ফ্ৰেন্স অ'পেনৰ চূড়ান্ত প্ৰতিযোগী হিচাপে পৰিগণিত হয় । এতিয়া বিশ্বৰ এক নম্বৰ ইগা ছিয়াটেকৰ বিৰুদ্ধে ফাইনেলৰ অন্তিম সংঘৰ্ষৰ বাবে সাজু আমেৰিকাৰ কিশোৰী কোকো। উল্লেখ্য যে ইয়াৰপূৰ্বে কানাডাৰ লেইলা ফাৰ্নাণ্ডেজৰ বিৰুদ্ধে পোনপটিয়া ছেট জয় কৰি কেৰিয়াৰত প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড শ্লেম টেনিছৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ইটালীৰ মাৰ্টিনা ট্ৰেভিছানে। উল্লেখ্য যে বিশ্বৰ ৫৯ নম্বৰ খেলুৱৈ ট্ৰেভিছানে ১৭ নং বাচনিৰ কানাডিয়ান খেলুৱৈগৰাকীক ৬-২, ৬-৩ ব্যৱধানত পৰাস্ত কৰে। বিপৰীতে আন এখন কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ কোকোই সতীৰ্থ স্লোৱেন ষ্টিফেন্সৰ বিৰুদ্ধে ৭-৫, ৬-২ ত জয়ী হৈছিল।



## আৰম্ভ হ'ল ভলীবল-কাবাদী পৰম্পৰাগত ক্ৰীড়াৰ অভিষেক

**পঞ্চকুলা, ৩ জুন ঃ** কাইলৈৰ পৰা অহা ১৩ জুনলৈ হাৰিয়ানাত অনুষ্ঠিত হ'ব খেলো ইণ্ডিয়া য়ুথ গেমছ । উল্লেখ্য যে হাৰিয়ানাত অনুষ্ঠিত হ'বলগা চতুৰ্থ এছ বি আই খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ ল'গোৰ নাম ৰখা হৈছে 'ধাকাড'। ৰফটাৰে সংগীতৰে সজোৱা চতুৰ্থ এছ বি আই খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ এনথমৰ ভিডিঅ'ত অংশ লৈছে অলিম্পিক স্বৰ্ণজয়ী নিৰজ চোপ্ৰাৰ লগতে অলিম্পিকত দেশক পদক দিয়া হাৰিয়ানাৰ খেলুৱৈ বজৰং পুনিয়া, ৰবী ডাহিয়া, সাক্ষী মালিক, ভাৰতীয় ক্ৰিকেটৰ প্ৰথম বিশ্বকাপৰ চেম্পিয়ন দলৰ অধিনায়ক কপিল দেব আৰু হাৰিয়ানাৰ ৰাজ্যিক ক্ৰীড়া মন্ত্ৰী তথা প্ৰাক্তন তাৰকা হকী খেলুৱৈ সন্দীপ সিঙে। এইবাৰ চতুৰ্থ এছ বি আই খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱত মুঠ ২৫ টা ইভেণ্টৰ ভিতৰত ভাৰতত জন্ম হোৱা পাঁচ বিধ খেলো থাকিব। এইবাৰৰ খেলো ইণ্ডিয়া য়ুথ গেমছৰ বিভিন্ন ইভেণ্টত আছে এথলেটিকছ , ফুটবল , বেডমিণ্টন , টেবুল টেনিছ , ভলীবল , হেণ্ডবল , মল্লযুঁজ , বাস্কেটবল , কাবাডী , বক্সিং ,খো-খো , গাটকা , থাংটা , কালাৰীপায়ুত্তু , যোগাসন , মালখম্ব , ভাৰোত্তোলন , টেনিছ , জুডো, আৰ্চাৰী , হকী , জিমনাষ্টিকছ , ছুইমিং , চাইক্লিং আৰু শ্বুটিং। ইফালে, আজিৰে পৰা চতুৰ্থ এছ বি আই খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱৰ ভলীবল-কাবাদী খেল আৰম্ভ হৈছে। আজি ল'ৰা-ছোৱালীৰ প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হয়।



## ভাৰতৰ ৩৬ খন ৰাজ্যৰ ৪৭০০ কিশোৰ-কিশোৰীৰ অংশগ্ৰহণ

# আজিৰে পৰা হাৰিয়ানাত চতুৰ্থ খেলো ইণ্ডিয়া

**পঞ্চকুলা, ৩ জুন ঃ** কৰ'নাৰ প্ৰত্যাহ্বান, ক্ৰীড়াপ্ৰেমীৰ উৎকণ্ঠা আৰু এজাক সপোন দেখা কিশোৰ-কিশোৰীৰ ৰোমাঞ্চকৰ মায়াময় সন্ধিক্ষণৰ মাজেৰে কাইলৈৰ পৰা হাৰিয়ানত আৰম্ভ হ'ব চতুৰ্থ খেলো ইণ্ডিয়া যুৱ গেমছ। উল্লেখ্য যে এক দৰ্শনীয় উদ্বোধনী অনুষ্ঠানৰ মাজেৰে মুকলি হ'ব চতুৰ্থ খেলো ইণ্ডিয়া যুৱ গেমছ। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, হাৰিয়ানাৰ মুখ্যমন্ত্ৰী মনোহৰ লাল আৰু কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী অনুৰাগ ঠাকুৰ। টাউ দেৱী লাল ক্ৰীড়া কমপ্লেক্সৰ গেলেৰী ভৰ্তি ষ্টেডিয়ামত জনপ্ৰিয় ৰেপাৰ ৰফতাৰৰ শিৰোনামত অনুষ্ঠিত হ'বলগীয়া এই শ্ব'টোত উপস্থিত থাকিব লগা অন্য মুখ্য বিশিষ্ট ব্যক্তিসকল হ'ল কেন্দ্ৰীয় গৃহ, যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ ৰাজ্যিক মন্ত্ৰী নিসিথ প্ৰমাণিক, হাৰিয়ানাৰ উপ-মুখ্যমন্ত্ৰী দুষ্যন্ত চৌতালা আৰু হাৰিয়ানাৰ ক্ৰীড়া মন্ত্ৰী এছ সন্দীপ সিং। ইফালে, সন্মানীয় অতিথিসকলৰ ভিতৰত থাকিব অলিম্পিক স্বৰ্ণজয়ী নিৰজ চোপ্ৰাৰ লগতে অলিম্পিকত দেশক পদক দিয়া হাৰিয়ানাৰ খেলুৱৈ বজৰং পুনিয়া, ৰবী ডাহিয়া, সাক্ষী মালিক, ভাৰতীয় ক্ৰিকেটৰ প্ৰথম বিশ্বকাপৰ চেম্পিয়ন দলৰ অধিনায়ক কপিল দেব আদি। উল্লেখ্য যে ইয়াৰপূৰ্বে ২০২০ ৰ জানুৱাৰীত গুৱাহাটীত সফলতাৰে হৈছিল তৃতীয় খেলো ইণ্ডিয়া য়ুথ গেমছ । হাৰিয়ানাৰ এই চতুৰ্থ সংস্কৰণৰ বিভিন্ন ইভেণ্টৰ খেলসমূহ পঞ্চকুলাৰ লগতে সাহাবাদ , আম্বালা , চণ্ডীগড় আৰু দিল্লীত অনুষ্ঠিত হ'ব ।প্ৰায় পাঁচ হেজাৰ খেলুৱৈয়ে এই দুসপ্তাহ যোৱা ক্ৰীড়া সমাৰোহত অংশগ্ৰহণ কৰিব। এইবাৰ চতুৰ্থ এছ বি আই খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া মহোৎসৱত মুঠ ২৫ টা ইভেণ্টৰ ভিতৰত ভাৰতত জন্ম হোৱা পাঁচ বিধ খেলো থাকিব। প্ৰথমবাৰৰ বাবে ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে খেলো ইণ্ডিয়া যুৱ গেমছৰ এই সংস্কৰণত অংশগ্ৰহণ কৰিছে। আয়োজক হাৰিয়ানাহ ৩৯৮ গৰাকী খেলুৱৈৰ সৰ্ববৃহৎ দলটোক সাজু কৰাৰ বিপৰীতে আন্দমান এণ্ড নিকোবাৰে ছজনীয়া আটাইতকৈ সৰু দলটো। হাৰিয়ানাৰ ক্ৰীড়া বিভাগৰ উপ-সঞ্চালক সত্যদেৱ মালিকে চতুৰ্থ খেলো ইণ্ডিয়া ইউথ গেমছ আয়োজন সন্দৰ্ভত কয় যে হাৰিয়ানা এখন ক্ৰীড়া ৰাজ্য আৰু গেমছত এক ঐতিহসিক পৰিৱেশ সৃষ্টি কৰিবলৈ আগ্ৰহী যিটো সকলোৰে চিৰদিনলৈ মনত ৰাখিব।



## নুৰুদ্দিন ট্ৰফীৰ চেম্পিয়ন শিলচৰ ক্ৰিকেট দলক সম্বৰ্ধনা ক্ৰীড়া সন্থাৰ

**গুৱাহাটী, ৩ জুন ঃ** নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন ট্ৰফী লাভ কৰা শিলচৰ দলক আজি শিলচৰ জিলা ক্ৰীড়া সন্থাই সম্বৰ্ধনা জনায়। ডি এছ এৰ কাৰ্যালয় চৌহদত আয়োজিত হোৱা উক্ত সম্বৰ্ধনা অনুষ্ঠানত ক্ৰীড়া সংগঠক, খেলুৱৈ, নাগৰিক সমাজে অংশ লয় বুলি অবগত কৰে সভাপতি বাবুল হোড়ে। উল্লেখ্য যে এ চি এৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হৈ যোৱা নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচত শিলচৰে ১০ উইকেটত পৰাস্ত কৰিছিল বিশ্বনাথক। চাৰিদিনীয়া নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেল মেচখন তিনিদিনতে সমাপ্ত হয়। উল্লেখ্য যে খিতাপৰ যুঁজৰ মেচখনত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছিল শিলচৰ দলে। চাৰিদিনীয়া মেচখনৰ প্ৰথমদিনা পোনতে বেটিং কৰা বিশ্বনাথে ১২২ ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত, শিলচৰে প্ৰথম ইনিংছত ২২৩ ৰাণত অলআউট হয়। ইফালে, বিশ্বনাথে ১৪০ ৰাণত দ্বিতীয় ইনিংছ সামৰে। প্ৰত্যুত্তৰত, জয়ৰ বাবে শিলচৰক প্ৰয়োজন হোৱা ৪১ ৰাণ দলে কোনো উইকেট নেহেৰুৱাকৈ দ্বিতীয় ইনিংছত সংগ্ৰহ কৰি জয় অৰ্জন কৰে। মেচৰ শ্ৰেষ্ঠ হয় শিলচৰৰ ৰাহুল সিং। তেওঁ প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বলাৰৰূপেও নিৰ্বাচিত হয়।





## আই পি এলত বেটাৰৰূপে নতুন অভিলেখ মহম্মদ ছামিৰ



**পঞ্চকুলা, ৩ জুন ঃ** এইবাৰ আই পি এলত হাতত বেটে উঠাই নাপালে টীম ইণ্ডিয়াৰ সদস্য মহম্মদ ছামিয়ে। ইফালে, এটা ছিজনত বেটিং অবিহনেই খেল শেষ কৰা প্ৰথম ভাৰতীয় ক্ৰিকেটাৰ হিচাপে পৰিগণিত হ'ল মহম্মদ ছামি । ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ ১৫ সংখ্যক ছিজন ইতিমধ্যে সফলতাৰে সমাপ্ত হৈছে । এইবাৰ আই পি এলত বহু কেইজন ক্ৰিকেটৰ মহাতাৰকাই নতুন অভিলেখো গঢ়িছে। তাৰমাজতে নতুন অভিলেখৰ গৰাকী হ'ল ছামি। উল্লেখ্য যে ২০২২ ৰ ছিজনত ৰাজস্থান ৰয়েলছক হৰুৱাই আই পি এলৰ চেম্পিয়ন হয় গুজৰাট টাইটানছ ।হাৰ্দিক পাণ্ডিয়াই নেতৃত্ব দিয়া গুজৰাটৰে সদস্য আছিল মহম্মদ ছামি ।ছামিয়ে এই ছিজনত ১৬ খন মেচ খেলি ২০ টা উইকেট দখলেৰে নিজৰ নাম লিপিবদ্ধ কৰিলে । গুজৰাট ফাইনেলত উপনীত হোৱা বা চেম্পিয়নৰ খিতাপ অৰ্জন কৰাত ছামিৰ অবদান সৰ্বজনবিদিত। কিন্তু এইবাৰ মহম্মদ ছামিয়ে দলৰ হৈ এখন মেচতো বেটিং কৰা নাছিল। ছামিয়ে ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ ইতিহাসত নতুন অভিলেখ গঢ়িলে। উল্লেখ্য যে বেটিং কৰিবলৈ অহা অবিহনেই আই পি ছিজনৰ সকলো মেচ খেলা প্ৰথম ভাৰতীয় ক্ৰিকেটাৰ হ'ল ছামি।

## জিয়াউৰ ৰহমান আন্তঃবিদ্যালয় ফুটবল

অগ্ৰদূত বাৰ্তা


**মৰাণ, ৩ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেল পথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্ত:বিদ্যালয় ফুটবলত ব্ৰনচন এণ্ড ব্ৰাউন ইংলিছ একাডেমী আৰু নাহৰণি উচ্চ মাধ্যমিক বিদ্যালয় দ্বিতীয় ৰাউণ্ডলৈ উন্নীত হৈছে । আজি অনুষ্ঠিত প্ৰথমখন খেলত ব্ৰনচন এণ্ড ব্ৰাউন ইংলিছ একাডেমীয়ে মৰাণ মৰাণ জাতীয় বিদ্যালয়ক সামগ্ৰিকভাৱে ৪-৩ গলৰ ব্যৱধানত পৰাজিত কৰে । ব্ৰনচনৰ দিপাংকৰ কিষাণে ২৯ মিনিটত দিয়া গ'লটো ৫০ মিনিটত জাতীয় বিদ্যালয়ৰ মৃগাংক মালব্য চুতীয়াই পৰিশোধ কৰি সমতা স্থাপন কৰে ।ফলত ৰেফাৰীয়ে টাইব্ৰেকাৰ পদ্ধতিৰে ফলাফল নিৰ্ণয় কৰে । টাইব্ৰেকাৰত ব্ৰনচনৰ ৰিতু পাংগিং, দিপাংকৰ কিষাণ আৰু নয়নদ্বীপ দত্তই গ'ল দিয়াৰ বিপৰীতে জাতীয় বিদ্যালয়ৰ আকাশ বৰগোহাঁই আৰু মৃগাংক মালব্য চুতীয়াই গ'ল দিবলৈ সক্ষম হয় । আনহাতে চহৰীকটা উচ্চ মাধ্যমিক বিদ্যালয় উপস্থিত নথকাত মৰাণ পাৰলিক উচ্চ মাধ্যমিক বিদ্যালয়ে ৱাক অ'ভাৰ পায় ।

## আন্তঃজিলা কুংফুত নলবাৰী দ্বিতীয় শ্ৰেষ্ঠ দল

**অগ্ৰদূত বাৰ্তা, নলবাৰী, ৩ জুন ঃ**গোলাঘাট চহৰত গোলাঘাট কুংফু ক্ৰীড়া সন্থাৰ উদ্যোগত আৰু অসম কুংফু ক্ৰীড়া সন্থাৰ অধীনত অনুস্থিত হোৱা দশম বাৰ্ষিক ৰাজ্যিক ভিত্তিত কুংফু প্ৰতিযোগিতাৰ সফল সামৰণি পৰিছে। উল্লেখ্য যে ল'ৰা আৰু ছোৱালী উভয়ৰে ছাব-জুনিয়ৰ ,জুনিয়ৰ আৰু ছিনিয়ৰ শাখাত অনুষ্ঠিত হোৱা উক্ত প্ৰতিযোগিতাত নলবাৰী জিলা কুংফু ক্ৰীড়া সন্থাৰ পৰা ২৩ জনীয়া ছাত্ৰ ছাত্ৰীৰ দলে অংশ গ্ৰহণ কৰিছিল । প্ৰতিযোগিতাত নলবাৰীৰ দলটোৱে আঠটা সোণৰ পদক, ছটা ৰূপৰ পদক আৰু সমসংখ্যক ব্ৰঞ্জৰ পদক লাভ কৰি মুঠ ২০ টা পদক লাভ কৰি দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে জিলা খনৰ সুনাম কঢ়িয়াই আনে । সোণৰ পদক লাভ কৰা খেলুৱৈ সকল হ'ল অন্নিশা ভৰদ্বাজ , ডৰিষ্ঠা বৰ্মন ,ৰিহান জাফৰি, চাহিল কুমাৰ ঠাকুৰ , অনিল হক চৌধুৰী , চয়নিকা দেৱী, সুজিত শইকীয়া ,নিবিৰ নিজান শৰ্মা। আনহাতে, ৰূপৰ পদক লাভ কৰা খেলুৱৈ সকল হল ৰিষ্টিয়ানা ৰিয়ান , চাকিল আহমেদ, জাফ্ৰিন যেন আখটাৰ , নিলাংশু কলিতা আৰু ব্ৰঞ্জৰ লাভ কৰা খেলুৱৈ সকল হল অভ্ৰজিৎ সুভাষ ডেকা , হাৰ্দিক তালুকদাৰ, হৃত্তিক লহকৰ, কৃষানু লহকৰ । উক্ত প্ৰতিযোগিতাত নলবাৰীৰ টীম মেনেজাৰ নয়নজ্যোতি তালুকদাৰ , প্ৰশিক্ষক গোবিন্দ কলিতা আৰু অসম কুংফু ক্ৰীড়া সন্থাৰ সম্পাদক তথা নলবাৰীৰ প্ৰশিক্ষক আজহাৰুল আমিন উপস্থিত থাকে।




## নিজৰাৰ সোণ



**নাহৰকটীয়া, ৩ জুন ঃ** গোৱাত অনুষ্ঠিত হোৱা বি চি এ আই ৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত নাহৰকটীয়া আৰক্ষী থানাৰ কৰ্মৰত মহিলা গৃহৰক্ষী জোৱান নিজৰা বৰুৱাই ৭০ কিলোগ্ৰাম শাখাত অসমক প্ৰতিনিধিত্ব কৰি প্ৰথম স্থান দখল কৰি সোণৰ পদক লাভ কৰি ৰাজ্যিক পৰ্যায়ত উজলি উঠাৰ লগতে নাহৰকটীয়ালৈ গৌৰৱ কঢ়িয়াই অনাৰ লগতে অসম আৰক্ষীলৈও সুনাম কঢ়িয়াই আনিছে । ইফালে, নিজৰা বৰুৱাৰ এই সাফল্যত স্থানীয় বিধায়ক তৰংগ গগৈয়ে অভিনন্দন জনাইছে ।

## আইটা টেলেণ্ট ছিৰিজ টেনিছত ছান্দোগ্য, অৰ্ণভীৰ দ্বিমুকুট অৰ্জন

**গুৱাহাটী, ৩ জুন ঃ** গোলাঘাট টেনিছ ক্লাবত আয়োজিত আইটা টেলেণ্ট ছিৰিজ টেনিছ টুৰ্ণমেণ্টত ছান্দোগ্য ত্ৰিদিব পাঠক আৰু অৰ্ণভী দেৱনাথে দ্বিমুকুট অৰ্জন কৰিছে । এই প্ৰতিযোগিতাৰ ১২ বছৰ অনূৰ্ধ্ব শাখাৰ ল'ৰাৰ ছিংগলছত ছান্দোগ্য ত্ৰিদিব পাঠকে ফাইনেলত অভয় ভৰালীৰ বিৰুদ্ধে ৬-১, ৬-২ ব্যৱধানত জয়লাভ কৰে । ইফালে, ছোৱালী শাখাৰ ছিংগলছ ফাইনেলত অৰ্ণভি দেৱনাথে নয়িম হুছেইনক ৬-৩, ৬-১ ছেটত হৰুৱায় ।ল'ৰাৰ ডাবোলছ ফাইনেলত ছান্দোগ্য-অভয় ভৰালী যুটিয়ে নিব্ৰাছ হুছেইন-সমক্ষ শৰ্মা যুটিক ৬-৩, ৬-২ ছেটত আৰু ছোৱালী শাখাত অৰ্ণভী-নয়িম হুছেইন যুটিয়ে আৰিশা মাহিন চৌধুৰী-সংস্কৃতি সৌৰভ বৰাক ৬-১, ৬-১ ছেটত পৰাস্ত কৰি বিজয়ী হয় । ইফালে, অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি গুৱাহাটীৰ টেনিছ প্ৰকল্পত অহা ৬-১০ জুনত অনুষ্ঠিত হ'ব ১৬ আৰু ১৮ বছৰ অনূৰ্ধ্ব শাখাৰ ল'ৰা আৰু ছোৱালীৰ আইটা চেম্পিয়নশ্বিপ ছিৰিজ টেনিছ টুৰ্ণামেণ্ট।



## বিল্যাসনন্দন চ'ৰা



# পোছাক চিলাবৰ হ'লেই!

**দিল্লীৰ** দৰবাৰত দৰ্জী সোমাইছে। দৰ্জী অহা দেখি বহুতে ভাবি ল'লে যে বাদশ্বাহে ২০২৪ৰ কাৰণে নতুন ড্ৰেছ চিলাবলৈ ল'লেই। নতুন নতুন পোছাক পিন্ধি ইলেকছনত ঘূৰি ফুৰাৰ মজাই বেলেগ। ঘনে ঘনে পোছাক সলাই থকাটো নেতাবোৰৰ সামূহিক চৰিত্ৰ যদিও বাদশ্বাহৰ পোছাক সলোৱা কাৰ্যক এইবোৰৰ লগত তুলনা কৰিব নোৱাৰি। বাদশ্বাহৰ সৱ কামৰে অৰ্থ থাকক বা নাথাকক, তাৎপৰ্য কিন্তু থাকেই। যিয়ে নহওক, দৰ্জীজন ঘৰুৱা। গতিকে চিধাই গৈ বাদশ্বাহৰ বেডৰূম পালেগৈ। দৰ্জীয়ে সোমায়ে বাদশ্বাহক চেল্যুট দি ক'লে— 'কি হ'ল জাহাপনা? নতুন পোছাক লগা হৈছে নেকি?'
ঃ নতুন পোছাকতো লাগিবই।
ঃ কিয়? এতিয়াতো একো ফেষ্টিভেল নাই।
ঃ আমি সৱ কামেই অলপ এডভান্স কৰো।
ঃ সেইটো হয়।
ঃ পাপ্পু মহাৰাজে আজিও ক'ব নোৱাৰে ভোট কেতিয়া!
ঃ সি একো নাজানে।
ঃ আমি কিন্তু পোছাক চিলোৱা কামো আৰম্ভ কৰি দিছো।
ঃ আগৰবাৰৰ দৰেই পঞ্চাছযোৰমান পোছাক লাগিবনে?
ঃ নাই নহ'ব।
ঃ তেনেহ'লে?
ঃ পাঁচশ সমষ্টিত তিনিখনকৈ মিটিং গালেও ডেৰ হেজাৰ মিটিং হ'ব। গতিকে মোক ডেৰ হেজাৰযোৰ পোছাক লাগিব।



ঃ কি!
ঃ সেই কাৰণে তোমাক এডভান্স মাতি আনিছো।
ঃ তাৰ মানে প্ৰতিখন মিটিঙত নতুন নতুন পোছাক!
ঃ অ' নতুন নতুন!
ঃ ডেৰ হেজাৰ মিটিং কৰিলে ডেৰ হেজাৰ পোছাক।
ঃ অ' ডেৰ হেজাৰ।
ঃ প্ৰতিখন মিটিঙতে বেলেগ বেলেগ পোছাক!
ঃ অ' বেলেগ বেলেগ।
ঃ কিয় বেলেগ বেলেগ?
ঃ এখন মিটিঙত মই যি কথা ক'ম, অন্য এখন মিটিঙত নকওঁ। প্ৰতিখন মিটিঙত বেলেগ বেলেগ কথা ক'ম। গতিকে পোছাকো বেলেগ বেলেগ হ'ব লাগিব।
ঃ কিয় বেলেগ বেলেগ কথা ক'ব?
ঃ প্ৰতিখন মিটিঙত বেলেগ বেলেগ কথা ক'লে পাব্লিকৰ কোনো এটা কথাই মনত নাথাকিব।
ঃ সেইটো হয়।
ঃ আগৰকেইবাৰ আটাইবোৰ মিটিঙত একে কথাকে কৈছিলো কাৰণে ফঁচি গৈছিলোহে।
ঃ সেইটো হয়।
ঃ যি যি কৈছিলো সৱ মনত আছে পাব্লিকৰ।
ঃ আছে।
ঃ একাউণ্টে একাউণ্টে পোন্ধৰ লাখকৈ দিয়াৰ কথা মনত আছে।
ঃ আছে।
ঃ বছৰত এক কোটি চাকৰি দিয়াৰ কথা মনত আছে।
ঃ আছে।
ঃ প্ৰতিখন মিটিঙত সেই একেখিনি কথা কৈ থকা কৰণে পাব্লিকৰ মনত আছে।
ঃ আছে।
ঃ প্ৰতিখনতে বেলেগ বেলেগ কথা ক'লে পাব্লিকৰ এটাও মনত নাথাকে।
ঃ সেইটো হয় জাহাপনা।
ঃ বেলেগ বেলেগ কথা কওঁতে পোছাকযোৰো বেলেগ বেলেগ হ'ব লাগিব।
ঃ জোখটো লৈ লওঁ নেকি?
ঃ লৈ লোৱা।
ঃ থিয় হওক জাহাপনা!
ঃ হৈছো দিয়া। আগেয়ে বুকুখনৰ জোখ লোৱাচোন।
ঃ কিয় জাহাপনা?
ঃ চাই লোৱা এতিয়াও চাপ্পন ইঞ্চিৰ হৈ আছে নে কমিছে!
দৰ্জীয়ে জোখ লৈ ক'লে— 'চাপ্পন ইঞ্চিয়ে আছে, কিন্তু দুই ইঞ্চিমান তললৈ বহি গৈছে বুকুখন।'
বাদশ্বাহে হাঁহি মাৰি ক'লে— 'দেটছ নেচাৰেল। বাদশ্বাহ হোৱাৰ আগলৈ বুকুখনত সৰুকৈ হ'লেও হৃদয় এখন আছিল। এই দহ বছৰত সেইখন নাইকিয়া হৈ গ'ল নহয়, সেই কাৰণে বুকুখন চেপেটা হৈ গৈছে!'

# আনৰ মুখাপেক্ষী নোহোৱাৰ বাবেই বাছি ল'লে চাফাইকৰ্মীৰ কাম

মাত্ৰ দুমাহৰ আগলৈকে হাতত চক-ডাষ্টাৰ লৈ কণ কণ ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাইছিল। এতিয়া সেই শিক্ষয়িত্ৰীয়েই অৱতীৰ্ণ হৈছে আন ভূমিকাত। চক-ডাষ্টাৰৰ পৰিৱৰ্তে এতিয়া তেওঁৰ হাতত উঠিছে ঝাড়ু। শিক্ষকতাৰ কাম হেৰুৱাই তেওঁ এতিয়া হৈ পৰিছে আন এখন স্কুলৰ চাফাইকৰ্মী। অৱশ্যে ইয়াৰ বাবে তেওঁৰ কোনো খেদ বা অভিযোগ নাই। বৰঞ্চ ন-উদ্যমেৰে তথা সন্মান সহকাৰে জীয়াই থকাৰ বাবেই তেওঁ বাছি লৈছে এই পেছা।





# স্কুলৰ চক-ডাষ্টাৰৰ সলনি ৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত শিক্ষয়িত্ৰীৰ হাতত উঠিল ঝাড়ু

**নিউজ ব্যুৰ'**
**তিৰুঅনন্তপুৰম, ৩ জুন ঃ** মাত্ৰ দুমাহৰ আগলৈকে হাতত চক-ডাষ্টাৰ লৈ কণ কণ ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাইছিল। এতিয়া সেই শিক্ষয়িত্ৰীয়েই অৱতীৰ্ণ হৈছে আন ভূমিকাত। চক-ডাষ্টাৰৰ পৰিৱৰ্তে এতিয়া তেওঁৰ হাতত উঠিছে ঝাড়ু। শিক্ষকতাৰ কাম হেৰুৱাই তেওঁ এতিয়া হৈ পৰিছে আন এখন স্কুলৰ চাফাইকৰ্মী। অৱশ্যে ইয়াৰ বাবে তেওঁৰ কোনো খেদ বা অভিযোগ নাই। বৰঞ্চ ন-উদ্যমেৰে তথা সন্মান সহকাৰে জীয়াই থকাৰ বাবেই তেওঁ বাছি লৈছে এই পেছা।

এই শিক্ষয়িত্ৰীগৰাকী হৈছে ৫৪ বছৰীয়া উষা কুমাৰী। কেৰালাৰ তিৰুঅনন্তপুৰমৰ বাসিন্দা উষাই বিগত ২৩ বছৰ ধৰি এক উপজাতি অঞ্চলত 'মাল্টি গ্ৰেড লাৰ্ণিং চেণ্টাৰ' (এমজিএলচি)ত শিক্ষকতা কৰিছিল। অথচ যোৱা ৩১ মাৰ্চৰ পৰাই তেওঁৰ জীৱনৰ গতি সলনি হৈ পৰে। সলনি হৈ পৰে পেছাও। এতিয়া আৰু তেওঁ শিক্ষয়িত্ৰী নহয়, বিগত দুমাহ ধৰি তেওঁ হাতত লোৱা নাই চক-ডাষ্টাৰ। ইয়াৰ পৰিৱৰ্তে তেওঁ হাতত তুলি লৈছে ঝাড়ু।

যোৱা ৩১ মাৰ্চত উষাই হেৰুৱায় শিক্ষকতাৰ কাম। তেওঁৰ স'তে আন ৩৪৪জন শিক্ষকেও চাকৰি হেৰুৱায়। তেওঁলোক আছিল এমজিএলচিৰ শিক্ষক। যোৱা ৩১ মাৰ্চত চৰকাৰে সেই কেন্দ্ৰসমূহ বন্ধ কৰি দিয়ে। ইয়াৰ ভিতৰত ৫০ শিক্ষক-শিক্ষয়িত্ৰীয়েই যোৱা বুধবাৰৰ পৰা হাতত ঝাড়ু তুলি লয়। ইয়াৰে অন্যতম উষা। এক সৰ্বভাৰতীয় সংবাদ মাধ্যমৰ আগত উষাই কয়, 'হয়তো এয়াই মোৰ ভাগ্য! দুমাহৰ আগতেও কুন্নাথুলামাত উপজাতি সম্প্ৰদায়ৰ ল'ৰা-ছোৱালীক শিক্ষা দিছিলো। অথচ আজি মোৰ হাতলৈ সেই চক-ডাষ্টাৰৰ পৰিৱৰ্তে আহিছে ঝাড়ু।'

উল্লেখ্য যে শিক্ষকতাৰ বাবে উষাই ইতিমধ্যে এক ডজনৰো অধিক ৰাজ্যিক বঁটা অৰ্জন কৰিছে। ইয়াৰ লগতে তেওঁ লাভ কৰিছিল কৃতী শিক্ষকৰ ৰাষ্ট্ৰীয় সন্মানো। উষাই কয়, 'মোৰ সন্তানসকলে চাফাইকৰ্মীৰ কাম কৰাত বাধা দিছিল, কিন্তু মই কাৰো মুখাপেক্ষী হৈ থাকিব নোখোজো। নিজে কিবা কৰিব বিচাৰো। ৰাজ্য চৰকাৰলৈ মোৰ অনুৰোধ, পেঞ্চনৰ সম্পূৰ্ণ টকাখিনি যাতে পাওঁ। আমাৰ পদবোৰো যেন পৰিৱৰ্তন কৰা হয়।' চাকৰি হেৰুওৱাৰ বাবে অৱশ্যে উষাৰ কিছু আক্ষেপো আছে। তেওঁ কয়, '২৩ বছৰ ধৰি শিক্ষকতাৰ পেছাত আছিলো। এতিয়া মই আগন্তুক ছবছৰৰ বাবে চাফাইকৰ্মী হৈ থাকিম।'

# মাণিকপুৰত জব্দকৃত বাৰ্মিজ চুপাৰি দাহ
## আৰক্ষী অধীক্ষকৰ উপস্থিতিত ২৫ লাখ মূল্যৰ বাৰ্মিজ চুপাৰি দাহ



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ৩ জুন ঃ** বিগত বছৰৰ চাৰি জুনত গেৰুকাবাৰীত মাণিকপুৰ আৰক্ষী থানাৰ অধীনত উপ-পৰিদৰ্শক নৱজ্যোতি ৰয়ৰ নেতৃত্বত অবৈধভাৱে জব্দ কৰা ৬৮৬৪ কিলোগ্ৰাম বাৰ্মিজ চুপাৰি আজি জ্বলাই দিয়া হয়। উল্লেখ্য যে জব্দকৃত বাৰ্মিজ চুপাৰিখিনি বঙাইগাঁৱৰ খাদ্য সুৰক্ষা বিষয়া, গুৱাহাটীস্থিত ফৰেনচিক ছায়েন্স লেবৰেট'ৰী, উদ্যান শস্য আৰু খাদ্য প্ৰক্ৰিয়াকৰণৰ সঞ্চালক আৰু কেৰালাস্থিত চেণ্ট্ৰেল প্লেণ্টেছন ৰিছাৰ্চ ইনষ্টিটিউট আদি মহলৰ পৰা লোৱা মতামতৰ পৰা বাৰ্মিজ চুপাৰিখিনি খোৱাৰ অনুপযোগী বুলি জনাৰ পাছত মাণিকপুৰ থানাই এই বৃহৎ পৰিমাণৰ চুপাৰিখিনি সন্দৰ্ভত বঙাইগাঁও সত্ৰ ন্যায়ালয়ত এখন আবেদন দাখিল কৰে। সকলোখিনি তথ্যৰ ভিত্তিত বাৰ্মিজ চুপাৰিখিনি খোৱাৰ অনুপযোগী বুলি নিশ্চিত হোৱাৰ পাছত বঙাইগাঁৱৰ অতিৰিক্ত মুখ্য ন্যায়িক দণ্ডাধীশে বিগত ৩১ মে'ত ৰায় প্ৰদান কৰে যে বাৰ্মিজ চুপাৰিখিনি এখন কমিটী বনাই সেই কমিটীৰ সদস্যসকলৰ উপস্থিতিত নষ্ট কৰিব লাগে। সেই নিৰ্দেশনামৰ্মে বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠকে সংশ্লিষ্ট মাণিকপুৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়াক অধ্যক্ষাৰূপে, মাণিকপুৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক সদস্য সচিব আৰু বঙাইগাঁৱৰ খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ অধীক্ষক, কোষাগাৰ বিষয়া, জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া আৰু বঙাইগাঁৱত থকা প্ৰদুষণ নিয়ন্ত্ৰণ বিভাগৰ আঞ্চলিক কাৰ্যবাহী অভিযন্তাক সদস্যৰূপে বাছনি কৰি এখন কমিটী গঠন কৰি বাৰ্মিজ চুপাৰিখিনি নষ্ট কৰাত উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়ে। সেই অনুসৰি, আজি পুৱা নবজাত উক্ত কমিটীখনৰ বিষয়াসকলৰ লগতে বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকা আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক লুনা সোণোৱালৰ উপস্থিতিত চুপাৰিখিনি মাণিকপুৰ থানা চৌহদত জ্বলাই দিয়া হয়। উল্লেখ্য যে মাণিকপুৰ অঞ্চলৰ সংবাদকৰ্মী আৰু স্থানীয় দুজন লোকো এই কাৰ্যসূচীত উপস্থিত থাকে। চুপাৰিখিনিৰ বজাৰ মূল্য ২৫ লক্ষাধিক টকা হ'ব।

# মৰিগাঁৱত মন্ত্ৰী অতুল বৰাৰ বৈঠক



**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ৩ জুন ঃ** প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ পৰিচালনাৰ লগতে কৃষি উৎপাদন বৃদ্ধি আৰু বিজ্ঞানসন্মত কৃষিত গুৰুত্ব আৰোপ আদি বিভিন্ন বিষয়ৰ ওপৰত পৰ্যালোচনাৰ উদ্দেশ্যে মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি পুৱা ১০ বজাত অসমৰ কৃষি, উদ্যান শস্য, পশুপালন আৰু পশু চিকিৎসা আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই উপস্থিত হয়। উক্ত পৰ্যালোচনা সভাত কৃষি বিভাগৰ আয়ুক্ত সচিব ডাঃ ওম প্ৰকাশ, সঞ্চালক অনন্ত লাল জ্ঞানী, সহকাৰী সঞ্চালক পংকজনাভ দাস আৰু অন্যান্য উচ্চ পৰ্যায়ৰ বিষয়াসহ জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, অতিৰিক্ত উপায়ুক্তসকল, জিলা কৃষি বিষয়া আৰু জিলা কৃষি বিষয়া কাৰ্যালয়ৰ অন্যান্য বিষয়াসকলৰ লগতে জিলা প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ উপৰি সংশ্লিষ্ট বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলো উপস্থিত থাকে।

# ন বছৰ নীৰৱে ধৰাক সেউজীয়া কৰি ৰখাৰ চেষ্টা অব্যাহত ৰখা শোণিতপুৰৰ হৰি কৰুৱা



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ৩ জুন ঃ** পৃথিৱীখনত যদি ভৱিষ্যতে সেউজীয়া গছ-গছনিবোৰ নিঃশেষ হৈ যায় তেনেহ'লে তেতিয়া কি হ'ব! জীৱ-জন্তুবোৰ যেনেদৰে বিলুপ্ত হ'ব তেনেদৰে মানুহৰ ভৱিষ্যৎ প্ৰজন্মই বাৰু সাঁচাকৈয়ে পিঠিত অক্সিজেন চিলিণ্ডাৰ লৈ ফুৰিবলগীয়া হ'ব নেকি! এনেবোৰ দুঃচিন্তাই খুলি খুলি খাইছিল হৰি কৰুৱা নামৰ লোকজনক। তেজপুৰৰ নিকটৱৰ্তী কাৰৈমাৰী বৰআটি গাঁৱৰ টংকেশ্বৰ কৰুৱা আৰু প্ৰয়াত সুমিত্ৰা কৰুৱাৰ একমাত্ৰ পুত্ৰ হৰি কৰুৱাই যেতিয়াই অৰণ্য ধ্বংস আৰু সংৰক্ষিত বনাঞ্চলৰ দুৰৱস্থাৰ বিষয়ে শুনিছিল তেতিয়াই ব্যথিত হৈছিল। কিন্তু নিজৰ বুলিবলৈ ভেঁটিটোৰ বাহিৰে অধিক মাটি নথকাত কৰুৱাই ৰাইজৰ অনুমতি সাপেক্ষে বৰআটিৰ ৰাজহুৱা পুখুৰীৰ পাৰত ২০১৩ত এহেজাৰ গছপুলি ৰোপণ কৰিলে। শাল, আমলখি, শিলিখা, ভোমোৰা আদি গছপুলিবোৰৰ প্ৰতিপালৰ দায়িত্বও ৰাইজে তেওঁক অৰ্পণ কৰিলে। এনেদৰেই লহপহকৈ এই গছপুলিবোৰ বাঢ়ি আহি এতিয়া ইয়াত ফল-ফুল ধৰিবলৈ লোৱাৰ সমান্তৰালভাৱে ইয়াৰ পৰাই গজা পুলি তেজপুৰৰ সমীপৱৰ্তী বিভিন্ন অঞ্চলত ৰোপণ কৰিবলৈ ল'লে কৰুৱাই। উল্লেখযোগ্য যে সেই এহেজাৰ পুলিৰ ভিতৰত এটা পুলিও মৰহিবলৈ নিদিয়াকৈ প্ৰতিপাল কৰা কৰুৱাই যোৱা নবছৰে নীৰৱে বিভিন্ন স্থানত গছপুলি ৰোপণ আৰু প্ৰতিপালন কৰি গৈছে। আজিও তেওঁ বিহগুৰি কন্যা বিদ্যালয়তো পুলি ৰোপণ কৰে। পুৱাই গছপুলি লৈ ৰাষ্ট্ৰীয় পথৰে চাইকেলখনত মোনাত ভৰাই লোৱা গছপুলিসহ ওলাই আহি বিভিন্ন সংযোগী পথৰে প্ৰৱেশ কৰা কৰুৱাই স্থানীয় লোকৰ অনুমতি সাপেক্ষে উপযুক্ত স্থানত দৈনিক পাঁচটাৰ পৰা ১৫টা পুলি ৰোপণ কৰি আহিছে। উল্লেখযোগ্য যে পিতৃ-পৰিয়াৰ আৰু কণমানি পুত্ৰৰ স'তে স্থানীয় একাংশ ছাত্ৰ-ছাত্ৰীক ঘৰুৱাভাৱে পঢ়াই জীৱিকা নিৰ্বাহ কৰা কলা শাখাৰ স্নাতক কৰুৱাই ২০১৩ৰ পূৰ্বে গোৱা, শ্বিলং আৰু গুৱাহাটীত ব্যক্তিগত প্ৰতিষ্ঠানৰ অধীনত কাম কৰিছিল যদিও তেওঁ পাছত নিজগৃহলৈ উভতি আহি গছপুলি ৰোপণৰ কাম আৰম্ভ কৰে। আন স্থানলৈ নগ'লে দিনটো ৰাজহুৱা পুখুৰীৰ পাৰ গছ-গছনিবোৰ প্ৰতিপালতে ব্যস্ত থকা কৰুৱাই কয় যে প্ৰকৃতি আৰু পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত ব্যাপক চৰ্চা অব্যাহত থকা সত্ত্বেও বহু লোকে বৰ্তমানেও গছৰ মূল্য বুজি উঠা নাই। তেওঁৰ অলক্ষিতে কোনো লোকে পুখুৰীৰ পাৰৰ তিনিজোপা শালগছ কাটি নিয়াৰ বিষয়েও তেওঁ গভীৰ আক্ষেপ প্ৰকাশ কৰে। অংগনৱাড়ী কেন্দ্ৰৰ লগতে বিভিন্ন শিক্ষানুষ্ঠান, শ্মশান, কবৰস্থান, ধৰ্মীয় অনুষ্ঠানৰ লগতে ১১২ স্থানত গছপুলি ৰোপণ কৰিছে কৰুৱাই। ৰাইজ তথা একাংশ ছাত্ৰ সংগঠনৰ বিষয়ববীয়া বিভিন্ন শিক্ষানুষ্ঠান আৰু ধৰ্মীয় অনুষ্ঠানে তেওঁৰ এনে কাৰ্যৰ শলাগ লোৱাৰ কথা প্ৰকাশ কৰি তেওঁ লগতে কয় যে পুখুৰীৰ পাৰত প্ৰথমেই ৰোপণ কৰা এহেজাৰ গছপুলিৰ পৰা এতিয়া তেওঁ প্ৰায় ৫০ হেজাৰ পুলি উৎপাদন কৰিব পৰাকৈ নতুন বীজ লাভ কৰিছে। ইতিমধ্যে ইয়াৰ পৰাই ভালে সংখ্যক পুলিও তেওঁ বিভিন্ন স্থানত ৰোপণ কৰিছে। নিশা এক বজালৈকে গছপুলিৰ আপদালত ব্যস্ত থকা কৰুৱাই অনাগত সময়ত ৰাজ্যৰ লগতে দেশ তথা বিশ্বৰ যিকোনো স্থানতে, য'ত গছৰ সংখ্যা হ্ৰাস পাইছে তাতে গছপুলি ৰোপণ কৰাৰ বাবে আগ্ৰহী বুলি প্ৰকাশ কৰি ইয়াৰ বাবে সৰ্বসাধাৰণ আৰু ৰাইজৰ সহায় লাগিব বুলি উল্লেখ কৰি লগতে কয় যে এতিয়া যদি গছ-গছনিৰে এইখন ধৰাক সেউজীয়া কৰাৰ ব্যৱস্থা কৰা হয় তেতিয়া প্ৰাণী জগতে যথেষ্ট সকাহ পাব।

# বাৰিষা নৌহওঁতেই লখিমপুৰৰ ছয় নম্বৰ ৱাৰ্ডত কৃত্ৰিম বান



**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ৩ জুন ঃ** ভৰ বাৰিষা নৌহওঁতেই উত্তৰ লখিমপুৰ ঘাইপথৰ পূৱ দিশত অৱস্থিত ছয় নম্বৰ ৱাৰ্ডৰ বিশ্ব টকীজৰ লগতে অঞ্চলটোৰ প্ৰায়বোৰ ঠাই এজাক বৰষুণতে কৃত্ৰিম বানত আজি জলমগ্ন হৈ পৰিছে। তদুপৰি এক নম্বৰ নগৰ প্ৰাথমিক বিদ্যালয়ৰ গুণোৎসৱৰ মাজতে জলমগ্ন হৈ পৰাত বিজেপি নেতৃত্বাধীন চৰকাৰৰ উন্নয়নৰ দুৰ্বল দিশটো উদঙাই কালিৰে পৰা চহৰখনত হৈ থকা বৰষুণত বিশ্ব চিনেমা হলৰ গ্ৰাউণ্ড ফ্লৰত পানী সোমাই চপচপীয়া হৈ পৰাৰ লগতে বিশ্ব টকীজৰ ওচৰ-পাঁজৰ চহৰখনৰ ঘাইপথৰ ৱাৰ্ডটোৰ প্ৰায় ঘৰ জলমগ্ন হৈ পৰে। ফলত ৱাৰ্ডবাসীয়ে জ্বলা-কলা খাবলগীয়াত পৰিছে। উল্লেখ্য যে ছয় নম্বৰ ৱাৰ্ডৰ বিশ্ব চিনেমা হলৰ কাষেদি যোৱা উপ-পথৰ চৰকাৰী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দক্ষিণ দিশৰ পৰা পৌৰসভাৰ যিটো নলা পূবৰ পৰা পশ্চিম দিশলৈ গৈ গাৰ্লছ হাইস্কুল পথত সংযোগ হোৱা পথটোত নলাটো বন্ধ হৈ পৰাত এনে সমস্যাৰ সৃষ্টি হৈছে বুলি ৱাৰ্ডবাসীয়ে অভিযোগ তুলিছে। উক্ত নলাটো অতিশয় অপৰিষ্কাৰ জাবৰ-জোঁথৰে ভৰি পৰাত ৱাৰ্ডৰ বিভিন্ন ঠাইৰ পৰা নলাটোত পৰি আবদ্ধ হৈ পৰাৰ ফলস্বৰূপেই এনে কৃত্ৰিম বানৰ সন্মুখীন হ'বলগীয়াত পৰিছে। তদুপৰি প্ৰতি বছৰে বাৰিষা এনে সমস্যাৰ বাবে ৱাৰ্ডবাসীয়ে জীয়াতু ভুগি আহিছে। এই সন্দৰ্ভত ৱাৰ্ডবাসীয়ে ছয় নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড কমিচনাৰ ভৱানী প্ৰসাদ শৰ্মাক অৱগত কৰিছে যদিও 'শ্ৰমিক নাই' বুলি দায়িত্ব সামৰে। নলাটো ওপৰে ওপৰে পৰিষ্কাৰ কৰি কৰ্তব্য পথৰ পৰা গা এৰা দিয়ে। তদুপৰি চি ডি ৰোড মছজিদ গলিত কৃত্ৰিম বানত নলা অপৰিষ্কাৰ তথা পৰিকল্পিত নোহোৱাৰ বাবেই তিনি নম্বৰ ৱাৰ্ডৰ আমিৰ উদ্দিন গাঁওবুঢ়া পথটোৰ বহু ঠাই কৃত্ৰিম বানত জলমগ্ন হৈ পৰে।

# আইপিএছতো সন্তুষ্ট নহৈ আইএএছ হ'ল দিব্যাশক্তি
## দ্বিতীয় প্ৰচেষ্টাতে লক্ষ্য পূৰণ কৰিলে বিহাৰৰ যুৱতীয়ে



**নিউজ ব্যুৰ'**
**পাটনা, ৩ জুন ঃ** প্ৰথম চেষ্টাতে ইউপিএছচি পৰীক্ষাত উত্তীৰ্ণ হৈছিল। লগতে আইপিএছৰ বাবে নিৰ্বাচিত হৈ প্ৰশিক্ষণো আৰম্ভ কৰিছিল। যদিও আইপিএছ হৈ তেওঁ নিজে সন্তুষ্ট হ'ব পৰা নাছিল। কিয়নো তেওঁৰ লক্ষ্য আছিল আইএএছ। এইবাৰ সেই লক্ষ্যভেদেই কৰিলে দিব্যাশক্তিয়ে।

বিহাৰৰ জালালপুৰ জিলাৰ সৰনৰ বাসিন্দা দিব্যাৰ জন্ম এটা চিকিৎসক পৰিয়ালত। শৈশৱৰ পৰাই তেওঁ মেধাৱী ছাত্ৰী। প্ৰথমে মুজফ্‌ফৰপুৰ আৰু পাছত তেওঁ বোকাৰোত পঢ়া-শুনা কৰে। কম্পিউটাৰ ছায়েন্সত স্নাতকোত্তৰ হৈ দিব্যা এটা আন্তৰ্জাতিক কোম্পানীৰ চাকৰিতো সোমাইছিল। অৱশ্যে নিজৰ লক্ষ্যপূৰণৰ বাবে যুৱতীগৰাকীয়ে সমান্তৰালকৈ অব্যাহত ৰাখিছিল ইউপিএছচি পৰীক্ষাৰ প্ৰস্তুতি। ২০১৯ত দিব্যাই প্ৰথমবাৰ পৰীক্ষাত বহে আৰু ৭৯ ৰেংক লাভ কৰে। লগতে আইপিএছৰূপে নিৰ্বাচিত হয়। যদিও আইপিএছ হোৱাৰ লক্ষ্য দিব্যাৰ নাছিল। তেওঁৰ লক্ষ্য আছিল আইএএছ। ডাঙৰ কিবা এটা কৰাৰ উৎসাহতেই যুৱতীগৰাকীয়ে ২০২২ত পুনৰ ইউপিএছচি পৰীক্ষাত অৱতীৰ্ণ হয়। এইবাৰ তেওঁ লাভ কৰিলে ৫৮ ৰেংক। ফলত এতিয়াৰ পৰা তেওঁ চিহ্নিত হ'ল আইএএছৰূপে।

দিব্যাৰ পিতৃ এখন চৰকাৰী হাস্পতালৰ প্ৰাক্তন অধীক্ষক। তেওঁকয়, 'শৈশৱৰ পৰাই দিব্যা পঢ়া-শুনাত ভাল। নিজৰ লক্ষ্যত উপনীত হ'বলৈ দিন-ৰাতি একাকাৰ কৰি প্ৰস্তুতি চলাইছিল। তেওঁৰ এই সাফল্যত আমি অত্যন্ত আনন্দিত।'

# গহপুৰৰ দক্ষিণাঞ্চলত কাজিৰঙাৰ বন্যহস্তীৰ উপদ্ৰৱ অব্যাহত
## দৰিদ্ৰ কৃষক ৰাইজৰ ঘৰ-বাৰী, খেতিপথাৰৰ বিস্তৰ ক্ষতিসাধন ঃ বনৰক্ষীৰ শিবিৰ স্থাপনৰ দাবী



**অগ্ৰদূত বাৰ্তা**
**গহপুৰ, ৩ জুন ঃ** গহপুৰ মহকুমাৰ হেলেম ৰাজহ চক্ৰৰ দক্ষিণাঞ্চলত বন্যহস্তীৰ উপদ্ৰৱ অব্যাহত থকাত বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছে বৃহত্তৰ অঞ্চলৰ দৰিদ্ৰ কৃষক তথা সৰ্বসাধাৰণ ৰাইজ। উল্লেখ্য যে হেলেম ৰাজহ চক্ৰৰ দক্ষিণাঞ্চলৰ গমিৰি, শান্তিপুৰ, বৰুৱা পথাৰ, কুৰুৱাপথাৰ, কুৰুৱাবস্তি, ডিপৰা, মেইল বজাৰ, চাৰেঙীয়া, বাকৰি দলনি আদি অঞ্চলত বিগত প্ৰায় এটা দশ ধৰি বাৰিষা, খৰালি উভয় ঋতুতে কাজিৰঙাৰ বন্যহস্তীৰ দলে ধাৰাবাহিকভাৱে উপদ্ৰৱ চলাই কৃষক ৰাইজৰ ঘৰবাৰীৰ লগতে খেতিপথাৰৰ বিস্তৰ ক্ষতিসাধন কৰি আহিছে। খাদ্যৰ সন্ধানত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বন্যহস্তীৰ দলৰ তাণ্ডৱৰ বাবেই উক্ত অঞ্চলসমূহৰ দৰিদ্ৰ কৃষক ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা অনিশ্চিত হৈ পৰাৰ দৰে হৈছে। এই ক্ষেত্ৰত বন বিভাগটোৱে হেলেম ৰাজহ চক্ৰৰ দক্ষিণাঞ্চলত অব্যাহত থকা উক্ত সমস্যাৰ স্থায়ী সমাধান কৰি বন্যহস্তীৰ উপদ্ৰৱৰ পৰা দৰিদ্ৰ কৃষক ৰাইজক সুৰক্ষা প্ৰদান কৰাত আজিকোপতি সফল হোৱা নাই। যাৰ পৰিণতিত প্ৰতি বছৰেই ভুক্তভোগী ৰাইজে বিস্তৰ ক্ষতিৰ সন্মুখীন হোৱাৰ লগতে বন্যহস্তীৰ তাণ্ডৱৰ আশংকাত সঘনাই বিনিদ্ৰ ৰজনী অতিবাহিত কৰিব লগা হৈ আহিছে। চলিত বৰ্ষতো বন্যহস্তীৰ উপদ্ৰৱৰ পৰা ৰক্ষা পোৱা নাই উক্ত অঞ্চলসমূহৰ কৃষিজীৱী ৰাইজে। শেহতীয়াকৈ যোৱা ৩১ মে'ৰ নিশা কাজিৰঙাৰ পৰা ওলাই বন্যহস্তীয়ে হেলেম ৰাজহ চক্ৰৰ গমিৰি গাঁও পঞ্চাতৰ অন্তৰ্গত শান্তিপুৰ আৰু মিছামাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত কুৰুৱাপথাৰ অঞ্চলত তাণ্ডৱ চলাই দৰিদ্ৰ কৃষক ৰাইজৰ বাসগৃহৰ লগতে শাক-পাচলি খেতিৰ বিস্তৰ ক্ষতিসাধন কৰে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ব্ৰহ্মপুত্ৰৰ সুঁতি পাৰ হৈ জনাঞ্চলত প্ৰৱেশ কৰা বন্যহস্তীৰ দলটোৱে গমিৰি শান্তিপুৰৰ পটু দাসৰ বাসগৃহ লণ্ডভণ্ড কৰাৰ লগতে কুৰুৱাবস্তিৰ কৃষ্ণ বাহাদুৰ নিৰলাৰ গুটি ধান তহিলং কৰে। তদুপৰি বন্যহস্তীৰ দলটোৱে শান্তিপুৰ আৰু কুৰুৱাপথাৰ অঞ্চলৰ দিগেন্দ্ৰ দাস, বলাই দাস, দলবাহাদুৰ চিৰুৱালৰ শাক-পাচলি খেতিৰ বিস্তৰ ক্ষতিসাধন কৰে। বন্যহস্তীৰ ধাৰাবাহিক তাণ্ডৱত অতিষ্ঠ হৈ পৰা শান্তিপুৰ অঞ্চলৰ ভুক্তভোগী ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বৰ্তমান বৃহত্তৰ শান্তিপুৰ অঞ্চলটো কাজিৰঙাৰ বন্যহস্তীৰ লগতে বনৰীয়া গাহৰি আদিৰ বিচৰণ ভূমিত পৰিণত হৈছে। এই ক্ষেত্ৰত ৰাইজৰ জীৱন আৰু সম্পত্তিৰ সুৰক্ষা সুনিশ্চিত কৰিবৰ বাবে অঞ্চলটোত বনৰক্ষীৰ এটা শিবিৰ স্থাপন কৰিবৰ বাবে ভুক্তভোগী ৰাইজে দাবী জনাইছে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com